# দ্বীনি মালুমাত

অনুবাদক

আব্দুল কাদিৰ মুৱাল্লিম ছিলছিলা

নাম কিতাপ ঃ দ্বীনি মালুমাত
অনুবাদক ঃ আব্দুল কাদিৰ মুৱাল্লিম ছিলছিলা
প্ৰথম প্ৰকাশ ঃ ২০২০, ১০০০ কপি
প্ৰকাশক ঃ নজাৰত নশ্বৰ ও ইশ্বায়ত কাদিয়ান
মুদ্ৰণে ঃ ফজলে উমৰ প্ৰণ্টিং প্ৰেছ কাদিয়ান
জিলা, গুৰদাছপুৰ ১৪৩৫১৬ (পঞ্জাৱ)

**Name Book : Dini Malumat**
**Translated by : Abdul Qadir Muallim Silsila**
**First Published: 2020, 1000 Copies,**
**Published by : Nazarat Nashor-O-Ishaat Qadian**
**Printed at : Fazle Umar Printing Press**
**Qadian,Dist: Gurdaspur**
**143516 (Punjab)**

# প্ৰকাশকৰ কথা

দ্বীনি মালুমাত কিতাপখন অসমীয়ালৈ অনুবাদ কৰিছে মাননীয় আব্দুল কাদিৰ চাহাব মুৱাল্লিম ছিলছিলা আৰু ইয়াৰ কমপোজিং কৰিছে মাননীয়া ৰেজিয়া খাতুন বি.এছ.ছি য়ে আৰু **Review** কৰিছে মাননীয় আমান আলী চাহাব মুবাল্লিগ ছিলছিলা (সভাপতি **Review** কমিটি অসম) মাননীয় মজিবৰ ৰহমান চাহাব মুবাল্লিগ ছিলছিলা (ইনচাৰ্জ অসমীয়া ডেস্ক),মাননীয় শ্বাহজাহান আলী চাহাব মুৱাল্লিম ছিলছিলা। **Review** হোৱাৰ পিছত মাননীয় মজিবৰ ৰহমান চাহাবে চালি-জাৰি চাই অত্যাৰশ্যকীয় শুধৰণী কৰিছে। আল্লাহ তায়লা কিতাপখন প্ৰস্তুত কৰি উলিয়াওতে সহায় সহযোগীতা আগবঢ়োৱা সকলক উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক। আমিন

নাজিৰ নশ্বৰ ও ইশ্বায়ত কাদিয়ান

# এহেদ নামা

**আশ্বহাদু আল্লা ইলাহা ইল্লাল্লাহু ওৱাহদাহু লাশ্বাৰি কালাহু ওৱা আশ্বহাদু আন্না মুহাম্মাদান আবদুহু ওৱা ৰাছুলুহু।**

**অৰ্থ ঃ** মই সাক্ষী দিওঁ যে আল্লাহৰ বাহিৰে কোনো উপাস্য নাই সেইজনাই অকলশৰীয়া,অদ্বিতীয় আকৌ মই সাক্ষী দিওঁ যে মহম্মদ (ছাঃ) আল্লাহৰ ভৃত্য আৰু ৰছুল।

**এহদ নামা আতফাল** ঃমে ইকৰাৰ কৰতা হু কে কাওমি আউৰ মিল্লি ৰফাত কে খাতিৰ মে আপনি জান,মাল,ওৱাকত আউৰ ইজ্জত কো কুৰবান কৰনে কে লিয়ে হৰদম তৈয়াৰ ৰহুঙ্গা। ইছি তৰহ খিলাফতে আহমদীয়াকো কায়েম ৰাখনে কি খাতিৰ হৰ কোৰবানী কেলিয়ে তৈয়াৰ ৰহুঙ্গা।আউৰ খলিফায়ে ওৱাকত জো বি মাৰুফ ফয়চালা ফৰমায়েঙ্গে উছকি পাবন্দি কৰনি জৰুৰী ছমজুঙ্গা। (ইনশ্বা আল্লাহ)

**অৰ্থ ঃ** মই শপত লওঁ যে ধৰ্মীয়,জাতীয় আৰু দেশৰ স্বাৰ্থ ৰক্ষাৰ্থে নিজৰ প্ৰাণ,ধন,সময়,মান সন্মান উচ্চৰ্গা কৰাৰ কাৰণে সদায় প্ৰস্তুত থাকিম।এইদৰে খিলাফতে আহমদিয়াক প্ৰতিষ্ঠা ৰাখিবৰ নিমিত্তে সকলো ধৰণৰ ত্যাগ স্বীকাৰ কৰিবলৈ সদায় প্ৰস্তুত থাকিম,আৰু যুগৰ খলিফায়ে যি ন্যায় সঙ্গত সিদ্ধান্ত কৰিব সেয়া পালন কৰা অৰশ্যকৰণীয় বুলি ভাবিম।(ইনশ্বা আল্লাহ)

খোদা তায়লাৰ কৃপাৰ সৈতে,

**দ্বীনি মালুমাত**

## আল্লাহ তায়লা, ইছলাম আৰু কোৰাণ মজিদ

**প্ৰশ্ন নম্বৰ ১** ঃ বিশ্বজগতৰ সৃজন কৰ্তাৰ নাম কি ? আৰু তাৰ অৰ্থ কি ?

উত্তৰ ঃ বিশ্ব জগতৰ সৃজন কৰ্তাৰ নাম আল্লাহ ইয়াৰ অৰ্থ হ'ল সেই নামৰ মাজত সকলো ধৰণৰ সৌন্দৰ্য্য একত্ৰিত হৈ আছে,আৰু সকলো ধৰণৰ ত্ৰুটিমুক্ত সেই নাম।

**প্ৰশ্ন নং ২ ঃ** কোৰাণ মজিদত আল্লাহ তায়লাৰ কেইটা গুণবাচক নাম উল্লেখ আছে ?

**উ ঃ** ১০৪ টা গুণবাচক নাম উল্লেখ আছে। যেনে আৰ-ৰহমান, আৰ-ৰাহিম, আল-হাই, আল-কাইয়ুম ইত্যাদি। বাকী নামবোৰ (দিবাচা তফছিৰুল কুৰাণ আজ হজৰত মুচলেহ মাওউদ পৃঃ নম্বৰ ৩০৮)

**প্ৰশ্ন নং ৩ ঃ** আল্লাহ তায়লাৰ অস্তিত্বৰ এটা প্ৰমাণ কোৰাণ কৰিমৰ পৰা উল্লেখ কৰা ?

**উ ঃ-** ৰছুল সকলৰ সাফল্য; যেনেদৰে কোৱা হৈছে,

(58:22) كَتَبَ اللّٰهُ لَاَغۡلِبَنَّ اَنَا وَ رُسُلِیۡ ؕ

অৰ্থাৎ আল্লাহ তায়লা সিদ্ধান্ত কৰি ৰাখিছে যে মই আৰু মোৰ পয়গম্বৰ নিশ্চিত ভাৱে জয়ী হ'ম। (চুৰা মুজাদিলা আয়াত ২২)

**প্ৰশ্ন নং ৪ ঃ-** ইছলামৰ অৰ্থ কি ?

**উ ঃ** ফৰমাবৰদাৰ বা আনুগত্য। খোদাৰ কাৰণে বিলীন হৈ যোৱা( আত্মসমৰ্পণ) খোদাৰ কাৰণে নিজৰ ইচ্ছাক বিলীন কৰি দিয়াৰ নামেই হ'ল ইছলাম।

**প্ৰশ্ন নং ৫ ঃ** ইছলামৰ প্ৰধান ভেটি (স্তম্ভ) কেইটা আৰু কি কি ?

**উ ঃ** পাঁচটা, (১) কলিমা তৈয়ব (২) নমাজ (৩) ৰোজা (৪) জাকাত (৫) হজ।

**প্ৰশ্ন নং ৬ ঃ** কলিমা তৈয়ব লিখা।

**উ ঃ** লা ইলাহা ইল্লাল্লাহু মুহাম্মাদুৰ ৰাছুলুল্লাহ।

**অৰ্থঃ** আল্লাহৰ বাহিৰে কোনো উপাস্য নাই মহম্মদ (ছাঃ) আল্লাহৰ ৰছুল।

**প্ৰশ্ন নং ৭ ঃ** ঈমানৰ ভেটি (স্তম্ভ) কেইটা আৰু কি কি ?

**উ ঃ** ছয়টা, (১) আল্লাহৰ ওপৰত ঈমান অনা (২) তাৰ ফিৰিস্তা সকলৰ ওপৰত ঈমান অনা (৩) তাৰ কিতাপ সমূহৰ ওপৰত ঈমান অনা (৪) নবী সকলৰ ওপৰত ঈমান অনা (৫) শেষ দিৱসৰ (কিয়ামতৰ দিনৰ) ওপৰত ঈমান অনা (৬) ভাল-বেয়াৰ ওপৰত ঈমান অনা।

**প্ৰশ্ন নং ৮ঃ** কোৰাণ কৰিমত কেইটা চুৰা,আয়াত,ৰুকু আৰু শব্দ আছে ?
**উ ঃ** ১১৪ টা চুৰা, ৫৪০ টা ৰুকু, ৬৬৬৬ টা আয়াত আৰু ৭৭৯৩৪ টা শব্দ আছে।

**নোট ঃ** আয়াত আৰু শব্দৰ সংখ্যালৈ মতানৈক্য আছে। কিয়নো কিছুমানে বিছমিল্লাক প্ৰতিটো চুৰাৰ আয়াতৰ লগত গণনা কৰে আৰু কিছুমানে নকৰে। কিছুমানৰ মতে কিছুমান বাক্যক এটা আয়াত বুলি গন্য কৰে কিন্তু কিছুমানৰ মতে সেয়া পৰিপূৰ্ণ আয়াত বুলি গন্য নকৰে,মূলত সৰ্ব সন্মত এইটোই যে, কোৰাণ কৰিম হুবহু সেয়াই আছে যি আঁহজৰত (ছাঃ)ৰ ওপৰত অৱতীৰ্ণ হৈছিল।

**প্ৰশ্ন নং ৯ ঃ** কোৰাণ কৰিম একত্ৰিত ও বিন্যাস সম্বন্ধে চমুকৈ বৰ্ণনা কৰা ?
**উ ঃ** নবী কৰিম (ছাঃ)য়ে আল্লাহ তা'লাৰ ইলহামৰ মাধ্যমত নিজেই কোৰাণ কৰিম একত্ৰিত কৰে। আৰু প্ৰত্যাদেশৰ মাধ্যমত ইয়াক লিখোৱাই নবী কৰিম (ছাঃ)য়ে সুৰক্ষিত কৰাৰ ব্যৱস্থা কৰে।

হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে তেখেতৰ খিলাফতৰ কালছোৱাত জায়েদ বিন ছাবিত (ৰাঃ) যিয়ে অহীৰ লিখক আছিল। তেখেতৰ দ্বাৰা লিখা কোৰাণ শ্বৰিফক একত্ৰিত কৰি এখন গ্ৰন্থ আকাৰে ৰূপ দি সুৰক্ষাৰ ব্যৱস্থা কৰে। অৱশেষত হজৰত উচমান (ৰাঃ)য়ে নিজৰ খিলাফতৰ কালছোৱাত সেইবোৰৰ কেইবাটাও নকল কপি প্ৰস্তুত কৰোৱাই এখন এখনকৈ কপি বিভিন্ন মুছলমান দেশবোৰত প্ৰেৰণ কৰে আৰু এইদৰে কোৰাণ কৰিম পৃথিৱীত খ্যাতি লাভ কৰিছে। আজিও ঠিক একেদৰেই সেই কোৰাণ আমাৰ সন্মুখত আছে।

**প্ৰশ্ন নং ১০ঃ** কোৰাণ মজিদৰ হিফাজত (সুৰক্ষা) সম্পৰ্কে আল্লাহ তায়লা কি প্ৰতিশ্ৰুতি দিছে ?

**উত্তৰ ঃ** (15:10) اِنَّا نَحْنُ نَزَّلْنَا الذِّكْرَ وَ اِنَّا لَهٗ لَحٰفِظُوْنَ ۝١٠ অৰ্থাৎ নিশ্চয় আমি এই কোৰাণ কৰিম অৱতীৰ্ণ কৰিছোঁ আৰু আমিয়েই ইয়াৰ হিফাজত (সুৰক্ষা) কৰিম।

**প্ৰশ্ন নং ১১ ঃ** কোৰাণ কৰিমৰ প্ৰথম দুটা চুৰা আৰু শেষৰ দুটা চুৰাৰ নাম লিখা;

**উত্তৰ ঃ** প্ৰথম দুটা চুৰা,চুৰা ফাতিহা আৰু চুৰা বাকাৰা আৰু শেষৰ দুটা চুৰা, চুৰা ফালাক আৰু চুৰা নাছ। শেষ চুৰা দুটাক চুৰা মাউজুতাঈন বুলিও কোৱা হয়। কিয়নো এই চুৰা দুটা কুল আউযুৰ দ্বাৰা আৰম্ভ হয়। এই চুৰা দুটাৰ মাজত আখেৰী যুগৰ ফিতনা সমূহৰ পৰা ৰক্ষা পাৱৰ কাৰণে দোৱাৰ (প্ৰাৰ্থনাৰ) শিক্ষা দিয়া হৈছে।

**প্ৰশ্ন নং ১২ ঃ** কোৰাণ কৰিমৰ সকলোতকৈ ডাঙৰ আৰু সকলোতকৈ সৰু চুৰাটোৰ নাম কি ?

**উত্তৰ ঃ** সকলোতকৈ ডাঙৰ চুৰা, চুৰা বাকাৰা আৰু সকলোতকৈ সৰু চুৰা, চুৰা কাউছাৰ।

**প্ৰশ্ন নং ১৩ ঃ** অৱতীৰ্ণৰ ফালৰ পৰা কোৰাণ কৰিমৰ সৰ্ব প্ৰথম আয়াত আৰু সৰ্বশেষ আয়াত কি কি ?

**উত্তৰ ঃ** সৰ্ব প্ৰথম অৱতীৰ্ণ আয়াতটি **ইকৰা বিছমি ৰাববিকা ল্লাজি খালাক** (ছুৰা আলাক আয়াত ২) অৰ্থঃ পঢ়া তোমাৰ প্ৰভুৰ নামত যিয়ে তোমাক সৃজন কৰিছে। সৰ্বশেষত অৱতীৰ্ণ হোৱা আয়াত **ওৱাত্তাকু ইয়াওমান তুৰজাউনা ফিহি ইলাল্লাহ (বাকাৰা আয়াত ২৮২)**। অৰ্থাৎ সেই দিনক ভয় কৰা যেতিয়া তুমি আল্লাহৰ ফালে প্ৰত্যাৱৰ্তন কৰিবা। সৰ্বশেষ আয়াত সম্পৰ্কে বিভিন্ন বৰ্ণনা দিয়া আছে এক বিখ্যাত বৰ্ণনাত এইটো আয়াত সম্পৰ্কে কোৱা হৈছে।

**প্ৰশ্ন নং ১৪ ঃ** বৰ্তমান তৰতিব (বিন্যাস) হিচাপে কোৰাণ কৰিমৰ সৰ্ব প্ৰথম আদেশনো কি ?

**উত্তৰ ঃ**

يَا أَيُّهَا النَّاسُ اعْبُدُوا رَبَّكُمُ الَّذِي خَلَقَكُمْ وَالَّذِينَ مِنْ قَبْلِكُمْ لَعَلَّكُمْ تَتَّقُونَ ﴿٢١﴾

(2:22)

অৰ্থাৎ হে মানৱ জাতি তোমালোকৰ (সেই) প্ৰভু প্ৰতিপালকৰ উপাসনা কৰা যিয়ে তোমাক আৰু তোমালোকৰ পূৰ্বৱৰ্ত্তী সকলক সৃষ্টি কৰিছে, যাতে তোমালোক সকলো ধৰণৰ বিপদ আপদৰ পৰা ৰক্ষা পাব পাৰা।

**প্ৰশ্ন নং ১৫ ঃ** চুৰা বাকাৰাৰ প্ৰথম ১৭ আয়াতত কেই প্ৰকাৰ লোকৰ কথা

উল্লেখ কৰা হৈছে ? তাৰ নাম কি ?

**উত্তৰ ঃ** তিনি প্ৰকাৰ লোকৰ কথা উল্লেখ আছে। যেনে (১) মুত্তাকী (খোদা ভীৰু) (২) কাফিৰ (অবিশ্বাসী) (৩) আৰু মুনাফিক (কপটাচাৰী)।

**প্ৰশ্ন নং ১৬ ঃ** কোৰাণ কৰিমৰ কোনটো চুৰাৰ আৰম্ভণীত বিছমিল্লাহ নাই আৰু কিয় ?

**উত্তৰ ঃ** চুৰা তৌবাত বিছমিল্লাহ নাই,কাৰণ এই চুৰা পূৰ্বৰ চুৰা আনফালৰ অংশ।

**প্ৰশ্ন নং ১৭ ঃ** কোৰাণ কৰিমৰ কোনটো চুৰাত বিছমিল্লাহ দুবাৰ আছে ?

**উত্তৰ ঃ** চুৰা নমলত,আৰম্ভনীত এবাৰ বিছমিল্লাহ আছে আৰু ৩১ নং আয়াতত এবাৰ আছে।

**প্ৰশ্ন নং ১৮ ঃ** কোৰাণ কৰিমৰ যিকোনো তিনিটা দোৱা উল্লেখ কৰা ?

**উত্তৰ ঃ (১)**

رَبَّنَآ اَفۡرِغۡ عَلَيۡنَا صَبۡرًا وَّ ثَبِّتۡ اَقۡدَامَنَا وَانۡصُرۡنَا عَلَى الۡقَوۡمِ الۡكٰفِرِيۡنَ ؕ۲۵۱

(2:251)

অৰ্থাৎ: হে মোৰ প্ৰভু (প্ৰতিপালক) মোক ধৈৰ্য্য ধাৰণ কৰাৰ শক্তি দান কৰা,আমাক একনিষ্ঠ বনোৱা,আৰু কাফিৰ জাতিৰ বিৰুদ্ধে মোক সহায় কৰা।

**(২)** ৰাববে জিদনি ইলমা। (চুৰা তাহা আয়াত ১১৫) অৰ্থাৎ হে মোৰ প্ৰভু,মোৰ জ্ঞান বৃদ্ধি কৰা।

(৩) رَبَّنَآ اٰتِنَا فِى الدُّنۡيَا حَسَنَةً وَّ فِى الۡاٰخِرَةِ حَسَنَةً وَّ قِنَا عَذَابَ النَّارِ

(2:202)

অৰ্থাৎ হে মোৰ প্ৰভু (প্ৰতিপালক),মোক পাৰ্থিৱ আৰু আখিৰতৰ (শেষ দিৰসৰ) সকলো মঙ্গল দান কৰা আৰু অগ্নিৰ শাস্তিৰ পৰা মোক ৰক্ষা কৰা।

**প্ৰশ্ন নং ১৯ ঃ** কোৰাণ কৰিমত আঁহজৰত (ছাঃ)ৰ বৰকতময় নাম কিমান বাৰ উল্লেখ আছে ? তাৰ এটা উল্লেখ কৰা।

**উত্তৰ ঃ** চাৰি বাৰ; মুহাম্মাদুৰ ৰাছুলুল্লাহ ওৱাল্লাজিনা মাআহু আশিদ্ধা আউ আলাল কুফ্‌ফাৰী ৰহমাউ বায়নাহুম (চুৰা ফাতাহ আয়াত ৩০ ) অৰ্থাৎ মহম্মদ (ছাঃ) আল্লাহৰ ভৃত্য আৰু যি সকল তেখেত (ছাঃ)ৰ লগত আছে এখেত কাফেৰৰ মোকাবেলাত একেবাৰে দৃঢ়চিত্ত আৰু পৰস্পৰ সহানুভূতিশীল।

**প্ৰশ্ন নং ২০ ঃ** আঁহজতৰ (ছাঃ) খাতামান নাবিয়িন আৰু ৰাহমাতুল্লিল আলামিন কোন চুৰা আৰু কোনটো আয়াতত উল্লেখ আছে ?

**উত্তৰ ঃ** খাতামীন নাবিয়িন হোৱা সম্পৰ্কে চুৰা আহজাবৰ আয়াত ৪১ ত উল্লেখ আছে; যেনেদৰে কোৱা হৈছে, “মা কানা মুহাম্মাদুন আবা আহাদিম মিৰ ৰিজালিকুম ওৱা লাকিৰ ৰাছুলুল্লাহে ওৱা খাতামান নাবিয়িন”। অৰ্থাৎ মহম্মদ (ছাঃ) তোমালোকৰ কোনোবাৰ পিতৃ নহয় কিন্তু আল্লাহৰ ৰছুল আৰু নবীসকলৰ মোহৰ।

আৰু ৰাহমাতুল্লিল আলামিন চুৰা আম্বিয়া আয়াত ১০৮ ত উল্লেখ আছে, “মা আৰছালনাকা ইল্লা ৰাহমাতুল্লিল আলামীন”। অৰ্থাৎ আমি তোমাক (হে মহম্মদ) সমগ্ৰ পৃথিৱীৰ কাৰণে ৰহমত স্বৰূপ প্ৰেৰণ কৰিছোঁ।

**প্ৰশ্ন নং ২১ ঃ**কোৰাণ কৰিমৰ সেই চুৰাবোৰৰ নাম কোৱা যিবোৰ আম্বিয়া সকলৰ নামেৰে নামাকৰণ কৰা হৈছে ?

**উত্তৰ ঃ** চুৰা ইব্ৰাহিম, চুৰা হুদ,চুৰা ইউনুচ, চুৰা নুহ, চুৰা মহম্মদ আৰু চুৰা লুকমান।

**প্ৰশ্ন নং ২২ ঃ** কোৰাণ শ্বৰীফত যিসকল নবীৰ নাম উল্লেখ আছে তেখেত সকলৰ নাম লিখা ?

উত্তৰ ঃ চৰিয়তী নবী হজৰত নুহ (আঃ), হজৰত মুছা (আঃ), আৰু হজৰত মহম্মদ (ছাঃ)। চৰিয়ত বিহীন নবী হজৰত আদম (আঃ), হজৰত ইব্ৰাহিম (আঃ), হজৰত লুত (আঃ), হজৰত ইছমাইল (আঃ), হজৰত ইচহাক (আঃ), হজৰত ইয়াকুব (আঃ), হজৰত ইউচুফ (আঃ), হজৰত হুদ (আঃ), হজৰত ছালেহ (আঃ), হজৰত শ্বুয়েব (আঃ), হজৰত হাৰুণ (আঃ), হজৰত দাউদ (আঃ) হজৰত ছুলেমান (আঃ), হজৰত ইলিয়াছ (আঃ), হজৰত ইউনুচ (আঃ), হজৰত জুলকিফল (আঃ), হজৰত ইলিয়াছ (আঃ),

হজৰত ইদৰিছ (আঃ), হজৰত আইয়ুব (আঃ), হজৰত জাকাৰিয়া (আঃ), হজৰত ইয়াহিয়া (আঃ), হজৰত ঈছা (আঃ), হজৰত লুকমান (আঃ), হজৰত আহমদ (আঃ) সৰ্বমুঠ ২৮ জন নবীৰ নাম কোৰাণত উল্লেখ আছে।

**প্ৰশ্ন নং ২৩ ঃ** কোৰাণ কৰিমত কোনজন চাহাবাৰ নাম উল্লেখ আছে ?

**উত্তৰ ঃ** হজৰত জায়েদ (ৰাঃ)ৰ নাম উল্লেখ আছে। (চুৰা আহজাব আয়াত ৩৮)

**প্ৰশ্ন নং ২৪ ঃ** খাতমে নবুয়তৰ আশিষ মণ্ডিত আৰু কল্যাণ মণ্ডিত, ওফাতে মছীহ (আঃ)ৰ মৃত্যু আৰু হজৰত মছীহ মাওউদ (আঃ)ৰ সত্যতা সম্পৰ্কে কোৰাণ মজিদৰ পৰা এটা এটাকৈ প্ৰমাণ দিয়া ?

**উত্তৰ ঃ** (১) "ওৱা মাইইউতিল্লাহা ওৱাৰৰাছুলা ফাউলাইয়িকা মাআল্লাহুল্লাজিনা আনআমাল্লাহু আলাইহিম মিনান্নাবিয়িনা ওৱাছ ছিদ্দিকিনা ওৱাশ্বুহাদায়ি ওৱাছ ছালিহিনা" (চুৰা নিছা আয়াত ৭০) অৰ্থাৎ আৰু যিসকলে আল্লাহ আৰু ৰছুলৰ আজ্ঞা অনুসৰি চলে সিহঁত সেইসকল লোকৰ অন্তৰ্ভুক্ত হ'ব যিসকলৰ ওপৰত আল্লাহই অনুগ্ৰহ কৰিছে নবী,ছিদ্দিক, শ্বহীদ আৰু ছালেহ (সত্যপৰায়ণ)।

(২) "কুনতু আলাইহিম শ্বাহিদাম মাদুমতু ফিহিম ফালাম্মা তাওৱাফফাইতানী কুনতু আনতাৰ ৰাকিবা আলাইহিম" (চুৰা মাইদা আয়াত ১১৮) অৰ্থাৎ আৰু মই যিমান দিন সিহঁতৰ মাজত আছিলো। মই সিহঁতৰ অভিভাৱক আছিলো। তাৰ পিছত যেতিয়া তুমি মোৰ মৃত্যু ঘটালা তেতিয়া তুমিয়ে সিহঁতৰ ৰক্ষক আছিলা।

(৩) "ফাকাদ লাবিছতু ফিকুম ওমৰান মিন কাবলিহি আফালা তাকিলুন" (চুৰা ইউনুচ আয়াত ১৭) অৰ্থাৎ ইয়াৰ পূৰ্বে মই তোমালোকৰ মাজত এক দীৰ্ঘ সময় অতিবাহিত কৰিছোঁ তথাপি কি তোমালোকে বিবেক বুদ্ধিৰ সৈতে কাম নকৰিবানে ?

**প্ৰশ্ন নং ২৫ ঃ** লায়লাতুল কদৰ বুলিলে কি বুজায় ?

**উত্তৰ ঃ** সেই পৱিত্ৰ ৰাতি যি ৰাতিত কোৰাণ শ্বৰীফ অৱতীৰ্ণ আৰম্ভ হয়, আৰু যাৰ মহত্বত আল্লাহ তায়লা কয়, লায়লাতুল কাদৰে খাইৰুম মিন আলফে শ্বহৰ। অৰ্থাৎ লালাতুল কদৰ হাজাৰ মাহতকৈ উত্তম। আঁহজৰত (ছাঃ) য়ে ৰমজান মাহৰ শেষ দহ ৰাতিত এয়া বিচৰাৰ আদেশ দিছে। সেই ৰাতি খোদা

তায়লা নিজৰ ভৃত্যৰ অতি কাষচাপি আহে আৰু ভৃত্যৰ দোৱা সমূহ গ্ৰহণ কৰাৰ পূৰ্ণ মৰ্য্যদা দান কৰে। হজৰত মছীহ মাওউদ (আঃ)ৰ মতে যি অন্ধকাৰ যুগত আল্লাহ তায়লাৰ মহাপুৰুষৰ আৱিৰ্ভাৱ হয়; সেই যুগকও লায়লাতুল কদৰ বুলি কোৱা হয়।

**প্ৰশ্ন নং ২৬ ঃ** কোৰাণ কৰিম অৱতীৰ্ণ হোৱাত কিমান বছৰ লাগিছে ?

**উত্তৰ ঃ** প্ৰায় ২৩ বছৰ।

**প্ৰশ্ন নং ২৭ ঃ** সেই ফলবোৰৰ নাম কোৱা যিবোৰ কোৰাণ কৰিমত উল্লেখ আছে ? **উত্তৰ ঃ** ৰুম্মানু (ডালিম), ইনাবুন (আঙ্গুৰ), তিন (ডুমুৰ) তালহুন (কল), যাইতুন (জলফাই), আন্নাখলু (খেজুৰ)।

**প্ৰশ্ন নং ২৮ ঃ** কোনবোৰ চাৰিঠেঙীয়া জন্তুৰ নাম কোৰাণ কৰিমত উল্লেখ আছে ?

**উত্তৰ ঃ** আলজামালু (উট), গানামুন (ছাগলী, আলমাজু (ভেড়া), বাকাৰা (গাইগৰু), আলকালবু (কুকুৰ), আলখিনজিৰু (গাহৰি), আলখাইলু ( ঘোঁৰা), আলবিগালু (খচ্চৰ), আলহিমাৰু (গাধা), আলফিলু ( হাতী), কাছৱাৰাতু (সিংহ),আলকিৰদাতু (বান্দৰ),আলজিবু (কুকুৰনেচীয়া বাঘ)

**প্ৰশ্ন নং ২৯ ঃ** কোৰাণ কৰিমত উল্লেখ থকা কেইবাটাও ধ্বংস প্ৰাপ্ত জাতিৰ নাম উল্লেখ কৰা ?

উত্তৰ ঃ হজৰত নুহ (আঃ)ৰ জাতি (আৰমিনা অঞ্চলত বসতি আছিল), আদ জাতি হজৰত হুদ(আঃ)ৰ জাতি, ছামুদ জাতি হজৰত ছালেহ (আঃ)ৰ জাতি,আচহাবিৰ ৰাছ, ছামুদ জাতিৰ এটা শাখা।

আছহাবিল আইবা হজৰত লুত (আঃ)ৰ জাতি, ফিৰাউনৰ জাতি হজৰত মুছা (আঃ)ৰ আৰু বনি ইস্ৰাইলৰ ওপৰত অত্যাচাৰ কৰোঁতা, আছহাবিল ফিল ইয়ামিনৰ লোক সকল যি আব্ৰাহাৰ নেতৃত্বত খানা কাবাক ধ্বংস কৰিবৰ নিমিত্তে আহিছিল।

**প্ৰশ্ন নং ৩০ ঃ** কোৰাণ কৰিমৰ এজন প্ৰাচীন তফছিৰ কাৰীৰ নাম লিখা ?

**উত্তৰ ঃ** আল্লামা ফকৰ উদ্দিন ৰাজি (ৰহঃ) তফছিৰ কাবিৰ মুচান্নফ

**প্ৰশ্ন নং ৩১ ঃ** ৰছুলুল্লাহ (ছাঃ) কেতিয়া আৰু ক'ত জন্ম গ্ৰহণ কৰিছিল ?

**উত্তৰ ঃ** ২৪ এপ্ৰিল ৫৭১ খ্ৰীঃব্দত  আৰব দেশৰ মক্কা চহৰত জন্ম গ্ৰহণ কৰিছিল।

**প্ৰশ্ন নং ৩২ ঃ** তেখেত (ছাঃ)ৰ কুনিয়ত (পাৰিবাৰিক) আৰু পদবী কি আছিল? **উত্তৰ ঃ** তেখেত (ছাঃ)ৰ পৱিত্ৰ নাম মহম্মদ, কুনিয়ত আবুল কাছিম আৰু উপাধি আমিন আৰু ছিদ্দিক (সত্যবাদী) আছিল।

**প্ৰশ্ন নং ৩৩ ঃ** তেখেত (ছাঃ)ৰ দাদা পিতা আৰু মাকৰ নাম কি আছিল?

**উত্তৰ ঃ** দাদা হজৰত আব্দুল মুতাল্লিব, পিতা হজৰত আব্দুল্লাহ আৰু মাকৰ নাম হজৰত আমিনা বিনত ওয়াহাব।

**প্ৰশ্ন নং ৩৪ ঃ** তেখেত (ছাঃ)ৰ মাক দেউতাৰ কেতিয়া মৃত্যু হয়?

**উত্তৰ ঃ** পিতা হজৰত আব্দুল্লাহ তেখেত (ছাঃ)ৰ জন্মৰ কেইমাহ মান আগতেই মৃত্যু বৰণ কৰে। আৰু তেখেত (ছাঃ)ৰ ছয় বছৰ বয়সত মাকৰ মৃত্যু হয়।

**প্ৰশ্ন নং ৩৫ ঃ** তেখেত (ছাঃ)ক গাখীৰ পান কৰোৱা মহিলা গৰাকীৰ নাম কি?

**উত্তৰ ঃ** হজৰত হালিমা চাদিয়া(ৰাঃ) (ছৈয়দ বংশধৰ)

**প্ৰশ্ন নং ৩৬ ঃ** কিমান বছৰ বয়সত আৰু কাৰ লগত হুজুৰ (ছাঃ)ৰ বিবাহ হৈছিল?

**উত্তৰ ঃ** ২৫ বছৰ বয়সত হজৰত খাদিজাতুল কুবৰা (ৰাঃ)ৰ লগত বিয়া হৈছিল। তেতিয়া হজৰত খাদিজা (ৰাঃ)ৰ বয়স আছিল ৪০ (চল্লিশ) বছৰ।

**প্ৰশ্ন নং ৩৭ ঃ** আঁহজৰত (ছাঃ)ৰ পৱিত্ৰ পত্নীসকলৰ নাম কি?

**উত্তৰ ঃ** (১)  হজৰত খাদিজাতুল কুবৰা (ৰাঃ) (২) হজৰত আয়শা ছিদ্দিকা (ৰাঃ) (৩) হজৰত ছাউদা বিনত  জামিয়া (ৰাঃ) (৪) হজৰত হাফছা বিনত হজৰত ওমৰ (ৰাঃ) (৫) হজৰত জয়নব বিনত খুজাইমা (ৰাঃ) (৬) হজৰত উম্মে ছলমা বিনত উম্মিয়া (ৰাঃ) (৭) হজৰত জয়নব বিনত জাহাশ (ৰাঃ) (৮) হজৰত জুয়েৰা বিনত হাৰিচ (ৰাঃ) (৯) হজৰত ছাফিয়া বিনত হুয়ই বিন আখতাৰ (ৰাঃ) (১০) হজৰত উম্মে হাবিবা (ৰাঃ) বিনত আবু ছুফিয়ান (ৰাঃ) (১১) উম্মে ইব্ৰাহিম (ৰাঃ) (১২) হজৰত মাৰিয়া কুবতীয়া (ৰাঃ) (১৩) হজৰত মাইমুনা (ৰাঃ) বিনত হাৰিছ (ৰাঃ)।

নোটঃ একে লগে চাৰি জনীতকৈ বেছি স্ত্ৰী তেখেত (ছাঃ)ৰ কাৰণে বৈধ আছিল। যাৰ বৰ্ণনা চুৰা আহজাবৰ ৫১ নং আয়াতত উল্লেখ আছে।

**প্ৰশ্ন নং ৩৮ ঃ** আঁহজৰত (ছাঃ)ৰ চাহাবজাদী জীয়েকহঁতৰ নাম কি ?

**উত্তৰ ঃ** (১) হজৰত জয়নব (ৰাঃ)স্বামী আবুল আচ বিন ৰাবিয়া (২)হজৰত ৰুকিয়া (ৰাঃ) আৰু (৩)হজৰত উম্মে কলছুম (ৰাঃ) এখেতৰ নিকা আবু লাহাবৰ দুজন ল'ৰা উতবা আৰু উতিবাৰ লগত হয়। কিন্তু ৰুখচতৰ পূৰ্বেই নিকা ভঙ্গ হৈ যায়। পিছত হজৰত উম্মে কুলছুম আৰু হজৰত ৰুকিয়াৰ (ৰাঃ)ৰ হজৰত উচমান (ৰাঃ)বিন আফফান (ৰাঃ)ৰ লগত এজনীৰ পাছত এজনীৰ বিবাহ হয়। (৪) হজৰত ফাতিমা (ৰাঃ) স্বামী হজৰত আলী বিন তালিব (ৰাঃ)।

**প্ৰশ্ন নং ৩৯ ঃ** আঁহজৰত (ছাঃ)ৰ পুতেকহঁতৰ নাম কি ?

**উত্তৰ ঃ** (১) হজৰত কাচিম (২) হজৰত তাহিৰ (৩) হজৰত তৈয়ব তেওঁৰ আন এটা নাম আব্দুল্লাহ আছিল (৪) হজৰত ইব্ৰাহিম (ছিৰাত খাতামান নাবিয়িন খণ্ড ৩ পৃঃ ১৩৯)

**প্ৰশ্ন নং ৪০ ঃ** আঁহজৰত (ছাঃ)য়ে কিমান বছৰ বয়সত নবুয়তৰ (নবী) হোৱাৰ দাবী কৰিছিল।

**উত্তৰ ঃ** ৪০ (চল্লিশ) বছৰ বয়সত নবুয়তৰ দাবী কৰে।

**প্ৰশ্ন নং ৪১** ঃ আঁহজৰত (ছাঃ)ৰ ওপৰত সৰ্ব প্ৰথম অহী ক'ত অৱতীৰ্ণ হৈছিল ?

**উত্তৰ ঃ** আঁহজৰত (ছাঃ)ৰ ওপৰত সৰ্ব প্ৰথম অহী হীৰা পৰ্বতৰ গুহাত অৱতীৰ্ণ হয়। হজৰত জিব্ৰাইল (আঃ)য়ে তেখেতক সম্বোধন কৰি কৈছিল,"ইকৰা বিছমি ৰাববিকাল্লাজি খালাক",তুমি তোমাৰ প্ৰভুৰ নামলৈ পঢ়া, তেখেত (ছাঃ)য়ে কয় যে,মা আনা কাৰিয়ুন,মই পঢ়িব নাজানো।ফিৰিস্তাই তেখেত (ছাঃ)ক বুকুৰ সৈতে লগায় আৰু কয়,**ইকৰা**, কিন্তু তেখেত (ছাঃ)ৰ উত্তৰ এইটোৱেই আছিল যে, মই পঢ়িব নাজানো; ৩য় বাৰ ফিৰিস্তাই কয় **ইকৰা**, কিন্তু তেখেত (ছাঃ)য়ে আগৰ দৰে উত্তৰ দিলে,মই পঢ়িব নাজানো, এই কথাটোৰ এটা কাৰণ এয়া আছিল যে তেখেত (ছাঃ) য়ে লিখা পঢ়া জনা

নাছিল। ২য় আৰু ৩য় বাৰ তেখেত (ছাঃ)ৰ অন্তৰত ভয়ৰ সঞ্চাৰ হৈছিল যে ইমান গুৰুত্বপূৰ্ণ দায়িত্ব কেনেকৈ পালন কৰিব।অৱশেষত তৃতীয় বাৰ ফিৰিস্তাই জোৰেৰে টানি নিজৰ বুকুত লগায় আৰু কয় “ইকৰা বিছমি ৰাববিকাল্লাজি খালাক” তেতিয়া তেখেত (ছাঃ)য়ে নিজৰ প্ৰভুৰ নাম শুনি সেই ঐশী বাণী পৌঁছাবলৈ দৃঢ় প্ৰতিজ্ঞা কৰিলে।

**প্ৰশ্ন নং ৪২ ঃ** আঁহজৰত (ছাঃ)ৰ প্ৰথম অহী (প্ৰত্যাদেশ)ৰ ওপৰত হজৰত খাদিজা (ৰাঃ)ৰ ভূমিকা কি আছিল ?

**উত্তৰ ঃ** যেতিয়া হুজুৰ (ছাঃ)য়ে হিৰা পৰ্বতৰ গুহাৰ পৰা ওভতি আহে আৰু ভাগৰ অৱস্থাত হজৰত খাদিজা (ৰাঃ)ক সম্পূৰ্ণ ঘটনা শুনায় আৰু কয়, তেতিয়া মোৰ ভয়ৰ সৃষ্টি হৈছিল। হজৰত খাদিজা (ৰাঃ)তেখেত (ছাঃ)ক কয়, “কাল্লা ওৱাল্লাহি মা ইয়ুখজিকাল্লাহু আবাদান ইন্নাকা লাতাছিলুৰ ৰাহিমা ওৱা তাহমিলুল কাল্লা ওৱা তাকছিবুল মাদুমা ওৱা তাকৰীজ জাইফা ওৱা তুয়িনু আলা নাওৱায়েবাল হাক্কি”।(বুখাৰী বাব বদাউল অহী) অৰ্থাৎ নহয় নহয়, এনেকুৱা কেতিয়াও হ’ব নোৱাৰে, খোদাৰ শপত; আল্লাহ আপোনাক কেতিয়াও বিফল নকৰিব । কিয়নো আপুনি দয়াৰ সৈতে মীমাংসা কৰোঁতা আৰু মানুহৰ দুঃখ কষ্টত সহায় কৰোঁতা আৰু চৰিত্ৰ বান সকলক নিজৰ মাজত একত্ৰিত কৰি লৈছে। আৰু আপুনি অতিথী আলপোচনাকাৰী আৰু প্ৰতিটো সত্য আৰু সঁচা কথাৰ সৈতে থাকে।

**প্ৰশ্ন নং ৪৩ ঃ** পুৰুষ, নাৰী, শিশু, কৰ্মচাৰী বাদশ্বাহ, খ্ৰীষ্টান,পাৰ্চী আৰু ৰোম সকলৰ মাজৰ কোন কোন সৰ্ব প্ৰথম আঁহজৰত (ছাঃ)ৰ ওপৰত ঈমান লৈ আহে ?

**উত্তৰ ঃ** পুৰুষৰ মাজত হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ), নাৰীৰ মাজত হজৰত খাদিজাতুল কুবৰা (ৰাঃ) শিশুৰ মাজত হজৰত আলী (ৰাঃ) গোলামৰ মাজত হজৰত জায়েদ বিন হাৰিছ (ৰাঃ) বাদশ্বাহৰ মাজত হাবশী বাদশ্বাহ নাজ্জাশি, খ্ৰীষ্টানৰ মাজত ওৱাৰকা বিন নওফল, ৰোমৰ মাজত হজৰত ছুহেব(ৰাঃ) আৰু ইৰাণীৰ মাজত হজৰত ছলমান ফাৰছি (ৰাঃ)য়ে সৰ্ব প্ৰথম ইছলাম ধৰ্ম গ্ৰহণ কৰে।

**প্ৰশ্ন নং ৪৪ ঃ** আঁহজৰত (ছাঃ)য়ে কোন কোন বাদশ্বাহ্ সকলৰ নামত প্ৰচাৰ পত্ৰ প্ৰেৰণ কৰে ?

**উত্তৰ ঃ** (১) হৰকিল কেইছৰ ৰুম (২) খচৰু পৰবীজ কিচৰা ইৰাণ (৩)হাবশা বাদশ্বাহ আদমাহ নাজ্জাশী (৪) মাকুকশ মিচৰি বাদশ্বাহ (৫) হাৰিছ বিন আবি ছমৰ ৰাইচনহেছান (৬) হুদাহ বিন আলী ৰাইচ ইমামাহ (৭)মঞ্জু ইতমি ৰাইচ বাহেৰিন।

**প্ৰশ্ন নং ৪৫ ঃ** আঁহজৰত (ছাঃ)ৰ যিকোনো এটা শ্লোক লিখা ?

**উত্তৰ ঃ** আনা নাবিয়ু লা কাজিবা আনা ইবনু আব্দুল মুত্তালিব,অৰ্থাৎ মই মিছলীয়া নবী নহও, মই আব্দুল মুত্তালিবৰ পুত্ৰ হওঁ।

**প্ৰশ্ন নং ৪৬ ঃ** কিমান বছৰ বয়সত আঁহজৰত (ছাঃ)ৰ মৃত্যু হয় আৰু কেতিয়া হয়, আৰু তেখেত (ছাঃ)ৰ পৱিত্ৰ ৰওজা ক'ত অৱস্থিত ?

**উ ঃ** ৬৩ বছৰ বয়সত তেখেত (ছাঃ) ৰ মৃত্যু হয়। আৰু ৬৩২ খ্ৰীষ্টাব্দত ২৬ মে ১১ হিজৰী চনৰ ১ম ৰবিউল আউয়াল। তেখেত (ছাঃ)ৰ ৰওজা মুবাৰক মদিনাত হজৰত আয়েশা ছিদ্দিকা (ৰাঃ)ৰ পৱিত্ৰ গৃহত অৱস্থিত আছে।

**প্ৰশ্ন নং ৪৭ ঃ** তেখেত (ছাঃ)ৰ মৃত্যুত হজৰত হাছান বিন ছাবিত (ৰাঃ)য়ে যি শোকাবিভুত আবৃত্তি কৰিছে সেয়া কি ?

**উত্তৰ ঃ** "কুনতাছ ছাওয়াদা লি নাজিৰী ফা আমি আলাইয়ান নাজিৰু মানশাআ বাদাকা ফাল ইয়ামুত ফা আলাইকা কুনতু উহাজিৰু"।

**অৰ্থাৎঃ** হে মোৰ প্ৰিয় বন্ধু, আপুনি মোৰ নয়নৰ মনি আছিল। আপোনাৰ মৃত্যুত মোৰ চকুযোৰি অন্ধ হৈ গৈছে, আপোনাৰ পাছত যিয়েই নমৰক কিয় ? মই মাথোন আপোনাৰ মৃত্যুকহে ভয় কৰিছিলোঁ।

**প্ৰশ্ন নং ৪৮ ঃ** নবুয়তৰ দাবীৰ পিছত আঁহজৰত (ছাঃ)য়ে কিমান বছৰ বয়সলৈকে জীয়াই আছিল ?

**উত্তৰ ঃ** প্ৰায় ২৩ বছৰ কাল জীয়াই আছিল।

## হাদীছ নবী (ছাঃ)

**প্ৰশ্ন নং ১ ঃ** হাদীছ্ কাক কোৱা হয় ?

**উত্তৰ ঃ** হাদীছ সেই বাক্য সমূহৰ নাম য'ত আঁহজৰত (ছাঃ) যে কোৱা কথা ও কৰ্মসমূহ আৰু অৱস্থাৰ সম্পৰ্কে বৰ্ণনা কৰা হৈছে। তাক হাদীছ বুলি কোৱা হয়।

**প্ৰশ্ন নং ২ ঃ** ছিহা ছিত্তা সম্পৰ্কে সংক্ষিপ্ত বৰ্ণনা কৰা ?

**উত্তৰ ঃ** হাদীছৰ কিতাপসমূহ বৰ পৰীক্ষা নিৰীক্ষাৰ মাধ্যমত মুহাদ্দিছ সকলে (হাদীছ কিতাবত) নিম্নোক্ত ছয়খন হাদীছৰ কিতাপৰ ওপৰত বেছিকৈ গুৰুত্ব আৰু বৰ বিশ্বাসযোগ্য বুলি নিৰূপন (নিৰ্ধাৰণ) কৰিছে এই নিৰ্ভুল ছয়খন কিতাপক ছিহা ছত্তা বুলি কোৱা হয়। মৰ্য্যদা ক্ৰমানুযায়ী হাদীছৰ গ্ৰন্থবোৰ তলত উল্লেখ কৰা হ'ল ঃ

**(১)** ছহী বুখাৰী ঃ সংগ্ৰাহক হজৰত ইমান মহম্মদ বিন ইছমাইল বুখাৰী (ৰহঃ) ১৯৪-২৫৬ হিজৰী)

**(২)** ছহী মুছলিম ঃ সংগ্ৰাহক হজৰত ইমাম মুছলিম বিন হিজাজী (ৰহঃ) (২০৯-২৬১ হিজৰী)

**(৩)** জামে তিৰমিজী ঃ সংগ্ৰাহক হজৰত ইমাম আবু ইছা মহম্মদ বিন ইছা তিৰমিজী(ৰহঃ) ( ২০৪-২৭৯ হিজৰী)

**(৪)** ছুনন আবু দাউদ ঃ সংগ্ৰাহক ইমাম আবু দাউদ ছুলাইমান বিন আশআচ (ৰহঃ) ( ২০২-২৭৫ হিজৰী)

**(৫)** ছুনন নিছাই ঃ সংগ্ৰাহক আহমদ বিন শ্বোয়াইব নিছাই (ৰহঃ) (২১৫-৩০৬ হিজৰী)

**(৬)** ছুনন ইবনে মাজা ঃ সংগ্ৰাহক হাফিজ আব্দুল্লাহ মহম্মদ বিন এজিদ ইবনে মাজা কাজবিনী (ৰহঃ) (২০৯-২৭৫ হিজৰী)

**প্ৰশ্ন নং ৩ ঃ** কোন জন চাহাবী আৰু কোনজন চাহাবীয়া সকলোতকৈ বেছি হাদীছ বৰ্ণনা কৰিছে ?

**উত্তৰ ঃ** হজৰত আবু হুৰাইৰা (ৰাঃ) আৰু হজৰত আয়েশা (ৰাঃ)

**প্ৰশ্ন নং ৪ ঃ** হজুৰ (ছাঃ)ৰ এনেকোৱা এক হাদীছ উল্লেখ কৰা য'ত প্ৰত্যেক ছদিত (যুগত) হজৰত মহম্মদ (ছাঃ)ৰ উম্মতৰ পৰা সংস্কাৰকৰ আগমণ হ'ব ?

**উত্তৰ ঃ** "ইন্নাল্লাহা ইয়াবআছু লিহাজিহিল উম্মাতি আলা ৰাছি কুল্লি মিয়াতি ছানাতিন মাইইউজাদ্দিদু লাহা দিনাহা" (ছুনন আবু দাউদ জিলদ ২,কিতাবুল মালাহম)

অৰ্থাৎ আল্লাহ তায়ালা প্ৰত্যেক শতাব্দিত এই উম্মতত এনেকুৱা ব্যক্তিৰ আৱিৰ্ভাৱ ঘটাব যিয়ে ধৰ্মক সঞ্জীৱিত কৰিব।

**প্ৰশ্ন নং ৫ ঃ** এনেকুৱা এটা হাদীছৰ কথা উল্লেখ কৰা য'ত নবুয়তৰ পথ মুকলি থকাৰ প্ৰমাণ হয় ?

**উত্তৰ ঃ** কৈছে, "লাউ আশা লাকানা ছিদ্দিকান নাবিয়ান" অৰ্থাৎ যদি তেখেত (হজৰত ইব্ৰাহিম) জীৱিত থাকিলেহেঁতেন তেন্তে তেখেত নিশ্চয় সত্য নবী হ'লহেঁতেন।(ইবনে মাজা খণ্ড ১ কিতাবুল জানাইজ)

**প্ৰশ্ন নং ৬ ঃ** আঁহজৰত (ছাঃ)য়ে হজৰত ঈছা (আঃ)ৰ বয়স কিমান বুলি কৈছে ?

**উত্তৰ ঃ** "ইন্না ঈছা ইবনে মৰিয়ামা আশা ইশৰিনা ওৱা মিয়াতা ছানাতিন" (কনজুলুল উমাল খণ্ড ২ পৃঃ ১৬০)

নিশ্চয় হজৰত ঈছা ইবনে মৰিয়ম (আঃ) ১২০ বছৰ জীৱিত আছিল।

**প্ৰশ্ন নং ৭ ঃ** হাদীছত মুছুয়ী মছীহ আৰু মহম্মদী মছীহ (আঃ)ৰ শাৰীৰিক গঠন প্ৰণালিৰ যি উল্লেখ আছে বৰ্ণনা কৰা ?

**উত্তৰ ঃ** মুছুয়ী মছীহ (আঃ)ৰ গাৰ বৰণ ৰঙা,চুলি কেকোঁৰা আৰু বুকু ডাঠ আছিল। আৰু মহম্মদী মছীহ (আঃ)ৰ শাৰীৰিক বৰণ ঘেঁহু বৰণীয়া আৰু অতি সুন্দৰ,মূৰৰ চুলি চিদা আৰু দীঘল আছিল।

**প্ৰশ্ন নং ৮ ঃ** সেই হাদীছখন লিখা য'ত মছীহ (আঃ) আৰু মাহদী (আঃ)ক একেই বুলি আখ্যা দিয়া হৈছে ?

**উত্তৰ ঃ** "লাল মাহদী ইল্লা ঈছা ইবনে মাৰিয়াম"। (ইবনে মাজা বাব শিদ্দাতুজ্জামান)

অৰ্থাৎ মাহদীয়েই হ'ব ঈছা ইবনে মৰিয়ম।

**প্ৰশ্ন নং ৯ ঃ** সেই হাদীছখন উল্লেখ কৰা য'ত আঁহজৰত (ছাঃ) য়ে মাহদীক ছালাম দিয়াৰ আদেশ দিছে ?

**উত্তৰ ঃ** “আলা মান আদৰাকাহু ফালইয়াকৰাহু আলাইহিচ্ছালাম” মনত ৰাখিব লগীয়া যে (তোমালোকৰ মাজৰ যিয়ে মছীহ মাওউদৰ সাক্ষাতৰ সৌভাগ্য লাভ কৰে,তেওঁ মোৰ ছালাম অৱশ্যই যেন দিয়ে।

**প্ৰশ্ন নং ১০ ঃ** সেইটো হাদীছ উল্লেখ কৰা যিটোত মছীহ মাওউদ (আঃ)ক ফাৰ্চী বংশৰ বুলি কোৱা হৈছে ?

**উত্তৰ ঃ** আঁহজৰত (ছাঃ)য়ে হজৰত ছলমান ফাৰছী (ৰাঃ)ৰ কান্দত হাত ৰাখি কৈছে, “লাউ কানাল ইমানু মুৱাল্লাকান বিচ্ছুৰাইয়া লানা লাহু ৰাজুলুম মিন হাউলায়ে” (বুখাৰী খণ্ড কিতাবুত তফছিৰ)

অৰ্থাৎ যদি ঈমান ছুৰাইয়া নক্ষত্ৰ লৈকে গুচি যায় তথাপিও ফাৰ্চী বংশৰ পৰা এজন বা একাধিক ব্যক্তিয়ে সেই (ঈমান) ঘূৰাই আনিব।

**প্ৰশ্ন নং ১১ ঃ** হাদীছত হজৰত মছীহ মাওউদ (আঃ)ৰ কোনবোৰ কামৰ কথা উল্লেখ আছে ?

**উত্তৰ ঃ** কাছৰে ছলিব (ক্ৰুশ ধ্বংস)কাতলে খিনজিৰ (গাহৰি বধ) কাতলে দাজ্জাল (দাজ্জালৰ শক্তি বিনাশ কৰা) গলবায়ে ইছলাম (ইছলামৰ বিজয়) ইহইয়ায়ে দ্বীনে ইছলাম (ইছলাম ধৰ্মক পুনৰ সঞ্জীৱিত কৰা) কিয়ামে শ্বৰিয়ত (চৰিয়ত প্ৰতিষ্ঠা কৰা)সকলো ধৰণৰ আভ্যন্তৰিণ বহিঃভাগৰ বিৰুদ্ধে ন্যায় বিচাৰক হোৱা। হেৰাই যোৱা ঈমানক পুনৰ ঘূৰাই আনা।

**প্ৰশ্ন নং ১২ ঃ** মছজিদত প্ৰৱেশ হোৱা আৰু বাহিৰ হোৱাৰ দোৱা কি ?

**উত্তৰ ঃ** মছজিদত প্ৰৱেশ হোৱাৰ দোৱা ঃ “বিছমিল্লাহিচ্ছালাতু ওৱাচ্ছালামু আলা ৰাছুলিল্লাহি, আল্লাহুম্মাগফিৰলি জুনুবী ওৱাফতালী আবওৱাবা ৰাহমাতিকা” অৰ্থাৎ আল্লাহ তায়লাৰ নাম লৈ মই মছজিদত প্ৰৱেশ কৰো।খোদা তায়লাৰ ৰছুলৰ ওপৰত দৰুদ ও ছালাম। হে মোৰ আল্লাহ মোৰ পাপ ক্ষমা কৰা, আৰু তোমাৰ কৰুণাৰ দুৱাৰ মোৰ কাৰণে মুকলি কৰি দিয়া।মছজিদৰ পৰা ওলোৱাৰ সময়ত উপৰোক্ত দোৱাটোৰেই পঢ়িব লাগে। মাথোন “তাওৱাবা ৰাহমাতিকাৰ” ঠাইত “আবওৱাবা ফাজলিকা” পঢ়া হয়।

**প্ৰশ্ন নং ১৩ ঃ** ফিকাহ শাস্ত্ৰৰ চাৰিটা উৎস কি ?

**উত্তৰ ঃ** (১) কোৰাণ মজিদ (২) ছুন্নত ও হাদীছ (৩ ইজমায়া(সমষ্টিগত)

আৰু (৪) কিয়াচ।

**প্ৰশ্ন নং ১৪ ঃ** ছুন্নত বুলিলে কি বুজায় বা ছুন্নত কাক কোৱা হয় ?

**উত্তৰ ঃ** আঁহজৰত (ছাঃ)য়ে নিজে কৰি যোৱা কৰ্মসমূহকে ছুন্নত কোৱা হয়।

## চাহাবা আৰু বুজুৰ্গানে ইছলাম

**প্ৰশ্ন নং ১ ঃ** শাইখিন বুলিলে কি বুজায়, হজুৰ (ছাঃ)ৰ লগত তেখেত সকলৰ কি সম্পৰ্ক আছিল ?

**উত্তৰ ঃ** হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) আৰু হজৰত ওমৰ (ৰাঃ)ক শাইখিন বুলি কোৱা হয় তেখেত দুয়ো আঁহজৰত (ছাঃ)ৰ শশুৰ আৰু খলিফাও আছিল।

**প্ৰশ্ন নং ২ ঃ** হজৰত আবু বক্কৰ (ৰাঃ)ৰ প্ৰকৃত নাম কি আছিল ?

**উত্তৰ ঃ** হজৰত আব্দুল্লাহ বিন কাহাফা (ৰাঃ)।

**প্ৰশ্ন নং ৩ ঃ** আশৰা মুবাশৰা কোন আছিল ?

**উত্তৰ ঃ** আশৰা মুবাশৰা আঁহজৰত (ছাঃ) ৰ দহজন চাহাবী আছিল, যিসকলক আঁহজৰত (ছাঃ)য়ে তেখেত সকলক জীৱিত কালতে বেহেস্তৰ সু-সংবাদ দিছিল।তেখেত সকলৰ বৰকতময় নাম তলত উল্লেখ কৰা হ'লঃ-
(১) হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) (২) হজৰত ওমৰ বিন খাত্তাব (ৰাঃ)(৩) হজৰত ওছমান বিন আফ্ফান (ৰাঃ) (৪) হজৰত আলী (ৰাঃ) (৫) হজৰত আব্দুৰ ৰহমান বিন আউফ (ৰাঃ) (৬) হজৰত আবি উবাইদা বিন জাৰাহ (ৰাঃ) (৭) হজৰত ছায়েদ বিন জায়েদ (ৰাঃ) (৮) হজৰত তালহা (ৰাঃ) (৯) হজৰত জাবিৰ বিন আউয়াম (ৰাঃ) (১০) হজৰত ছায়েদ বিন আবি ওক্কাছ (ৰাঃ)।

**প্ৰশ্ন নং ৪ ঃ** জিন্নুৰাইন (দুই নুৰৰ অধিকাৰী) বুলিলে কাক বুজায় ?আৰু কিয় ?

**উত্তৰ ঃ** হজৰত ওচমান গনি (ৰাঃ)ক দুই নুৰৰ অধিকাৰী বোলা হয়,কিয়নো এখেত আঁহজৰত (ছাঃ)ৰ দুই কন্যাক বিবাহ কৰিছিল।এজনীৰ পিছত আনজনীক।

**প্ৰশ্ন নং ৫ ঃ** এজন বন্দী দাস (গোলাম)ৰ নাম কোৱা, যাক আঁহজৰত (ছাঃ)য়ে ইছলামী সৈন্য বাহিনীৰ উচ্চ পদত নিযুক্ত কৰিছিল ?

**উত্তৰ ঃ** হজৰত জায়েদ বিন হাৰিছ (ৰাঃ)

**প্ৰশ্ন নং ৬ ঃ** হজৰত নবী কৰিম (ছাঃ)ৰ দৰবাৰত থকা বিখ্যাত কবি জনৰ নাম কি ? তেওঁৰ কবিতাৰ এটি উক্তি উল্লেখ কৰা ?

**উত্তৰ ঃ** হজৰত হাছান বিন ছাবিত (ৰাঃ) "ফা ইন্না আবি ওৱা ওৱালিদাহু ওৱা ইৰজি লিইৰজি মোহাম্মাদিম মিনকুম বিকাউ"। অৰ্থাৎ হে ৰছুলুল্লাহ (ছাঃ)ৰ শত্ৰুসকল নিশ্চয় মোৰ পিতা আৰু ৰছুলুল্লাহ (ছাঃ)ৰ পিতা আৰু মোৰ মান সন্মান ও পৰ্দা হজৰত ৰছুলুল্লাহ (ছাঃ)ৰ মান সন্মান ও তেখেত (ছাঃ)ৰ পৰ্দাৰ কাৰণে তোমালোকৰ সন্মুখত ডালস্বৰূপ।

**প্ৰশ্ন নং ৭ ঃ** হজৰত আয়শা ছিদ্দিকা (ৰাঃ) খাতামন নাবিয়িনৰ তাৎপৰ্য্য কেনেদৰে বৰ্ণনা কৰিছে ?

**উত্তৰ ঃ** "কুলু ইন্নাহু খাতামুল আম্বীয়া ওৱা লা তাকুলু লা নাবিয়া বাদুহু"।(দুৰৰে মনছুৰ খণ্ড ৫ পৃ ঃ ২০৪) অৰ্থাৎ তোমালোকে এয়া কোৱা যে আঁহজৰত (ছাঃ)খাতামুল আম্বিয়া, কিন্তু এইটো নকবা তেখেত (ছাঃ)ৰ পিছত কোনো নবী নাই।

**প্ৰশ্ন নং ৮ ঃ** হজৰত ওমৰ (ৰাঃ) আৰু হজৰত আলী (ৰাঃ)কাৰ হাতত কেতিয়া শ্বহীদ হয় ?

**উত্তৰ ঃ** হজৰত ওমৰ (ৰাঃ) এজন ইৰাণী গোলাম আবু লুলুৰ হাতত ১ম মুহৰৰম ২৩ হিজৰীত শ্বহীদ হয়, আৰু হজৰত আলী (ৰাঃ) আব্দুৰ ৰহমান বিন মজলুম খাৰজীৰ হাতত পৱিত্ৰ ৰমজান মাহৰ ২১ ৰমজান আৰু ৪০ হিজৰীত শ্বহীদ হয়।

**প্ৰশ্ন নং ৯ ঃ** হজৰত উচমান (ৰাঃ)ৰ শ্বহীদৰ ঘটনা চমুকৈ বৰ্ণনা কৰা ?

**উত্তৰ ঃ** আব্দুল্লাহ বিন ছাবৰ সংঙ্গী সকলে মদিনা অবৰূধ কৰি ৰাখে আৰু হজৰত উচমান (ৰাঃ)ৰ ওপৰত আক্ৰমণ কৰে,১৮ জুল হজ্জা ৩৫ হিজৰী অনুসৰি ২০ মে ৬৫৬ খ্ৰীঃব্দত হজৰত উচমান (ৰাঃ)ক শ্বহীদ কৰি দিয়ে,সেই সময়তে তেখেত (ৰাঃ)য়ে নিজৰ ঘৰত কোৰাণ কৰিম পাঠ কৰি আছিল।

**প্ৰশ্ন নং ১০ ঃ** তাবিঈন কাক কোৱা হয়? দুজন বিখ্যাত তাবিঈনৰ নাম কোৱা?

**উত্তৰ ঃ** তাবিঈন সেই সকল লোকক কোৱা হয় যিয়ে চাহাবা (ৰাঃ)ৰ সংস্পৰ্শত আহি আধ্যাত্মিক কল্যাণ লাভ কৰে। দুজন তাবিঈনৰ নাম হ'ল (১) হজৰত হাছান বছৰী আৰু (২) হজৰত ওয়াচকৰনী (ৰাঃ)।

**প্ৰশ্ন নং ১১ ঃ** যিকোনো এজনী মুছলমান কবিৰ নাম লিখা?

**উত্তৰ ঃ** হজৰত খানছা (ৰাঃ)।

**প্ৰশ্ন নং ১২ ঃ** এজনী মুছলমান ছুফিৰ নাম কোৱা?

উত্তৰ ঃ হজৰত ৰাবিয়া বছৰী (ৰাঃ)।

**প্ৰশ্ন নং ১৩ ঃ** ফিকা শাস্ত্ৰৰ চাৰিজন ইমামৰ নাম কোৱা?

(১) হজৰত ইমাম আবু হানিফা (ৰহঃ) (৮০ হিজৰী-১৫০ হিজৰী)।

(২) হজৰত ইমাম শ্বাফী (ৰহঃ) ( ১০৫-২০৪ হিজৰী)।

(৩) হজৰত ইমাম মালিক (ৰহঃ) ( ৯৫- ১৭৯ হিজৰী)।

(৪) হজৰত ইমাম আহমদ বিন হাম্বল (ৰহঃ) ( ১৬৪- ২৪১ হিজৰী)।

**প্ৰশ্ন নং ১৪ ঃ** পৰ্যায় ক্ৰমত (ধাৰাবাহিকতাৰে) উম্মতে মহম্মদীয়াৰ মাজত আবিৰ্ভূত প্ৰত্যেক শতাব্দীৰ সংস্কাৰক সকলৰ নাম ধাৰাবাহিকতাৰে উল্লেখ কৰা?

**উত্তৰ ঃ** (১) হজৰত ওমৰ আব্দুল আজিজ (ৰহঃ) (২) হজৰত ইমাম শ্বাফী (ৰহঃ) (৩) হজৰত আবু শ্বাৰাহ (ৰহঃ) আৰু হজৰত হাছান আশ্বআৰী (ৰহঃ) (৪) হজৰত আবু উবাইদুল্লাহ (ৰহঃ) নিশাপুৰী আৰু হজৰত কাজী আবু বক্কৰ বাকলানী (ৰহঃ) (৫) হজৰত ইমাম গাজ্জালী (ৰহঃ) (৬) হজৰত ছৈয়দ আব্দুল কাদেৰ জিলানী (ৰহঃ) (৭) হজৰত ইমাম ইবনে তাইমিঞা আৰু হজৰত খাজা মইনুদ্দীন চিশ্বতী আজমিৰী (ৰহঃ) (৮)হজৰত হাফিজ ইবনে হাজৰ আছকালানী (ৰহঃ) আৰু হজৰত চালেহ বিন ওমৰ (ৰহঃ) (৯) হজৰত আল্লামা জালাল উদ্দিন ছিউতি (ৰহঃ) (১০) হজৰত ইমাম মহম্মদ তাহিৰ গুজৰাতী (ৰহঃ) (১১) হজৰত মুজাদ্দিদ আলফে ছানি

আহমদ ছৰহিন্দী (ৰহঃ) (১২) হজৰত শ্বাহ্ অলী উল্লাহ মুহাদ্দিছ দেহলবী (ৰহঃ) (১৩) হজৰত ছৈয়দ আহমদ বৰেলৱী (ৰহঃ) (১৪) হজৰত মির্যা গোলাম আহমদ চাহাব কাদিয়ানী প্ৰতিশ্ৰুত মছীহ ও মাহদী (আঃ)

**প্ৰশ্ন নং ১৫ ঃ** হজৰত শ্বাহ নিয়ামাতুল্লাহ অলি (ৰহঃ)ৰ সংক্ষিপ্ত পৰিচয় সম্পৰ্কে উল্লেখ কৰা ?

**উত্তৰ ঃ** হজৰত নিয়ামাতুল্লাহ অলি (ৰহঃ) নৱাহ দিল্লীত এজন দিব্য দৰ্শন মৰ্যদাপ্ৰাপ্ত বুজুৰ্গ আছিল।হজৰত ইমাম মাহদীৰ আৱিৰ্ভাব সম্পৰ্কে এক আধ্যাত্মিক শ্লোক সদায় প্ৰকাশিত আছিল।

**প্ৰশ্ন নং ১৬ ঃ** এজন বিখ্যাত মুছলমান চিকিৎসক বৈজ্ঞানিক আৰু দাৰ্শনিকৰ নাম লিখা ?

**উত্তৰ ঃ** বু আলী ছিনা (চিকিৎসক) জাবিৰ ইবনে হায়ান (বৈজ্ঞানিক) আৰু ইবনে ৰুশদ (দাৰ্শনিক)।

**প্ৰশ্ন নং ১৭ ঃ** ইবনে হিশ্বাম আৰু খালাদুন কোন আছিল ?

**উত্তৰ ঃ** ইবনে হিশ্বাম বিখ্যাত লিখক, তেখেতৰ লিখা কিতাপ ছিৰত ইবনে হিশাম উন্নত মানৰ পুস্তক। ইবনে খালাদুন পাৰ্গত মোয়াৰ ৰখ (লিখক) আৰু দাৰ্শনিক আছিল। ইতিহাস ইবনে খালাদুন আৰু মোকাদ দমা ইবনে খালাদুন  তেওঁৰ বিখ্যাত লিখক।

# ইছলামী ইতিহাস

**প্ৰশ্ন নং ১ ঃ** কিমান খ্ৰীঃত ইছলাম প্ৰকাশিত হয় ?

**উত্তৰ ঃ** ৬১০ খ্ৰীঃত।

**প্ৰশ্ন নং ২** ঃ হিজৰতে হাফশা সম্পৰ্কে কি জানা ?

**উত্তৰ ঃ** মক্কাবাসীৰ অত্যাচাৰ যেতিয়া সীমা লঙ্ঘন কৰি গৈছিল। তেতিয়া কিছু সংখ্যক মুছলমান পুৰুষ নাৰী আৰু শিশুৱে ৰছুলে কৰিম (ছাঃ)ৰ ঐশী আদেশ পালনাৰ্থে ৫ হিজৰীত হাবশালৈ প্ৰব্ৰজন কৰি যায়। মক্কা বাসীয়ে নাজ্জাশীৰ বাদশ্বাহক কেইবাবাৰ মুছলমানৰ বিৰুদ্ধে উত্তেজিত কৰে।কিন্তু

মক্কাবাসী সেই কামত সফল হ’ব নোৱাৰে। আৰু হাবশাৰ বাদশ্বাহ মুছলমান সকলৰ সৈতে ন্যায় ব্যৱহাৰ কৰিছিল।

**প্ৰশ্ন নং ৩ ঃ** মিৰাজ আৰু ইছ্ৰাৰ মাজত পাৰ্থক্য কি ?

**উত্তৰ ঃ মেৰাজ** আঁহজৰত (ছাঃ)ৰ সেই আধ্যাত্মিক (ৰুহানী) ছফৰৰ নাম যাৰ মাজত তেখেত (ছাঃ)ক আকাশলৈকে ভ্ৰমণ কৰোঁৱা হৈছিল। চুৰা নজমত ইয়াৰ উল্লেখ আছে।

**ইছৰা** আন এটা আধ্যাত্মিক ছফৰ, যাৰ মাজত তেখেত (ছাঃ)ক মক্কাৰ পৰা বাঈতুল মুকাদ্দাছ পৰ্যন্ত লৈ যোৱা হৈছিল।

**প্ৰশ্ন নং ৪ ঃ** চন্দ্ৰ দুভাগ হোৱাৰ অলৌকিক ঘটনাটো কি ?

**উত্তৰ ঃ** মক্কাৰ কিছুমান কাফেৰ আঁহজৰত (ছাঃ)ৰ পৰা অলৌকিক ঘটনা দেখিব খোজাত তেখেত (ছাঃ)য়ে চন্দ্ৰ দুভাগ হোৱাৰ অলৌকিক ঘটনা দেখুৱায়। এই ঘটনাটোৰ উল্লেখ কোৰাণ কৰিমৰ চুৰা কমৰ আয়াত নং ২ আৰু ৭ ত উল্লেখ আছে।

**প্ৰশ্ন নং ৫ ঃ** মদিনা লৈ হিজৰত সম্পৰ্কে কি জানা ?

**উত্তৰ ঃ** প্ৰথম ৰবিউল আউয়াল ১৪ নৱবীত আল্লাহ তায়লাৰ নিৰ্দেশ অনুসৰি আঁহজৰত (ছাঃ) মদিনালৈ প্ৰব্ৰজন কৰে। হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে তেখেতে (ছাঃ)ৰ ভ্ৰমন সংগী আছিল। মক্কাৰ পৰা তিনি মাইল দূৰত মৰুভূমিৰ খালি পাহাৰ এটাৰ ওপৰত গাৰে ছুৰ ত লুকাই থাকে। মক্কাৰ কাফেৰ সকলে বিচাৰি বিচাৰি গাৰে ছুৰৰ সন্মূখত উপস্থিত হয়। এনেকি তেখেত (ছাঃ)ৰ ভৰি গুহাৰ ভিতৰত দেখা পোৱা অৱস্থাত আছিল। কিন্তু কিছুমান বিশেষ কাৰণত সিহঁত গুহাৰ ভিতৰত নোসোমাল আঁহজৰত (ছাঃ) ধৰা পৰিব বুলি হজৰত আবু বক্কৰ (ৰাঃ)য়ে বৰ চিন্তিত আছিল। তেতিয়া আল্লাহ তায়লা তেখেত (ছাঃ)ক কৈছিল যে, **লা তাহজান ইন্নাল্লাহা মাআনা** অৰ্থাৎ কোনো ধৰণৰ ভয় নকৰিবা আল্লাহ আমাৰ লগত আছে।

**প্ৰশ্ন নং ৬ ঃ** শোক প্ৰকাশৰ বছৰ বুলিলে কি বুজায় ?

**উত্তৰ ঃ** আঁহজৰত (ছাঃ)য়ে যেতিয়া শোয়েব আবি তালিবৰ পৰা ওলায়,

সেই কালছোৱাত সকলো ফালৰ পৰা নানা ধৰণৰ কষ্ট সহ্য কৰিব লগা হয়। অৰ্থাৎ হজৰত খাদিজা (ৰাঃ) আৰু হজৰত আবু তালিব (ৰাঃ)ৰ এজনৰ পিছত এজনৰ মৃত্যু ঘটে।

**প্ৰশ্ন নং ৭ ঃ** মদিনালৈ হিজৰতৰ সময়ত কোন জন মানুহে হজৰত মহম্মদ (ছাঃ)ক আক্ৰমণ কৰাৰ চেষ্টা কৰিছিল ?

**উত্তৰ ঃ** ছুৰ গুহাৰ পৰা ওলাই হজৰত মহম্মদ (ছাঃ) আৰু আবু বক্কৰ ছিদ্দিক (ৰাঃ) য়ে যেতিয়া মদিনালৈ যাত্ৰা কৰে। তেতিয়া পুৰস্কাৰৰ লোভত ছুৰাকা বিন মালিক আঁহজৰত (ছাঃ)ৰ পিছা কৰি তেখেত (ছাঃ)ৰ ওচৰ পায়গৈ হজুৰ (ছাঃ)য়ে তেওঁক দেখি কয়, ছুৰাকা সেই সময়ত তোমাৰ কি অৱস্থা হ'ব ? যেতিয়া তোমাৰ হাতত কিছ্ৰাৰ কাংগন পিন্ধোৱা হ'ব। এই ভৱিষ্যতবাণী হজৰত ওমৰ (ৰাঃ)ৰ খিলাফতৰ সময়ত পূৰ্ণ হয়।

**প্ৰশ্ন নং ৮ ঃ** হিজৰতৰ পিছত আঁহজৰত (ছাঃ) য়ে সৰ্বপ্ৰথম কোনটো মছজিদ নিৰ্মাণ কৰে ?

**উত্তৰ ঃ** মছজিদ কুবা, কুবা মদিনাৰ পৰা দুই আড়াই মাইল দূৰত এডোখৰ ঠাই য'ত কিছুমান আনছাৰৰ বসতি আছিল। তাত আঁহজৰত (ছাঃ)য়ে ১০/১২ দিন থকাৰ পিছত মদিনাত প্ৰৱেশ কৰে।

**প্ৰশ্ন নং ৯ ঃ** মদিনাৰ প্ৰাচীন নাম কি আছিল ?

**উত্তৰ ঃ** ইয়াছ্ৰব; যেতিয়া আঁহজৰত (ছাঃ)য়ে ইয়াত আহি পায় তেতিয়াৰ পৰা ইয়াক মদিনাতুৰ ৰছুল অৰ্থাৎ ৰছুলৰ মদিনা বুলি কোৱা হয়।

**প্ৰশ্ন নং ১০ ঃ** হিজৰতৰ পিছত আৰম্ভণী দিনবোৰত তেখেত (ছাঃ)য়ে কুবা আৰু মদিনাত কোন কোন চাহাবীৰ ঘৰত অৱস্থান কৰিছিল ?

**উত্তৰ ঃ** কুবাত হজৰত কুলছুম বিন আলহাদম, আৰু মদিনাত হজৰত আবু আয়ুব আনছাৰীৰ ঘৰত অৱস্থান কৰিছিল।

**প্ৰশ্ন নং ১১ ঃ** মদিনাত কোন কোন বংশৰ লোক বাস কৰিছিল ?

উত্তৰ ঃ আনছাৰৰ দুটা বংশ আউচ আৰু খজৰুজ। ইহুদীৰ তিনিটা বংশদৰ যেনে, বনু কায়নিকা, বনু নাজিৰ আৰু বনু কুৰেইজা।

**প্ৰশ্ন নং ১২ ঃ**ইছলামী ইছতিলাহ গযুয়াহ আৰু ছাৰিয়াৰ মাজত পাৰ্থক্য কি ?

**উত্তৰ ঃ** গযুয়াহ ; সেই যুদ্ধ যিটোত আঁহজৰত (ছাঃ)য়ে নিজে অংশগ্ৰহণ কৰে। আৰু ছাৰিয়াৰ যুদ্ধত তেখেত (ছাঃ)য়ে অংশগ্ৰহণ কৰা নাছিল।

**প্ৰশ্ন নং ১৩ ঃ** বদৰৰ যুদ্ধ কিমান চনত সংগঠিত হৈছিল ? আৰু মুছলমানৰ কিমান জন লোক সেই যুদ্ধত অংশ গ্ৰহণ কৰিছিল ?

**উত্তৰ ঃ** হিজৰতৰ ২য় বছৰত কাফিৰ (অৱিশ্বাসী) আৰু ইছলামৰ মাজত সিদ্ধান্তৰ বাবে যিটো যুদ্ধ হয় তাক বদৰৰ যুদ্ধ বুলি কোৱা হয়।আৰু ইয়াক ইয়ামূল ফুৰকান বুলিও কোৱা হয়। তাত ইছলামী সৈন্যৰ সংখ্যা ৩১৩ জন আছিল। আৰু কাফিৰৰ সংখ্যা ১০০০ (এহেজাৰ) আছিল। তথাপিও এই যুদ্ধত কাফেৰ সকল পৰাজয় হয়।

**প্ৰশ্ন নং ১৪ ঃ** আহজাবৰ যুদ্ধ কেতিয়া সংগঠিত হৈছিল ? ইয়াক গজৱায়ে খন্দক কিয় কোৱা হয় ?

**উত্তৰ ঃ** পঞ্চম হিজৰী শ্বোৱাল ৬২৭ খ্ৰীঃত এই যুদ্ধ সংগঠিত হয়। এই যুদ্ধত হজৰত ছলমান ফাৰছী (ৰাঃ)ৰ পৰামৰ্শ অনুযায়ী খন্দক খন্দা হয় সেয়ে এই যুদ্ধ খন্দক নামেৰে বিখ্যাত।

**প্ৰশ্ন নং ১৫ ঃ** উহুৰ যুদ্ধ কেতিয়া হয় ?

**উত্তৰ ঃ** ৬২৪ খ্ৰীঃত মাৰ্চ মাহত ৩ হিজৰীত উহুদৰ যুদ্ধ সংগঠিত হয়।

**প্ৰশ্ন নং ১৬ ঃ** হুদায়বিয়াৰ সন্ধি বুলিলে কি বুজায় ?

উত্তৰ ঃ ষষ্ঠ হিজৰীত জিলকাদ মাহত ৬২৮ খ্ৰীঃত হুদাইবিয়া নামৰ ঠাইত মক্কাৰ কাফিৰ আৰু মুছলমান সকলৰ মাজত যি সন্ধি হয় সেই সন্ধিক হুদাইবিয়াৰ সন্ধি (চুক্তি) বুলি কোৱা হয়।

**প্ৰশ্ন নং ১৭ ঃ** বয়াতে ৰিজুৱান বুলিলে কি বুজায় ? আৰু কোৰাণ কৰিমৰ কোন চুৰাত ইয়াৰ উল্লেখ আছে ?

**উত্তৰ ঃ** হুদাইবিয়া নামৰ ঠাইত সন্ধিৰ আগতেই ভয়াবহ পৰিস্থিতিৰ সন্মুখীন হোৱা প্ৰায় ১৫০০ চাহাবা (ৰাঃ) য়ে সকলো ধৰণৰ ত্যাগ স্বীকাৰ কৰি আঁহজৰত (ছাঃ)ৰ হাতত বয়াত গ্ৰহণ কৰিছিল। সেইটো বয়াতে ৰিজুৱান নামেৰে জনাজাত। অৰ্থাৎ সেই বয়াত যাৰ দ্বাৰা মুছলমান সকলে খোদা তায়লাৰ পৰম সন্তুষ্টি আৰু পুৰস্কাৰ লাভ কৰে। কোৰাণ কৰিমৰ চুৰা ফাতাহাৰ আয়াত

১১-১৯ ত এই বিষয়ে উল্লেখ আছে।

**প্ৰশ্ন নং ১৮ ঃ** কি বিজয়ৰ সময়ত হাবশ্বাৰ মুহাজিৰিণ সকলে হাবশ্বাৰ পৰা উভতি আহে ?

**উত্তৰ ঃ** গজুয়ায়ে খাইবাৰ বিজয়ৰ সময়ত আঁহজৰত (ছাঃ) য়ে কয় যে মই ক'ব নোৱাৰো কোনটো কথাৰ কাৰণে মই আজি বেছি আনন্দিত। খাইবাৰ বিজয়ৰ বাবে নে হজৰত জাফৰৰ আগমনৰ বাবে।

**প্ৰশ্ন নং ১৯ ঃ** গজৰা জাতুল ৰুকায়া কেতিয়া হয় ? সেইটোৰ ব্যাখ্যা নো কি বা তছমীহনো কি ?

**উত্তৰ ঃ** এই গজৰা হিজৰী চনৰ ৭ তাৰিখ মাহ জমাদিউল ছানি নাজদৰ ফালে হয়। ভ্ৰমণৰ কঠিনতা আৰু যান-বাহনৰ অসুবিধাৰ কাৰণে চাহাবা (ৰাঃ) সকলৰ ভৰি ছালনি হৈ যায়। কিছুমানৰ ভৰিৰ নখবোৰ খহি পৰে। আৰু তেখেত (ছাঃ)য়ে নিজৰ কাপোৰ ফালি ভৰিত বান্ধি লয় আৰু বাট আগবাঢ়ি যায় সেই কাৰণে এইটো গজুৱায়ে জাতুল ৰুকায়া বা পট্টী গজুৱা নামেৰে বিখ্যাত।

**প্ৰশ্ন নং ২০ ঃ** মক্কা বিজয় সম্পৰ্কে বিশেষ বিশ্লেষণ কৰা ?

**উত্তৰ ঃ** পৱিত্ৰ ৰমজানৰ হিজৰী চনৰ ৮ তাৰিখ ৬৩০ খ্ৰীঃত ৰাহমাতুল্লিল আলামিন হজৰত নবী কৰিম (ছাঃ) য়ে ১০ হেজাৰ কুদুছীৰ সৈতে মক্কা বিজয় কৰে। আৰু মক্কাবাসীয়ে আঁহজৰত (ছাঃ)ৰ লগত সকলো ধৰণৰ অত্যাচাৰ আৰু বেয়া আচৰণ ও অসৎ ব্যৱহাৰ কৰা সত্ত্বেও হজুৰ (ছাঃয়ে সেই অত্যাচাৰী সকলৰ নিমিত্তে কয় যে "লা তাছৰিবা আলাইকুমুল ইয়াওমা ইজহাবু ফানতুমুত তুলাকাউ" অৰ্থাৎ আজিৰ দিনত তোমালোকৰ ওপৰত কোনো গ্ৰেপ্তাৰী নাই যোৱা তোমালোক সকলোৰে স্বাধীন। এয়া কৈ হজৰত মহম্মদ (ছাঃ)য়ে সাধাৰণ ৰেহাইৰ ঘোষণা কৰে।

**প্ৰশ্ন নং ২১ ঃ** তবুকৰ যুদ্ধ কেতিয়া সংগঠিত হয় ? আৰু ইয়াৰ আনটো নাম কি ?

**উত্তৰ ঃ** এই যুদ্ধ ৯ হিজৰীত ৬৩০ খ্ৰীঃত সংগঠিত হয়। ইয়াক গজুৰে উছৰাহ (কঠিনতা) বুলিও কোৱা হয়। কিয়নো সেই সময়ত মুছলমান

সকলে ধৈৰ্য্যৰ সৈতে বৰ দুঃখ কষ্ট সহ্য কৰি বিভিন্ন ঠাই ভ্ৰমণ কৰে।

**প্ৰশ্ন নং ২২ ঃ** হুজ্জাতুল বিদা বুলিলে কি বুজায় ?

**উত্তৰ ঃ** ১০ হিজৰী আৰু মাৰ্চ মাহৰ ৬৩২ খ্ৰীঃত হজৰ সময়ত আঁহজৰত (ছাঃ)ৰ ওপৰত নিম্ন আয়াত অৱতীৰ্ণ হয়।

“আল ইয়াওমা আকমালতু লাকুম দ্বীনাকুম ওৱা আতমামতু আলাইকুম নিমাতি ওৱা ৰাজিতু লাকুমুল ইছলামা দ্বীনা”(আলমাইদা আয়াত ৪)।এই আয়াত হজুৰ (ছাঃ)য়ে বৈঠকত পঢ়ি শুনায় মে মাহৰ ১০ তাৰিখৰ ১১ জিল হজ্জাত তেখেত (ছাঃ)য়ে এটা ঐতিহাসিক খোতবা প্ৰদান কৰে। যিটো পিছত খোতবা হুজ্জাতুল বিদা নামেৰে বিখ্যাত হয়। তাত তেখেত (ছাঃ)য়ে নিজৰ উম্মতক আলবিদা কৈ সামাজিক মিলা-প্ৰীতিৰ আদেশ কৌশলেৰে দি পেলাই বৰ্ণনা কৰে যে তেখেত (ছাঃ)ৰ এইটোৱেই আছিল সৰ্বশেষ হজ।

**প্ৰশ্ন নং ২৩ ঃ** সেই সকল বিশিষ্ট চাহাবৰ নাম লিখা যি সকলে অহী ইলহাম লিখাৰ সৌভাগ্য লাভ কৰিছে ?

**উত্তৰ ঃ** হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ), হজৰত ওমৰ (ৰাঃ), হজৰত ওছমান (ৰাঃ), হজৰত আলী (ৰাঃ),হজৰত জাবিৰ বিন আল আউয়াম (ৰাঃ), হজৰত আবি বিন কায়াব (ৰাঃ) আৰু হজৰত জায়েদ বিন ছাবিত (ৰাঃ) অহী ইলহাম লিখোতা সকলৰ মুঠ সংখ্যা ৪০ (চল্লিশ) জন আছিল।

**প্ৰশ্ন নং ২৪ ঃ** চাহাবা ৰিজুৱানুল্লাহ আলাইহিম আজমাইন সকলোৰ প্ৰথম ইজমা (অধিবেশন) কেতিয়া আৰু কোনটো মছলা মছায়েলৰ (সমস্যা সমাধান)ৰ ওপৰত অনুষ্ঠিত হয় ?

**উত্তৰ ঃ** যেতিয়া আঁহজৰত (ছাঃ)ৰ মৃত্যুৰ সংবাদ চাহাবা সকলে শুনে। তেখেত (ছাঃ)ৰ মহববত (ভাল পোৱা) ও প্ৰেমত বিভূৰ হোৱাত চাহাবা সকলে আঁহজৰত (ছাঃ)ৰ মৃত্যুক সহজে মানি ল’ব পৰা নাছিল। হজৰত ওমৰ (ৰাঃ)ৰ অৱস্থা এনে আছিল যে মছজিদ নৱবীত তৰোৱাল উঠাই ঘোষণা কৰিলে যে যিয়ে ক’ব যে মহম্মদ (ছাঃ) মৃত্যু বৰণ কৰিছে মই তেওঁৰ মূৰ কাটি পেলাম। বাকী চাহাবা একেবাৰে নিৰৱ হৈ আছিল।

এনেতে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে মছজিদত উপস্থিত হয়। আৰু মেমবাৰত থিয় দি কোৰাণ কৰিমৰ নিম্ন আয়াত পাঠ কৰে।"ওৱা মা মুহাম্মাদুন ইল্লা ৰাছুলু কাদ খালাত মিন কাবলিহিৰ ৰুছুলু" (আল ইমৰান আয়াত ১৪৫) অৰ্থাৎ ঃ মহম্মদ (ছাঃ) আল্লাহৰ এজন ৰছুল মাথোন আৰু তেখেত (ছাঃ) পূৰ্বৰ বা আগৰ সকলো নবী মৃত্যু বৰণ কৰিছে। সেয়া সকলো চাহাবা মানি ললে যে পূৰ্বৰ ৰছুল সকলৰ দৰে তেখেত (ছাঃ)ৰও মৃত্যু হৈছে সেয়েহে চাহাবা (ৰাঃ)য়ে এইটো কথাত একমত হ'ল যে তেখেত (ছাঃ)ৰ পূৰ্বে সকলো ৰছুল মৃত্যু বৰণ কৰিছে। এইটোৱেই চাহাবা সকলৰ ইজমা (অধিবেশন) আছিল।

**প্ৰশ্ন নং ২৫ ঃ** জান্নাতুল বকি বুলিলে কি বুজায় ?

**উত্তৰ ঃ** মদিনাৰ প্ৰসিদ্ধ কবৰস্থানৰ নাম হ'ল জান্নাতুল বকি।য'ত আঁহজৰত (ছাঃ)ৰ পৱিত্ৰ স্ত্ৰী সকল, চাহাবী আৰু ৰছুলুল্লাহ (ছাঃ)ৰ আহলে বয়াত (নবীৰ বংশধৰ) সকলৰ কবৰ আছে।

**প্ৰশ্ন নং ২৬ ঃ** তলত উল্লেখ কৰাৰ পৰা কি বুজা ?

হুল ফুল ফজল, দাৰুল নদোৱাহ, শ্বাবে আবি তালিব, হাজৰে আছ্‌দ, আৰফাত, দাৰে আৰকাম।

**উত্তৰ ঃ হুলফুল ফজল :-** জহুৰে ইছলাম (ইছলামৰ প্ৰকাশ) ৰ আগত মক্কাৰ কুৰাইশ্ব সকলে অত্যাচাৰী হোৱা সকলক সাহায্যৰ বাবে এটা প্ৰতিজ্ঞা কৰে তাত আঁহজৰত (ছাঃ)য়ে অংশ লয়। যিকেই নহওঁক কিয়, সেই প্ৰতিজ্ঞাত তিনিজন ফজল নামী ব্যক্তি উপস্থিত আছিল। সেই কাৰণে এয়া হুলফুল ফজল নামে প্ৰসিদ্ধ হৈছিল।

**দাৰুল নদোৱাহ :-** কাছি বিন কলাব য়ে খোদাৰ ঘৰ খানা কাবাৰ ওচৰত এখন ঘৰ বনাইছিল। কুৰাইশ্ব সকলে তাত একগোট হৈ প্ৰয়োজনীয় বিষয় সমূহ আলোচনাৰ মাধ্যমত কৰিবৰ সিদ্ধান্ত লৈছিল।

**শ্বাবে আবি তালিব :-** এই ঠাই ডোখৰ মক্কাত এটা পাহাৰী ৰাস্তা য'ত বনু হাশিম আৰু বনু আব্দুল মুতালিব প্ৰায় তিনি বছৰমান সময় তাত অৱস্থান কৰিছিল।

**হাজৰে আছৱাদ ঃ** (ক'লা পাথৰ) খানা কাবাৰ এটা চুকত বিশেষ অৰ্ধশিল আছে। যিটোক হজ কৰা সময়ত হাজী সকলে তৌৱাফৰ (প্ৰদক্ষিণৰ) সময়ত সেই পাথৰটোক চুম্বন দিয়ে নাইবা হাতেৰে ইঙ্গিত কৰে।

**আৰফাত ঃ** সেই ময়দান য'ত হাজী সকলে ৯ জুল হজ্জাত একগোট হৈ জোহৰ আচৰৰ নমাজ জমা কৰি পঢ়ি লয়। আৰু আমিৰুল হিজাজৰ খোতবা শুনে,আৰু আৰফাতৰ ময়দানত কিয়াম কৰা হজৰ এটা গুৰুত্বপূৰ্ণ ৰুকন(স্তম্ভ)

**দাৰে আৰকাম ঃ** হজৰত আৰকাম বিন আৰকাম (ৰাঃ)ৰ ঘৰ অৱস্থিত। যিটোক আঁহজৰত (ছাঃ)য়ে চতুৰ্থ হিজৰীৰ পৰা ষষ্ঠ হিজৰীলৈকে ইছলাম প্ৰচাৰ প্ৰসাৰৰ কেন্দ্ৰ বনাই ৰাখিছিল। সেই কাৰণে এই ঘৰখন ইতিহাসত দাৰুল ইছলাম নামেৰে প্ৰসিদ্ধ।

**প্ৰশ্ন নং ২৭ ঃ** খিলাফতে ৰাশিদাৰ খিলাফতৰ কাল নিৰ্ধাৰণ কৰা ?

**উত্তৰ ঃ** (১) হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) ১১-১৩ হিজৰী (৬৩২-৬৩৪ খ্ৰীঃ)

(২) হজৰত ওমৰ (ৰাঃ) ১৩-২৪ হিজৰী (৬৩৪-৬৪৪ খ্ৰীঃ)

(৩) হজৰত উচমান (ৰাঃ) ২৪-৩৫ হিজৰী (৬৪৪-৬৫৬ খ্ৰীঃ)

(৪) হজৰত আলী (ৰাঃ) ৩৫-৪০ হিজৰী (৬৫৬- ৬৬১ খ্ৰীঃ)

**প্ৰশ্ন নং ২৮ ঃ** কোনে হিজৰী কামৰী (চন্দ্ৰ) চনৰ প্ৰৱৰ্তন কৰে? কামৰী মাহবোৰ কি কি ?

**উত্তৰ ঃ** হজৰত ওমৰ (ৰাঃ)য়ে চন্দ্ৰ মাহৰ চনৰ প্ৰৱৰ্তন কৰে।মাহবোৰৰ নাম এনেদৰে ; মহৰম, ছফৰ, ৰাবিউল আউৱাল, ৰবিউছ ছানি, জমাদিল আউৱাল,জমাদিছ ছানি, ৰজব,শ্বাবান, ৰমজান,শোয়াল, জিলকদ আৰু জিলহজ।

**প্ৰশ্ন নং ২৯ ঃ** হজৰত ইমাম হুছেইন (ৰাঃ)ৰ জন্ম তাৰিখ ও শ্বহিদৰ তাৰিখ কি ?

**উত্তৰ ঃ** চতুৰ্থ হিজৰী শাবান মাহত হজৰত ইমাম হুছেইন (ৰাঃ)ৰ জন্ম হয়। আৰু ৬১ হিজৰী মহৰম মাহৰ ১০ তাৰিখত মাবিয়াৰ পুত্ৰ ইয়াজিদৰ শাসন কালত ময়দানে কাৰবালাত শ্বাহাদত বৰণ কৰে।

**প্ৰশ্ন নং ৩০ ঃ** বনু উমাইয়া বংশৰ প্ৰতিষ্ঠাতা কোন আছিল ? তেওঁৰ ৰাজত্ব

কাল কিমান আছিল ?

**উত্তৰ ঃ** হজৰত আমিৰ মাবিয়া বিন আবু ছুফিয়ান (ৰাঃ)ৰ হাতত ৪১ হিজৰী ৬৬১ খ্ৰীঃত বনু উমাইয়াৰ ৰাজত্ব প্ৰতিষ্ঠা হয় আৰু ১৩২ হিজৰী মতে ৭৪৯ খ্ৰীঃত দ্বিতীয় মাৰুয়ানৰ সময়ত শেষ হয়।

**প্ৰশ্ন নং ৩১ ঃ** আববাছী বংশৰ প্ৰতিষ্ঠাতাৰ নাম আৰু তেওঁৰ ৰাজত্ব কাল উল্লেখ কৰা ?

**উত্তৰ ঃ** আবু আববাছ আব্দুল্লাহ বিন ছাফাহ বিন মুহম্মদৰ হাতত প্ৰতিষ্ঠা হয়। আৰু শেষ খলিফা মুছতায়াছিম বিল্লাহ আছিল। যাক হালাকু খানে হত্যা কৰে। ৰাজত্ব কাল ১৩২- ৬৫৬ হিজৰী, (৭৪৯-১২৫০ খ্ৰীঃ )

**প্ৰশ্ন নং ৩২ ঃ** মিছৰ,ইৰাণ,ইস্পেন আৰু ছিন্দ বিজয়ী সকলৰ নাম কি ?

**উত্তৰ ঃ মিছৰ জয়লাভ ঃ-** হজৰত ওমৰু বিন আছ (ৰাঃ)

**ইৰাণ জয়লাভ ঃ-** হজৰত ছাদ বিন আবি ওৰাকাছ (ৰাঃ)

**ইস্পেইন জয়লাভ ঃ-** তাৰিক বিন জিয়াদ আৰু ছিন্দ মহম্মদ বিন কাছিম।

**প্ৰশ্ন নং ৩৩ ঃ** ইস্পেইনত মুছলমান সকলৰ শাসন কাল কিমান বছৰ আছিল ?

**উত্তৰ ঃ** প্ৰায় সাত শ বছৰ মুছলমান সকলে ইস্পেইনত ৰাজত্ব কৰিছিল।

## হজৰত মছীহ মাওউদ (আঃ)

**প্ৰশ্ন নং ১ ঃ** আঁহজৰত (ছাঃ)ৰ ভৱিষ্যতবাণী অনুযায়ী হজৰত মছীহ মাওউদ (আঃ) কোন,কেতিয়া আৰু ক'ত তেখেত (আঃ)ৰ জন্ম হয় ?

**উত্তৰ ঃ** হজৰত মিৰ্যা গোলাম আহম্মদ কাদিয়ানী (আঃ) শোয়াল মাহৰ ১৪ তাৰিখ ১২৫০ হিজৰী মুতাবিক ১৩ ফেব্ৰুৰাৰী ১৮৩৫ খ্ৰীঃত শুক্ৰবাৰ দিনা কাদিয়ানত জন্ম গ্ৰহন কৰে।

**প্ৰশ্ন নং ২ ঃ** হজৰত মছীহ মাওউদ (আঃ)ৰ সন্মানীয় পিতা-মাতাৰ নাম কি ?

**উত্তৰ ঃ** পিতাৰ নাম হজৰত মিৰ্যা গোলাম মূৰ্তজা চাহাব (কাদিয়ানৰ ধনী ব্যক্তি আছিল) আৰু মাকৰ নাম হজৰত চেৰাগ বিবি চাহিবা।

**প্ৰশ্ন নং ৩ ঃ** হজৰত মছীহ মাওউদ (আঃ)ৰ ওপৰত হোৱা প্ৰথম ইলহামটো কি ?

**উত্তৰ ঃ** প্ৰথম ইলহামটো হ'ল **ছামানিনা হাউলা আউ কাৰিবাম মিন জালিকা আউ তাজিদু আলাইহি- ছিনিনা ওৰা তাৰা নাছলান বায়িদা** অৰ্থাৎ, তোমাৰ বয়স আশি (৮০) বছৰ নাইবা দুই চাৰি বছৰ কমও হ'ব পাৰে, বা বেছিও হ'ব পাৰে। আৰু তুমি ইমান বয়স লৈকে জীয়াই থাকিবা যে, কেইবাটাও সন্তান দেখিব পাৰিবা (তজকাৰাহ মতবুয়াহ ১৯৬৯-পৃ:৭)

**প্ৰশ্ন নং ৪ ঃ** তেখেত (আঃ)য়ে কেতিয়া মামুৰ (প্ৰত্যাদিষ্ট) প্ৰথম ইলহাম প্ৰাপ্ত হয় ?

**উত্তৰ ঃ** মাৰ্চ ১৮৮২ খ্ৰীঃত তেখেত (আঃ)ৰ ওপৰত মামুৰ হোৱাৰ প্ৰথম ইলহাম হয়। ইলহামৰ অৰ্থঃ তুমি কৈ দিয়া মই খোদা তায়লাৰ ফালৰ পৰা আদিষ্ট হৈছোঁ আৰু মই বিশ্বাসীসকলৰ মাজত প্ৰথম।

**প্ৰশ্ন নং ৫ ঃ** হজৰত মছীহ নাচৰি (আঃ)ৰ আৰু হজৰত মছীহ মাউওদ (আঃ)ৰ ইৰহাচ কোন আছিল ? (ইৰহাচ বুলিলে সেইজনক বুজায় যি তেওঁৰ পূৰ্বজন তেওঁৰ কাৰণে অভিভাতৃত্ব স্বৰূপ হয়)

**উত্তৰ ঃ** হজৰত মছীহ নাচৰি (আঃ)ৰ ইৰহাচ হজৰত ইয়াহিয়া (আঃ) যাৰ নাম ইঞ্জিলত ইউহান্না আছে। আৰু হজৰত মছীহ মাউওদ (আঃ)ৰ ইৰহাচ হজৰত ছৈয়দ আহমদ বৰেলৱী শ্বহিদ আছিল।

**প্ৰশ্ন নং ৬ ঃ** মছজিদ মুবাৰকৰ ভিত্তি সম্পৰ্কে কি জানা ?

**উত্তৰ ঃ** ১৮৮৩ খ্ৰীঃত হজৰত মছীহ মাউওদ (আঃ)য়ে মছজিদ মুবাৰকৰ ভিত্তি স্থাপন কৰে। ইয়াৰ প্ৰথম তলা (ফ্লেট) ১৯০৭ চনত বনোৱা হয়। আৰু ইয়াৰ দ্বিতীয় তলা (ফ্লেট) হজৰত খলিফাতুল মছীহ ছানিৰ খিলাফতৰ কালছোৱাত ১৯৪৪ চনত সম্পূৰ্ণ হয়।

**প্ৰশ্ন নং ৭ ঃ** তেখেত (আঃ)য়ে প্ৰথম বয়াত কেতিয়া আৰু ক'ত লয় ? সৰ্বপ্ৰথম কোনে বয়াত কৰিছিল ? আৰু সেই সময়ত কিমানজন লোক বয়াত গ্ৰহণ কৰে ?

**উত্তৰ ঃ** ১৮৮৯ চনত মাৰ্চ মাহৰ ২৩ তাৰিখত লুধিয়ানাত ছফি আহম্মদজান

চাহাব (ৰাঃ)য়ে মছিহ মাউওদ (আঃ)ৰ হাতত সৰ্বপ্ৰথম বয়াত গ্ৰহণ কৰে। আৰু চল্লিছ জন লোক তেখেত (ৰাঃ)ৰ লগত বয়াত লয়।

**প্ৰশ্ন নং ৮ ঃ** হজৰত মছীহ মাউওদ (আঃ)ৰ বিৰুদ্ধে পোন প্ৰথমবাৰ কোনে আৰু কেতিয়া মোকদ্দমা কৰে?

**উত্তৰ ঃ** ১৮৭৭ খ্ৰীঃত এজন ইছাই ৰুলীয়াৰামে। এই মোকদ্দমা ডাকখানা নামেৰে বিখ্যাত।

**প্ৰশ্ন নং ৯ ঃ** হজৰত মছীহ মাউওদ (আঃ)য়ে মুঠ কেইখন কিতাপ লিখিছে? প্ৰথম আৰু শেষ গ্ৰন্থখনৰ নাম আৰু চন উল্লেখ কৰা?

**উত্তৰ ঃ** মুঠ ৮৫ খন গ্ৰন্থ ৰচনা কৰে। প্ৰথম গ্ৰন্থ **বাৰাহীনে আহমদীয়া** (প্ৰথম ও দ্বিতীয় খণ্ড) ১৮৮০ খ্ৰীঃত প্ৰকাশ হয়। আৰু শেষত **পয়গামে ছুলাহ** - ১৯০৮ খ্ৰীঃত প্ৰকাশ হয়।

**প্ৰশ্ন নং ১০ ঃ** হজৰত মছীহ মাউওদ (আঃ)ৰ দ্বিতীয় বিবাহ কোন বংশত আৰু কাৰ লগত হয়?

**উত্তৰ ঃ** চন ১৮৮৪ খ্ৰীঃত হজৰত মছীহ মাউওদ (আঃ)ৰ দ্বিতীয় বিবাহ দিল্লীৰ বিখ্যাত ছুফি হজৰত খোৱাজা মিৰ দৰদৰ বংশৰ উম্মুল মোমিনীন হজৰত ছৈয়েদাহ নুছৰত জহাঁ বেগম চাহিবাৰ লগত হয়। আৰু এখেতৰ পৱিত্ৰ গৰ্ভৰ পৰা সু-সংবাদ দাতা (মুবাশ-শিৰ) মৰ্যদা পূৰ্ণ সন্তানৰ জন্ম হয়।

**প্ৰশ্ন নং ১১ ঃ** হজৰত মছীহ মাউওদ (আঃ)ৰ হুশিয়াৰ পুৰৰ ছফৰ (ভ্ৰমণ) আহমদীয়াৰ ইতিহাসত কিয় বিখ্যাত?

**উত্তৰ ঃ** ১৮৮৬ খ্ৰীঃতৰ জানুৱাৰী মাহত তেখেত (আঃ)য়ে হুশিয়াৰ পুৰলৈ ভ্ৰমণ কৰে। তেখেত (আঃ) তাত চল্লিছ (৪০) দিন পৰ্যন্ত অকলশৰীয়া হৈ খোদাৰ ইবাদত কৰি থাকে। সেই সময় চোৱাত তেখেত (আঃ)য়ে মুছলেহ মাউওদ (ৰাঃ)ৰ সু-সংবাদ প্ৰাপ্ত হয়।

**প্ৰশ্ন নং ১২ ঃ** হজৰত মছীহ মাউওদ (আঃ)ৰ সু-সংবাদ প্ৰাপ্ত পুত্ৰৰ নাম আৰু জন্ম তাৰিখ উল্লেখ কৰা?

**উত্তৰ ঃ** সু-সংবাদ প্ৰাপ্ত সন্তান হজৰত মিৰ্যা বশ্বিৰ উদ্দিন মাহমুদ আহমদ চাহাব খলিফাতুল মছীহ ছানি (দ্বিতীয় খলিফা) আল মুছলেহ মাউওদ

(ৰাঃ)ৰ জন্ম তাৰিখ ১২ জানুৱাৰী ১৮৮৯ আৰু ১৯৬৫ খ্ৰীঃতৰ ৮ নৱেম্বৰ তাৰিখত মৃত্যু হয়।

(২) হজৰত মির্যা বশ্বিৰ আহমদ চাহাব এম.এ (ৰাঃ)ৰ ২০ এপ্রিল ১৮৯৩ খ্ৰীঃত জন্ম হয়। ২য় ছেপ্তেম্বৰ ১৯৬৩ খ্ৰীঃত মৃত্যু হয়।

(৩) হজৰত মির্যা শ্বৰিফ আহমদ চাহাব (ৰাঃ)ৰ জন্ম ২৪ মে ১৮৯৫ খ্ৰীঃত আৰু ২৬ ডিছেম্বৰ ১৯৬১ খ্ৰীঃত মৃত্যু হয়।

(৪) ছৈয়েদনা হজৰত নৱাব মুবাৰকাহ বেগম চাহীবাহ (ৰাঃ) ২ মার্চ ১৮৯৭ চনত জন্ম, আৰু মৃত্যু ২৩ মে ১৯৭৭ চনত হয়।

(৫) ছৈয়েদনা হজৰত উম্মাতুল হাফিজ বেগম চাহীবাহ (ৰাঃ)ৰ জন্ম ২৫ জুন ১৯০৪ খ্ৰীঃত, মৃত্যু ৬ মে ১৯৮৭ চনত হয়।

**প্ৰশ্ন নং ১৩ঃ** মছীহ মাউওদ (আঃ)ৰ ইলহাম, **শ্বাতানে তুজবাহানে** দুটা ছাগলী জবাই কৰা হ'ব, ইয়াৰ দ্বাৰা কি বুজায় ?

**উত্তৰ ঃ** ইয়াত হজৰত মৌলবী আব্দুৰ ৰহমান চাহাব (ৰাঃ) আৰু হজৰত চাহাবজাদা আব্দুল লতিফ চাহাব (ৰাঃ)ৰ হৃদয়বিদাৰক জনক শ্বহীদৰ ফালে ইঙ্গিত কৰা হৈছে। এই দুয়ো বুজুৰ্গ আহমদীয়ত কবুল (গ্ৰহণ) কৰাৰ কাৰণে আফগানিস্থানৰ ভূমিত শ্বহীদ কৰা হয়।

**প্ৰশ্ন নং ১৪ ঃ** হজৰত মছীহ মাওউদ (আঃ)ৰ ইলহাম,মুছলমানৰ লিডাৰ আৰু তেহেৰিৰ শেখ আজম বুলিলে কাক বুজায় ?

**উত্তৰ ঃ** হজৰত আব্দুল কৰিম চাহাব ছিয়ালকুটি (ৰাঃ) আৰু হজৰত চাহাবজাদা আব্দুল লতিফ চাহাব শ্বহিদক বুজায়।

**প্ৰশ্ন নং ১৫ ঃ** হজৰত মছীহ মাওউদ (আঃ)ৰ ওপৰত হোৱা ইলহাম "ইন্নি উহাফিজু কুল্লা মান ফিদ্দাৰ" কোনটো বিশেষত্বৰ লগত সম্পৰ্ক আছে ?

**উত্তৰ ঃ** সঠিক আৰু সত্য আহমদী সকল তাউন (প্লেগ) ৰোগৰ পৰা ৰক্ষা পাবৰ উদ্দেশ্যে উক্ত ইলহাম হয়।

**প্ৰশ্ন নং ১৬ ঃ** এনেকুৱা পাঁচজন বিৰুদ্ধ বাদীৰ নাম লিখা যি সকলৰ মৃত্যু হজৰত মছীহ মাওউদ (আঃ)ৰ ভৱিষ্যতবাণী অনুসৰি হয় ?

**উত্তৰ ঃ** (১) লেখৰাম পেশাৱৰী (১৮৯৭খ্ৰীঃ) (২) ডাক্তৰ আলেক জেণ্ডাৰ

ডুই আমেৰিকাৰ বাসিন্দা(১৯০৭খ্রীঃ) (৩) ছায়াদুল্লাহ লুধিয়ানী(১৯০৭খ্রীঃ) (৪) আব্দুল্লাহ আথম(১৮৯৬খ্রীঃ) (৫) ইলাহী বক্স একাউনটেণ্ট লাহোৰ(১৯০৭খ্রীঃ)।

**প্রশ্ন নং ১৭ ঃ** হজৰত মছীহ মাওউদ (আঃ)ৰ আৰবী,ইংৰাজী,উর্দু আৰু পঞ্জাৰী ভাষাত এটা এটা ইলহাম লিখা ?

**উত্তৰ ঃ** আৰবী ইলহাম:- আলাইছাল্লাহু বিকাফিন আবদাহু, অর্থাৎ আল্লাহ নিজৰ ভৃত্যৰ কাৰণে যথেষ্ট নহয়নে ?

**ফাৰ্চী ইলহাম** :- মাকন তাকিয়া বৰ ওমৰ না পায়দাৰ,অর্থাৎ এই ক্ষণস্থায়ী জীৱনৰ ওপৰত ভৰসা নকৰিবা।

**ইংৰাজী ইলহাম** :- I Shall give You a large party of islam,

**প্রশ্ন নং ১৮ ঃ** মছীহ মাওউদ (আঃ)য়ে মছীহ আৰু মাহদী হোৱাৰ দাবী কেতিয়া কৰে ?

**উত্তৰ ঃ** ১৮৯০ খ্রীঃত মছীহ আৰু ২০ মে ১৮৯১ খ্রীঃত মাহদী হোৱাৰ দাবী কৰে।

**নোটঃ** প্রত্যাদিষ্ট হোৱাৰ ইলহামৰ কাৰণে খোদাৰ আদেশ অনুযায়ী ২৩ মার্চত ১৮৮৯ খ্রীঃত বয়াত লোৱাৰ ঘোষণা কৰে।মই তোমাক মুছলমান সকলৰ এটা বিশাল জমাত দান কৰিম।

**উর্দু ইলহাম** :- "দুনিয়া মে এক নজিৰ আয়া পৰ দুনিয়া নে উছকো কবুল না কিয়া লেকিন খোদা উছে কবুল কৰেগা আউৰ বড়ে জোৰ আয়ুৰ হামলো ছে উছকী ছচ্ছাই জাহিৰ কৰেগা"। অর্থ ঃ পৃথিৱীত এজন সতর্ক কৰোঁতা আহিছে। বৰং জগত বাসীয়ে তেখেতক গ্রহণ কৰা নাই কিন্তু খোদা তাক গ্রহণ কৰিব আৰু প্রচণ্ড শক্তি আৰু আক্রমণৰ সৈতে তেখেতৰ সত্যক প্রকাশ কৰিব।

পঞ্জাৰী ইলহাম :-"জেতু মেৰা হো ৰহি ছব জগ তেৰা হো"

**অর্থ ঃ** ওহে! তুমি মোৰ হৈ যোৱা,তেন্তে জগত তোমাৰ হৈ যাব।

**প্রশ্ন নং ১৯ ঃ** হজৰত মছীহ মাওউদ (আঃ)য়ে ৰছুল প্রেমীক হোৱা সম্বন্ধে

ৰচনা আৰবী,ফাৰ্চী আৰু উৰ্দু কবিতাৰ এটা এটা উক্তি উল্লেখ কৰা!

**উত্তৰ ঃ** আৰবী :- "জিছমি ইয়াতিৰু ইলাইকা মিন শাওকিন আলা
ইয়া লাইতা কানাত কুৱৱাতুত তাইৰানী"

**ফাৰ্চী** :- "বাদ আজ খুদা বাইশ্বক মহম্মদ(ছাঃ) মখমৰম
গৰ কুফৰ য়ে বুদ বাখুদা ছখত কাফেৰম"

**উৰ্দু** :- "ৰাবত হায় জানে মোহাম্মদ (ছাঃ)ছে মেৰি জাকো মদাম
দিল কো অ জামে লভালভ হ্যায় পিলায়া হামনে"

**প্ৰশ্ন নং ২০ ঃ** হজৰত মছীহ মাওউদ (আঃ)য়ে কোৰাণ প্ৰেমী সম্বন্ধে লিখা কবিতাৰ যিকোনো এটা উক্তি উল্লেখ কৰা ?

**উত্তৰ ঃ** দিল মে এহী হ্যায়হৰদম তেৰা ছহীফা চুমো
কুৰাঁ কে গিৰদ গুমো কাবা মেৰা এহী হ্যায়

**প্ৰশ্ন নং ২১ ঃ** হজৰত মছীহ মাওউদ (আঃ)ৰ যিকোনো ইলহামী দোৱা উল্লেখ কৰা ? যিটোক তেখেত (আঃ)য়ে খুব বেছিকৈ পঢ়িবৰ নিৰ্দেশ দিছে।

**উত্তৰ ঃ** ৰাববি কুল্লু শাইয়িন খাদিমুকা ৰাববি ফাহফাজনি ওৱানছুৰনি ওৱাৰহামনি।

**প্ৰশ্ন নং ২২ ঃ** জাৰিউল্লাহে ফি হুলালিল আমবিয়া (খোদা বীৰ নবী সকলৰ বস্ত্ৰত কোন আৰু কিয় ?

**উত্তৰ ঃ** এই উপাধি আল্লাহ তায়লা ইলহামৰ মাধ্যমত হজৰত মছীহ মাওউদ (আঃ)ক দান কৰে,কিয়নো আঁহজৰত (ছাঃ)ৰ পৰিপূৰ্ণ আনুগত্য আৰু গোলামীৰ ফজলত পূৰ্বৱৰ্তী নবী সকলৰ বুৰুজত খোদাৰ প্ৰিয় ভাজন পৰিপূৰ্ণ হৈছে।

**প্ৰশ্ন নং ২৩ ঃ** হজৰত মছীহ মাওউদ (আঃ)ৰ এই কবিতা উক্তি কাৰ বাবে আৰু কেনেকৈ পূৰ্ণ হয় ?

**উত্তৰ ঃ** আলা আয়ে দুশমনে নাদান অ বে ৰাহ, বতৰছে আজ তেগে বৰৰানে মহম্মদ (ছাঃ)

উক্ত কবিতা ফাঁকি লেখৰাম পেশাৱৰীৰ সম্বন্ধে আছিল। আল্লাহ তায়লা

ফিৰিস্তাৰ জৰিয়তে লেখৰামক মেহমুদ (আঃ)ৰ তৰোৱালেৰে হত্যা কৰে।

**প্ৰশ্ন নং ২৪ ঃ** হজৰত মছীহ মাওউদ (আঃ)য়ে কোনটো ঠাইক নিজৰ দ্বিতীয় জন্মভূমি বুলি কৈছে ?

**উত্তৰ ঃ** ছিয়ালকোটক নিজৰ দ্বিতীয় জন্ম ভূমি বুলি উল্লেখ কৰে।

**প্ৰশ্ন নং ২৫ ঃ** হজৰত মছীহ মাওউদ (আঃ) য়ে কপুৰ থলা আৰু কপুৰথলাৰ জমাত সম্বন্ধে কি কৈছে ?

**উত্তৰ ঃ** তেখেত (আঃ) কয় যে, কপুৰথলা কাদিয়ানৰ এটা অংশ। তেখেত (আঃ)য়ে কপুৰথলাৰ বাসিন্দা সকললৈ লিখিছে যে মই আশা কৰো যে তোমালোকে কিয়ামতৰ দিনাও মোৰ লগত থাকিবা। কিয়নো পৃথিৱীতে তোমালোকে মোৰ লগত আছিলা।

**প্ৰশ্ন নং ২৬ ঃ** হজৰত মছীহ মাওউদ (আঃ)ৰ পাঁচজন চাহাবাৰ নাম লিখা ?

**উত্তৰ ঃ** হজৰত মুফতি মহম্মদ ছাদিক চাহাব (ৰাঃ) হজৰত মৌলানা শ্বেৰ আলী চাহাব (ৰাঃ), হজৰত শেখ ইয়াকুব আলী চাহাব আৰফানী (ৰাঃ), হজৰত মৌলানা ছৰুৱাৰ শ্বাহ চাহাব (ৰাঃ) আৰু হজৰত হাফিজ ৰোশ্বন আলী চাহাব (ৰাঃ)।

**প্ৰশ্ন নং ২৭ ঃ** হজৰত মছীহ মাওউদ (আঃ)ৰ দুটা ইলহাম লিখা। য'ত কাদিয়ানৰ পৰা হিজৰত আৰু উভতি অহাৰ উল্লেখ আছে ?

**উত্তৰ ঃ** দাগে হিজৰত আৰু ইন্নাল্লাজী ফাৰাজা আলাইকাল কুৰানা লাৰাদ্দুকা ইলা মাআদিন। অৰ্থাৎ সেই সত্তা বা জাত যিয়ে তোমাৰ ওপৰত কোৰাণ কৰিমৰ সেৱাৰ দায়িত্ব অৰ্পন কৰিছে। তোমাক তোমাৰ নিজৰ ঠিকনা লৈ উভতাই আনিব।

**প্ৰশ্ন নং ২৮ ঃ** বৰকাতুত দোৱা নামৰ পুস্তকটো হজৰত মছীহ মাওউদ (আঃ)য়ে কাৰ ভুলভ্ৰান্তি শোধৰণীৰ কাৰণে লিখে ?

**উত্তৰ ঃ** চন ১৮৯৩ খ্ৰীঃত ছাৰ ছৈয়দ আহমদ খান চাহাবৰ ভুলৰ সংশোধন সম্পৰ্কে লিখিছিল।

**প্ৰশ্ন নং ২৯ ঃ** হজৰত মছীহ মাওউদ (আঃ)ৰ যিকোনো দহখন কিতাপৰ নাম লিখা ?

**উত্তৰ ঃ** (১) ছুৰমা চশমায়ে আৰিয়া, (২) ফাতাহ ইছলাম (৩) তৌজিয়ে মৰাম (৪) ইজালেয়ে আউহাম (৫) আয়নায়ে কামালাতে ইছলাম (৬) হাকীকাতুল ওহী (৭) ইজাজুল মছীহ (৮) মছীহ হিন্দুস্থান (৯)তৌহফা গলৰবিয়া (১০) কিশতি নুহ ।

**প্ৰশ্ন নং ৩০ ঃ** জংগে মুকাদ্দছ বুলিলে কি বুজায় ?

**উত্তৰ ঃ** ১৮৯৩ চনত হজৰত মছীহ মাওউদ (আঃ) আৰু আব্দুল্লাহ আথমৰ মাজত লিখিত আৰু মৌখিক যি তৰ্ক বিতৰ্ক অমৰিতছৰত সংগঠিত হয়। সেয়া জংগে মুকাদ্দছ নামেৰে বিখ্যাত।

**প্ৰশ্ন নং ৩১ ঃ** হজৰত মছীহ মাওউদ (আঃ)ৰ মৃত্যুৰ দিনটো উল্লেখ কৰা ?

**উত্তৰ ঃ** ১৯০৮ চনৰ ২৬ মে ত লাহোৰত মৃত্যু বৰণ কৰে।আৰু ২৭ মে ত ১৯০৮ চনত কাদিয়ানত বেহেস্তি মকবৰাত দফন হয়।

## প্ৰথম খলিফাৰ খিলাফৎ কাল

**প্ৰশ্ন নং ১ ঃ** আহমদীয়া জমাতৰ প্ৰথম খলিফা কোন আছিল ? আৰু কেতিয়া খিলাফৎৰ আসনত অধিষ্ঠিত হয় ?

**উত্তৰ ঃ** হজৰত মাউলানা হাকিম নুৰ উদ্দিন চাহাব (ৰাঃ) ১৯০৮ চনৰ ২৭ মে ত প্ৰথম খলিফা হয়।

**প্ৰশ্ন নং ২ ঃ** মছীহ মাওউদ (আঃ)ৰ প্ৰথম খলিফাৰ জীৱনী সম্পৰ্কে প্ৰথম কোনখন কিতাপ প্ৰকাশ হয় ?

**উত্তৰ ঃ** মৰকাতুল একীন ফি হাইয়াতে নুৰ উদ্দিন (ৰাঃ)

**প্ৰশ্ন নং ৩ ঃ** হজৰত খলিফাতুল মছীহ প্ৰথম (ৰাঃ)ৰ মাক,দেউতাৰ নাম কি ?

**উত্তৰ ঃ** দেউতাৰ নাম সন্মানীয় হাফিজ গোলাম ৰছুল চাহাব আৰু মাকৰ নাম নুৰবখত চাহীবাহ।

**প্ৰশ্ন নং ৪ ঃ** হজৰত মৌলৱী নুৰ উদ্দিন চাহাব (ৰাঃ)য়ে লিখা কিতাপ সমূহৰ নাম লিখা ?

**উত্তৰ ঃ** ফাছলুল খিতাব,তছদিক বৰাহিনে আহমদীয়া,আফতালে আলোহিয়াতে মছীহ।

**প্ৰশ্ন নং ৫ ঃ** হজৰত মছীহ মাওউদ (আঃ)য়ে তেখেত (ৰাঃ)ক কেতিয়া প্ৰথমবাৰ ছদৰ আঞ্জুমান আহমদীয়াৰ ছদৰ নিযুক্ত কৰে।

**উত্তৰ ঃ** ২৭ জানুৱাৰী ১৯০৬ খ্ৰীঃত তেখেত (ৰাঃ)ক ছদৰ আঞ্জুমান আহমদীয়াৰ ছদৰ নিযুক্ত কৰে।

**প্ৰশ্ন নং ৬ ঃ** কেতিয়া তেখেত (ৰাঃ) বায়তুল্লাৰ হজ কৰাৰ সৌভাগ্য লাভ কৰে ?

**উত্তৰ ঃ** ১৮৬৫ খ্ৰীঃত।

**প্ৰশ্ন নং ৭ ঃ** বিভিন্ন ধৰণৰ শিক্ষা অৰ্জনৰ বাবে তেখেত (ৰাঃ)য়ে যিবিলাক ঠাইত যাব লগা হয়,সেই ঠাইসমূহৰ কেইটামান নাম উল্লেখ কৰা ?

উত্তৰ ঃ মক্কা মকৰমা, মদিনা মুনাবৰা,লাহোৰ, মুম্বাই, পনৰদাদনখান,ৰাউলপিণ্ডী, ৰামপুৰ, লক্ষ্মৌ, ভোপাল ইত্যাদি।

**প্ৰশ্ন নং ৮ ঃ** তেখেত (ৰাঃ) য়ে সৰ্বপ্ৰথম কেতিয়া হজৰত মছীহ মাওউদ (আঃ)ৰ লগত সাক্ষাৎ কৰিবৰ সৌভাগ্য লাভ কৰে ?

**উত্তৰ ঃ** ১৮৮৫ খ্ৰীঃত

**প্ৰশ্ন নং ৯ ঃ** প্ৰথম খলিফা সম্পৰ্কে হজৰত মছীহ মাওউদ (আঃ)ৰ এটি উক্তি উল্লেখ কৰা ?

**উত্তৰ ঃ** "চেহ খুশবু আগৰ হৰ এক জামত নুৰ দে বোদে
হামে বোদে আগৰ হৰ দিল পৰ আজ নুৰ ইয়াকীন বোদে"

অৰ্থাৎ যদি জাতিৰ প্ৰতিজন ব্যক্তি দ্বীনৰ নুৰ (ধৰ্মৰ জ্যোতি)হৈ যায় তেন্তে কিমান যে সুন্দৰ হ'ব। কিন্তু এয়া তেতিয়াহে সম্ভৱ হ'ব, যেতিয়া প্ৰতিটো হৃদয় (আত্মা) বিশ্বাসৰ নুৰেৰে পৰিপূৰ্ণ হ'ব।

**প্ৰশ্ন নং ১০ ঃ** তেখেত (ৰাঃ) অনুগত্য সম্পৰ্কে হজৰত মছীহ মাওউদ (আঃ) য়ে কি কৈছে ?

**উত্তৰ ঃ** মোৰ প্ৰতিটো আদেশ এনেকৈ অনুসৰণ কৰে যেন, নবজৰ হৰকত তানাফছৰ হৰকতৰ অনুসৰণ কৰি থাকে। (আয়নায়ে কামালাতে ইছলাম)

**প্ৰশ্ন নং ১১ ঃ** হজৰত খলিফাতুল মছীহ আউৱাল (ৰাঃ)য়ে কেতিয়া বায়তুল

মালৰ প্ৰতিষ্ঠা কৰে।

**উত্তৰ ঃ** ১৯০৮ চনৰ ৩০ মে ত।

**প্ৰশ্ন নং ১২ ঃ** তালিমুল ইছলাম হাইস্কুল কাদিয়ান কোনে আৰু কেতিয়া স্থাপন কৰে।

**উত্তৰ ঃ** ১৯১০ চনত প্ৰথম খলিফায়ে তালিমুল ইছলাম হাইস্কুল কাদিয়ানৰ ভিত্তি স্থাপন কৰে।

**প্ৰশ্ন নং ১৩ ঃ** প্ৰথম খলিফাৰ মৃত্যু কেতিয়া হয় ?

উত্তৰ ঃ ১৯১৪ চনৰ ১৩ মাৰ্চত।

**প্ৰশ্ন নং ১৪ ঃ** প্ৰথম খলিফাৰ খিলাফতৰ কেইটামান প্ৰধান প্ৰতিষ্ঠানৰ নাম উল্লেখ কৰা ?

**উত্তৰ ঃ** (১) মুবাল্লিগ সকলৰ নিৰ্দিষ্ট পোষ্টিং প্ৰথম নিৰ্দিষ্ট মুবাল্লিগ হজৰত চৌধুৰী ফাতেহ মহম্মদ চাহাব ছিয়াল আছিল। তেখেতক ইউৰোপ পঠিওৱা হৈছিল। (২) বাইতুল মালৰ প্ৰতিষ্ঠা (৩) মুছাফিৰ খানাৰ নিৰ্দিষ্ট ব্যৱস্থা কৰা। (আখবাৰ নুৰ (নুৰ পত্ৰিকা আৰু আখবাৰুল হক (হক পত্ৰিকা)ৰ প্ৰচলন। আখবাৰে নুৰ শিখ সকলৰ বাবে আৰু আখবাৰুল হক হিন্দু সকলক তবলিগৰ নিমিত্তে প্ৰচলন কৰা হয়।(৪) মাদ্ৰাছা আহমদীয়াৰ প্ৰতিষ্ঠা (৫) কাদিয়ানত পাব্লীগ পুথিভৰালৰ প্ৰতিষ্ঠা।

**প্ৰশ্ন নং ১৫ ঃ** ৰোজনামা আলফজল কেতিয়া প্ৰচলন হয় ? আৰু ইয়াৰ প্ৰথম এডিটৰ (সম্পাদক) কোন আছিল ?

**উত্তৰ ঃ** ১৯১৩ চনৰ ১৮ জুনত। হজৰত মিৰ্জা বশ্বিৰ উদ্দিন মাহমুদ আহমদ চাহাব (ৰাঃ)ৰ তত্ত্বাৱনত এই পত্ৰিকাটো প্ৰচলন হয়। সাপ্তাহিক পত্ৰিকা আছিল। আৰু ১৯৩৫ চনৰ ৮ মাৰ্চৰ পৰা প্ৰতিদিনীয়া হয়।

## দ্বিতীয় খলিফাৰ খিলাফৎ কাল

**প্ৰশ্ন নং ১ ঃ** দ্বিতীয় খিলাফৎ কেতিয়া আৰম্ভ হয় ?

**উত্তৰ ঃ** ১৯১৪ চনৰ ১৪ মাৰ্চত দ্বিতীয় খিলাফৎ আৰম্ভ হয়।

**প্ৰশ্ন নং ২ ঃ** দ্বিতীয় খলিফা হজৰত মিৰ্জা বশ্বিৰ উদ্দিন মাহমুদ আহমদ চাহাবৰ দ্বাৰা ৰছুলুল্লাহ (ছাঃ)ৰ কোনটো ভৱিষ্যতবাণী পূৰ্ণ হয় ?

**উত্তৰ ঃ** "ইতাজাউৱাজু ওৱা ইউলাদ লাহু" অৰ্থাৎ মছীহ মাওউদ (আঃ) য়ে বিবাহ কৰিব আৰু তেখেতৰ ঔৰসত এজন সংস্কাৰক সন্তান জন্ম লাভ কৰিব।

**প্ৰশ্ন নং ৩ ঃ** দ্বিতীয় খলিফা কেতিয়া হজ কৰিছিল ?

**উত্তৰ ঃ** ১৯১২ খ্ৰীঃত

**প্ৰশ্ন নং ৪ ঃ** কেতিয়া হজৰত খলিফাতুল মছীহ ছানি (ৰাঃ)য়ে উৎসৰ্গ জীৱনৰ আৰম্ভণী কৰে ?

**উত্তৰ ঃ** ১৯১৭ চনৰ ৭ ডিচেম্বৰত।

**প্ৰশ্ন নং ৫ ঃ** ছদৰ আঞ্জুমান আহমদীয়াত নজাৰতৰ স্থাপন কেতিয়া কাৰ্যকাৰী হয় ?

**উত্তৰ ঃ** ১৯১৯ চনৰ প্ৰথম জানুৱাৰীত।

**প্ৰশ্ন নং ৬ ঃ** হজৰত খলিফাতুল মছীহ ছানি (ৰাঃ) য়ে আৰ্ন্তজাতিক দেশবোৰৰ কেইখন দেশৰ আৰু কেতিয়া ভ্ৰমণ কৰিছিল ?

**উত্তৰ ঃ** আৰ্ন্তজাতিক দেশবোৰত তেখেত (ৰাঃ) য়ে দুইবাৰ ভ্ৰমণ কৰে। ১৯২৪ চনত প্ৰথমবাৰ লণ্ডনত উইমলৰ কনফ্ৰেছ (অধিবেশন)ত অংশ গ্ৰহণৰ নিমিত্তে। এই কানফ্ৰান্স সম্পৰ্কে তেখেত (ৰাঃ)য়ে আহমদীয়াৰ নামত এটা শক্তিশালী প্ৰৱন্ধ লিখিছিল। যিটো পাছত কিতাপ আকাৰে প্ৰকাশ হয়।বাটত মিচৰ,শ্বাম আৰু ফিলিস্থাইনত থাকে,আৰু ১৯৫৫ চনত ইউৰোপত দ্বিতীয়বাৰ ভ্ৰমণ কৰে।

**প্ৰশ্ন নং ৭ ঃ** হজৰত মুছলেহ মাউদ (ৰাঃ)য়ে বহিঃজগত সৰ্বপ্ৰথম কোনটো মছজিদৰ ভিত্তি স্থাপন নিজৰ হাতত কৰে ?

**উত্তৰ ঃ** মছজিদ ফজল লণ্ডন (এইটো বহিঃজগত)ৰ সৰ্বপ্ৰথম স্থাপিত মছজিদ। ১৯২৪ চনত ইয়াৰ আধাৰশিলা হয়, আৰু ১৯২৬ চনত পৰিপূৰ্ণ হয়।

**প্ৰশ্ন নং ৮ ঃ** আহমদী মহিলা সকলৰ বাৰ্ষিক জলছা কেতিয়া আৰম্ভ হয় ?

**উত্তৰ ঃ** ১৯২৬ চনৰ ডিচেম্বৰত।

**প্ৰশ্ন নং ৯ ঃ** হুজুৰৰ নিৰ্দেশক্ৰমে বিশাল ভাৰতবৰ্ষৰ বুকুত মনগালা আজিমুশ-শান ছিৰাতন নবী (ছাঃ) দিৱস কেতিয়া পালন কৰা হয় ?

**উত্তৰ ঃ** ১৯২৮ চনৰ ১৭ জুনত।

**প্ৰশ্ন নং ১০ ঃ** কোনটো ঠাইক হজৰত মুছ্লেহ মাউওদ (ৰাঃ) য়ে নিজৰ দ্বিতীয় জন্ম ভূমি বুলি কৈছে?

**উত্তৰ ঃ** লাহোৰ (আলফজল ১৬ ডিচেম্বৰ ১৯৪৭)।

**প্ৰশ্ন নং ১১ ঃ** তেখেত (ৰাঃ)ৰ মুছ্লেহ মাউওদ হোৱা সম্পৰ্কে কি ইলহাম হয়?

**উত্তৰ ঃ আনাল মাছীহুল মাউওদু মাছীলুহু ওৰা খালিফাতুহু** ১৯৪৪ খ্ৰীঃতৰ ২৮ জানুৱাৰীত মুছ্লেহ মাউওদ হোৱাৰ দাবী কৰে।

**প্ৰশ্ন নং ১২ ঃ** তালিমূল ইছ্লাম কলেজ কাদিয়ান, ইয়াৰ উদ্বোধনী কোনে আৰু কেতিয়া কৰে?

**উত্তৰ ঃ** হজৰত মুছ্লেহ মাউওদ (ৰাঃ)য়ে ইয়াৰ উদ্বোধনী ১৯৮৮ খ্ৰীঃত কৰে।

**প্ৰশ্ন নং ১৩ ঃ** তেখেত (ৰাঃ)য়ে লিখা কেইখন মান কিতাপৰ নাম উল্লেখ কৰা?

**উত্তৰ ঃ** তেখেত (ৰাঃ)ৰ লিখা কেইখন মান কিতাপৰ নাম হ'ল –
(১) দাউয়াতুল আমিৰ, (২) তালুক বিল্লাহ, (৩) হাস্তীবাৰী তা'লা, (৪) মিনহাজুত তালিবিন, (৫) মালায়িকাতুল্লাহ, (৬) নিজাম-এ-নওঁ, (৭) ইছ্লাম কা ইকতছাদী নিজাম, (৮) ছিৰত খাইৰে ৰাছুল (ছাঃ), (৯) আয়না-এ-ছ্দাকত, (১০) তফছিৰে ছাগীৰ, (১১) তফছিৰে কবিৰ, (১২) তকদীৰে এলাহি আৰু (১৩) জিকৰে ইলাহী।

**প্ৰশ্ন নং ১৪ ঃ** দ্বিতীয় খলিফাৰ মৃত্যু কেতিয়া হয়?

**উত্তৰ ঃ** ১৯৬৫ খ্ৰীঃৰ ৭-৮ নৱেম্বৰ সোমবাৰৰ মাজনিশাত মৃত্যু হয়।

**প্ৰশ্ন নং ১৫ ঃ** ভাৰত উপ মহাদেশৰ বাহিৰত আহমদীয়া জমাতৰ প্ৰথম প্ৰচাৰক মৰকজ (অনুষ্ঠান) কেতিয়া আৰু কাৰ জৰিয়তে প্ৰতিষ্ঠা হয়?

**উত্তৰ ঃ** ১৯১৪ চনৰ ২৮ জুনত, হজৰত চৌধুৰী ফাতেহ মহম্মদ চাহাব ছিয়াল (ৰাঃ)ৰ জৰিয়তে লণ্ডনত প্ৰথম তবলিগী কেন্দ্ৰ প্ৰতিষ্ঠা হয়।

**প্ৰশ্ন নং ১৬ ঃ** জমাত আহমদীয়াৰ বাকায়দা (নিয়মিত) পৰামৰ্শ সভা কেতিয়াৰ

পৰা আৰম্ভ হয়?

**উত্তৰ ঃ** ১৯২২ খ্ৰীঃৰ ১৫-১৬ এপ্ৰিলত। মুছলেহ মাউওদ (ৰাঃ)ৰ খিলাফতৰ কালত পৰামৰ্শ সভাৰ আৰম্ভ হয়।

**প্ৰশ্ন নং ১৭ ঃ** হিজৰী শ্বামছী চনৰ পৰিপূৰ্ণ পঞ্জিকাৰ প্ৰৱৰ্তক কোন? ইয়াৰ মাহ সমূহৰ নাম আৰু ইয়াৰ নামাকৰণৰ উদ্দেশ্য বৰ্ণনা কৰা?

**উত্তৰ ঃ** ১৯৪০ খ্ৰীঃত ছৈয়েদেনা হজৰত খলিফাতুল ছানী (ৰাঃ)য়ে ইয়াৰ পূৰ্ণ প্ৰৱৰ্তন কৰে। যাতে ইয়াক ইছাই (খ্ৰীষ্টান) পঞ্জিকাৰ ঠাইত ইছলামী পঞ্জিকা হিচাপে ব্যৱহাৰ কৰিব পাৰা যায়। ইয়াৰ মাহ সমূহৰ নাম, তাৰিখ ইছলামী খ্যাত ঘটনাসমূহৰ লগত মাখুজ (খাপ খাই) আছে। মাহ সমূহৰ নাম তলত উল্লেখ কৰা হ'ল —

(১) **ছুলাহ ঃ**- (জানুৱাৰী) এই মাহত আঁহজৰত (ছাঃ)ৰ পৰিয়াল মক্কাৰ পৰা হুদাইবিয়া লৈ যায়। আৰু এই ঠাইত এটা সন্ধি বা চুক্তি কৰে।

(২) **তবলীগ** ঃ- (ফেব্ৰুৱাৰী) ইছলামৰ প্ৰৱৰ্তক হজৰত মহম্মদ (ছাঃ)য়ে এই মাহত বাদশ্বাহ সকলৰ নামত প্ৰচাৰ পত্ৰ প্ৰেৰণ কৰে।

(৩) **আমান** (মাৰ্চ) ঃ- এই মাহত আঁহজৰত (ছাঃ)য়ে বিদাই হজৰ সময়ত লোক সকলৰ জীৱন, মাল, সন্মান আৰু পৰ্দাৰ নিৰাপত্তাৰ ঘোষণা কৰে।

(৪) **শ্বাহাদত** (এপ্ৰিল)ঃ- এই মাহত ইছলামৰ শত্ৰুৱে প্ৰতাৰণাৰ সৈতে আৰু বিশ্বাস ঘাতকতা কৰি ৰাজিয়ু আৰু বায়িৰ মায়ুনা নামৰ ঠাইত ৭৭ জন চাহাবীক হত্যা কৰে। এই দুয়ো ঠাইৰ মানুহে চাহাবী সকলক শিক্ষক হিচাপে পঠোৱাৰ নিমিত্তে আঁহজৰত (ছাঃ)ৰ ওচৰত আবেদন দাখিল কৰিছিল। যাতে সিহঁত ইছলামৰ বিষয়ে জানিব পাৰে।বায়িৰ মায়ুনাত শ্বহীদ হোৱা ৬৯ জন চাহাবী কোৰাণৰ হাফিজ আছিল।

(৫) **হিজৰত** (মে )ঃ- এই মাহত হজৰত মহম্মদ (ছাঃ)য়ে মক্কাৰ পৰা হিজৰত কৰি মদিনালৈ যায়।

(৬)**এহছান** (জুন)ঃ- এই মাহত ৰছুলে কৰিম (ছাঃ)য়ে বনুতাঈৰ বন্দী ইহুদী সকলক হাতিমতাঈৰ সন্মানাৰ্থে মুক্তি দিয়ে।

(৭) **অফা** (জুলাই)ঃ- এই মাহত যাতুৰ ৰুকায়াৰ যুদ্ধ সংগঠিত হয়।

দীঘলীয়া ভ্ৰমণ আৰু যান-বাহনৰ নাটনিৰ কাৰণে চাহাবা সকলৰ ভৰি ছালি পৰি যায়,আৰু কিছুমানৰ ভৰিৰ নখ খহি পৰে, তথাপিও চাহাবা সকলে এই যুদ্ধত সত্যতা আৰু বিশ্বাসৰ নমুনা প্ৰদৰ্শন কৰিছিল।

(৮) **জহুৰ** (আগষ্ট)ঃ- আল্লাহ তায়লা মুতাৰ যুদ্ধৰ জৰিয়তে আৰবৰ বাহিৰত ইছলামৰ বিজয়ীৰ ভিত্তি স্থাপন কৰে।

(৯) **তবুক** (চেপ্তেম্বৰ)ঃ- এই মাহত তবুকৰ যুদ্ধ হয়।

(১০) **আখা** (অক্টোবৰ)ঃ- হজৰত মহম্মদ (ছাঃ) য়ে মক্কাৰ মুহাজিৰীন আৰু মদিনাৰ আনছাৰ সকলৰ মাজত ভ্ৰাতৃত্ববন্ধন প্ৰতিষ্ঠা কৰি দিয়ে।

(১১) **নবুয়ত** (নৱেম্ভৰ)ঃ- এই মাহত আল্লাহ তায়লা আঁহজৰত (ছাঃ)ক নবুয়তৰ মৰ্য্যদা প্ৰদান কৰে।

(১২) **ফাতাহ** (ডিচেম্বৰ)ঃ- এই মাহত মক্কা বিজয় হয়। আৰু আঁহজৰত (ছাঃ)য়ে সাধাৰণ ক্ষমাৰ ঘোষণা কৰে।

**প্ৰশ্ন নং ১৮ ঃ** যদি ঈছাই খ্ৰীষ্টান চন জানিব পৰা যায়, তেন্তে হিজৰী শ্বামছী চন কেনেকৈ ওলাব পাৰি ?

**উত্তৰ ঃ** খ্ৰীষ্টীয় চনৰ পৰা ৬২১ বাদ দিয়া হয়।তেতিয়া হিজৰী শ্বামছী চন ওলাই আহিব। যেনে যদি ঈছুয়ী চন ১৯৯৪ হয়, তেন্তে হিজৰী শ্বামছী চন ১৩৭৭ হ'বগৈ (হিজৰী শ্বমাছী সম্বন্ধে বিতং জানিবলৈ আহমদীয়া ইতিহাস খণ্ড নং ৯ আৰু পৃঃ নম্বৰ ৫-২৫৩ দ্ৰষ্টব্য।

**প্ৰশ্ন নং ১৯ ঃ** কাশ্মীৰ মুছলমানৰ পক্ষে হোৱাৰ নিমিত্তে অলইণ্ডিয়া কাশ্মীৰ কমিটিৰ প্ৰথম সভাপতি কাক নিযুক্ত কৰা হয় ?

**উত্তৰ ঃ** ছৈয়দিনা হজৰত মিৰ্জা বশ্বিৰ উদ্দিন মাহমুদ আহমদ চাহাবক নিযুক্ত কৰা হয়। ১৯৩১ খ্ৰীঃৰ ১৫ জুলাইত তেখেত সভাপতি নিযুক্ত হয়।এই কনফ্ৰানছত আল্লামা ইকবাল চাহাব, ছাৰ মিঞা ফজল হুছেইন চাহাব,ছাৰ জুলফিকাৰ আলী খান চাহাব,ছৈয়দ মুহছিন শ্বাহ চাহাব,ছৈয়দ হাবিব চাহাব আৰু খাৰাজা হুছেইন নিজমীহতে অংশ গ্ৰহণ কৰিছিল।

**প্ৰশ্ন নং ২০ ঃ** কাইদ আজিম মহম্মদ আলী জিন্না কেতিয়া মছজিদ ফজল লণ্ডনত ভাষণ দিয়ে ?

**উত্তৰ ঃ** ১৯৩৩ চনৰ ২৩ এপ্রিলত।

**প্ৰশ্ন নং ২১ ঃ** মছজিদ আক ছা কাদিয়ানত কেতিয়া লাউড স্পিকাৰৰ জৰিয়তে হজুৰ (আইঃ)য়ে প্ৰথম বাৰ জুমাৰ খোতবা প্ৰদান কৰে?

**উত্তৰ ঃ** ১৯৩৮ খ্ৰীঃত ৭ জানুৱাৰীত।

**প্ৰশ্ন নং ২২ ঃ** আহমদীয়া জমাতৰ ৫০ বছৰ আৰু দ্বিতীয় খলিফাৰ খিলাফৎৰ ২৫ বছৰ কাৰ্যকাল পূৰ্ণ হোৱাত কেতিয়া জুবলিৰ উৎসৱ পালন কৰা হয়?

**উত্তৰ ঃ** ১৯৩৯ চনত।

**প্ৰশ্ন নং ২৩ঃ** লিৱায়ে আহমদীয়া (আহমদীয়া পতাকা) প্ৰথম বাৰ মুকলি পথাৰত কেতিয়া উত্তোলন কৰা হয়?

**উত্তৰ ঃ** ১৯৩৯ খ্ৰীঃৰ ২৮ ডিচেম্বৰত হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে খিলাফতে জুবলী(জয়ন্তী)ৰ সময়ত আহমদীয়াৰ পতাকা প্ৰথম বাৰ মুকলি পথাৰত উত্তোলন কৰে। পতাখনৰ কাপোৰৰ কপাচ হজৰত মছীহ মাওউদ (আঃ)ৰ এজন চাহাবীয়ে ৰুয়ে আৰু ফচলত (শস্যত) পানী দিয়ে আৰু সেই শস্যক উৎপন্ন কৰে পাছত চাহাবাই সেই শস্য চপোৱায় আৰু চাহাবীয়ে সুতা কাতে।সেই সুতাৰে চাহাবায়ে কাপোৰ বোয়ে। পতাকাৰ ৰং ক'লা ইয়াৰ দৈৰ্ঘ্য ১৮ ফিট বহল ৯ ফিট আছিল। মাজত বগা মিনাৰতুল মছীহ,এফালে কাঁচিজোন আৰু আনফালে বদৰ জোন (পূৰ্ণিমাৰ চন্দ্ৰ) বদৰ জোনত ছয় কোনিয়া তৰা অঙ্কিত আছিল।

**প্ৰশ্ন নং ২৪ ঃ** খুদ্দামুল আহমদীয়াৰ পতাকা কেতিয়া উত্তোলন কৰা হয়? এই সম্পৰ্কে কি জানা?

**উত্তৰ ঃ** ১৯৩৯ খ্ৰীঃৰ ২৮ ডিচেম্বৰত হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে আহমদীয়াৰ পতাকা উত্তোলনৰ পাছত প্ৰথম বাৰ নিজৰ পৱিত্ৰ হাতেৰে খুদ্দামুল আহমদীয়াৰ পতাকাখন উত্তোলন কৰে। পতাকাৰ দৈৰ্ঘ্য ১৮ ফিট আৰু ব্যাস ৯ ফিট আছিল। ইয়াৰ তৃতীয় অংশত ১৩ ক'লা আৰু বগা লাইনেৰে সংযোগ আছিল।

**প্ৰশ্ন নং ২৫ ঃ** হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে কেতিয়া কাদিয়ানৰ পৰা পাকিস্থানলৈ হিজৰত কৰে?

**উত্তৰ ঃ** ১৯৪৭ চনত ১৩ আগষ্টত।

**প্ৰশ্ন নং ২৬ ঃ** কেতিয়া পাকিস্থানত ছদৰ আঞ্জুমান আহমদীয়াৰ ভিত্তি স্থাপন হয় ?

**উত্তৰ ঃ** ১৯৪৭ চনৰ প্ৰথম চেপ্তেম্বৰত।

**প্ৰশ্ন নং ২৭ ঃ** পাকিস্থানত জমাতে আহমদীয়াৰ প্ৰথম বাৰ্ষিক জলছা কেতিয়া আৰু ক'ত অনুষ্ঠিত হয় ?

**উত্তৰ ঃ**১৯৪৭ চনৰ ২৭,২৮ ডিচেম্বৰত লাহোৰত অনুষ্ঠিত হয়।

**প্ৰশ্ন নং ২৮ ঃ** ৰাবুয়াৰ বুনিয়াদ (ভিত্তি) কোনে আৰু কেতিয়া স্থাপন কৰে ?

**উত্তৰ ঃ** ১৯৪৭ চনৰ ২০ ডিচেম্বৰত, হজৰত খলিফাতুল মছীহ ২য় (ৰাঃ)য়ে এটা সপোন অনুসৰি আৰু হজৰত মছীহ মাউওদ (আঃ)ৰ ভৱিষ্যৎবাণী **দাৰেহিজৰত** পূৰণাৰ্থে ৰাবুয়াৰ ভিত্তি স্থাপন কৰে।

**প্ৰশ্ন নং ২৯ ঃ** কেতিয়া ৰাবুয়াত, প্ৰথম বাৰ্ষিক জলছা পালন কৰা হয় ?

**উত্তৰ ঃ** ১৯৪৯ চনৰ, ১৫,১৬ আৰু ১৭ এপ্ৰিলত প্ৰথমবাৰ ৰাবুয়াত জলছা পালন কৰা হয়।

**প্ৰশ্ন নং ৩০ ঃ** তলত উল্লেখ কৰা মৰকজী (কেন্দ্ৰীয়) কাৰ্য্যালয়বোৰৰ ভিত্তি ৰাবুয়াত, কোনে আৰু কেতিয়া স্থপন কৰে ?

(১)কাচৰে খিলাফৎ, (২)দফতৰ ছদৰ আঞ্জুমন আহমদীয়া, (৩)দফতৰ তাহেৰিক জাদিদ আৰু (৪)দফতৰ লাজনা ইমাউল্লাহ।

**উত্তৰ ঃ** ১৯৫০ চনৰ ৩১ মে মাহত, হজৰত মুছলেহ মাউওদ (ৰাঃ)য়ে উক্ত কাৰ্য্যালয় সমূহৰ ভিত্তি স্থাপন কৰে।

**প্ৰশ্ন নং ৩১ ঃ** খুদ্দামুল আহমদীয়া সংগঠনৰ মৰকজীয়া কাৰ্য্যালয়ৰ ভিত্তি আৰু ইয়াৰ দ্বাৰা মুকলি (উদ্বোধনী) হুজুৰ (ৰাঃ)য়ে কেতিয়া স্থাপন কৰে ?

**উত্তৰ ঃ** ১৯৫২ চনৰ ৬ ফেব্ৰুৱাৰীত ইয়াৰ ভিত্তি স্থাপন হয়। আৰু ১৯৫২ চনৰ ৫ এপ্ৰিলত ইয়াৰ উদ্বোধনী হয়।

**প্ৰশ্ন নং ৩২ ঃ** এনটি, আহমদীয়াৰ সময়ত হজৰত মিৰ্যা শ্বৰিফ আহমদ চাহাব (ৰাঃ)ক আৰু হজৰত চাহাবজাদা মিৰ্যা নাচিৰ আহমদ চাহাবক কেতিয়া বন্দী কৰা হয় ?

**উত্তৰ ঃ** ১৯৫৩ চনৰ প্ৰথম এপ্ৰিলত।

**প্ৰশ্ন নং ৩৩ ঃ** হজৰত মুছলেহ মাউওদ (ৰাঃ)ক কোনে আৰু কেতিয়া হত্যা কৰাৰ ষড়যন্ত্ৰ ৰচিছিল ?

**উত্তৰ ঃ** ১৯৫৪ চনৰ ১০ মাৰ্চত, মছজিদ মোবাৰক ৰাবুয়াত, নমাজ আছৰৰ পিছত আব্দুল হামিদ নামৰ এজন ব্যক্তিয়ে হুজুৰক হত্যা কৰাৰ উদ্দেশ্যে আক্ৰমণ কৰিছিল।

**প্ৰশ্ন নং ৩৪ ঃ** হুজুৰ (ৰাঃ)য়ে কেতিয়া কৰাচী (পাকিস্থান)ৰ পৰা ২য় বাৰ ইউৰোপলৈ যাত্ৰা কৰে ?

**উত্তৰ ঃ** ১৯৫৫ চনৰ ২৯ এপ্ৰিলত ২য় বাৰ ইউৰোপ মহাদেশলৈ যাত্ৰা কৰে।

**প্ৰশ্ন নং ৩৫ ঃ** হজৰত মুছলেহ মাউওদ (ৰাঃ)ৰ কেইটামান প্ৰধান তাহেৰিকাত (সংগঠন)ৰ নাম উল্লেখ কৰা ?

**উত্তৰ ঃ** তাহৰিক জাদিদ, ওয়াকফে জাদিদ, উৎসৰ্গ জীৱনৰ ফালে আহ্বান, কোৰাণ হাফিজ, (মূখস্থ কোৰাণৰ বাবে আহ্বান) আনছাৰ উল্লাৰ সংগঠন, খুদ্দামূল আহমদীয়াৰ সংগঠন, আতফালুল আহমদীয়াৰ সংগঠন, লাজনা ইমাউল্লাহ আৰু নাছিৰাতুল আহমদীয়াৰ প্ৰতিষ্ঠা ইত্যাদি।

**প্ৰশ্ন নং ৩৬ ঃ** তাহৰিক জাদিদৰ আৰম্ভণী কেতিয়া হয় ? আৰু ইয়াৰ চৰ্ত কেইটা, দুটামান উল্লেখ কৰা ?

**উত্তৰ ঃ** ১৯৩৪ খ্ৰীঃত এই সংগঠন আৰম্ভ হয়। আৰু ইয়াৰ মুঠ ২৭ টা চৰ্ত আছে। যেনে, সাধাৰণ জীৱন যাপন, উৎসৰ্গত জীৱন আৰু সেৱা ও পৰিস্কাৰ পৰিছন্নতা

**প্ৰশ্ন নং ৩৭ ঃ** তাহৰিক জাদিদৰ প্ৰথম বছৰ হজৰত মুচলেহ মাউওদ (ৰাঃ)য়ে কিমান টকাৰ তাহৰিক কৰে (আবেদন)কৰে, আৰু জমাত কিমান ধনৰাশি আদাই কৰে ?

**উত্তৰ ঃ** ২৭ (সাতাইছ) হেজাৰ টকাৰ তাহেৰিক কৰে। আৰু জমাত এক লাখ চাৰি হেজাৰ টকা দিবৰ অংগীকাৰ কৰে, তাৰে ৩৫ হেজাৰ টকা নগদ আদাই দিয়ে।

**প্ৰশ্ন নং ৩৮ ঃ** তাহৰিক জাদিদৰ দ্বিতীয় কাৰ্য্যলয়ৰ বুনিয়াদি ভিত্তি কেতিয়া ৰখা হয় ?

**উত্তৰ ঃ** ১৯৪৪ চনৰ ২৪ নৱেম্ভৰত ইয়াৰ বুনিয়াদ ৰখা হয়।

**প্ৰশ্ন নং ৩৯ ঃ** তাহৰিক জাদিদৰ তৃতীয় কাৰ্য্যলয়, কোনে আৰু কেতিয়া আৰম্ভ কৰে ?

**উত্তৰ ঃ** ১৯৬৬ চনৰ ২২ এপ্ৰিলত হজৰত খলিফাতুল মছীহ ছালিছ (তয়)(ৰাঃ)য়ে এই কাৰ্য্যলয়টো আৰম্ভ কৰিবৰ ঘোষণা কৰে। আৰু কয় যে, এই কাৰ্য্যলয়টো প্ৰথম নৱেম্ভৰ ১৯৬৫ চনৰ পৰা চলি থকা বুলি বুজিব লাগিব, যাতে হজৰত মুচলেহ মাউওদৰ ফালৰ পৰা চলি থকা বুলি বুজিব পৰা যায়।

**প্ৰশ্ন নং ৪০ ঃ** ওয়াকফে জাদিদ সংগঠন কেতিয়া আৰম্ভ হয় ? আৰু গোটেই বিশ্বত ইয়াৰ বিস্তাৰৰ ঘোষণা কেতিয়া হয় ?

**উত্তৰ ঃ** ১৯৫৭ চনৰ ডিচেম্বৰ মাহত হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে ওৱাকফে জাদিদৰ আৰম্ভণী কৰে। ইয়াৰ জৰিয়তে বহিঃজগতত মুবাল্লিগ আৰু মুৱাল্লিম সকলে সংশোধনৰ কাম কৰি আছে। ১৯৮৫ চনৰ ডিচেম্বৰত হজৰত খলিফাতুল মছীহ ৰাবে (ৰহঃ)য়ে এই সংগঠনটো গোটেই বিশ্বত বিস্তাৰৰ বাবে ঘোষণা কৰে।

**প্ৰশ্ন নং ৪৩ ঃ** লাজনা ইমাউল্লাহ (মহিলাসকলৰ সংগঠন)ৰ চমু বিৱৰণ কৰা ?

**উত্তৰ ঃ** ছৈয়দিনা হজৰত খলিফাতুল মছীহ ছানী (ৰাঃ)য়ে ১৯২২ চনৰ ১৫ ডিচেম্বৰত এই সংগঠন প্ৰতিষ্ঠা কৰে।ছৈয়দিনা নুচৰত জহা বেগম চাহিবা (ৰাঃ)ৰ দৰবাৰত লাজনাৰ সদস্য সকলে লাজনা ইমাউল্লাহয়ে তাইক সভাপতিৰ বাবে আবেদন কৰে। সেয়েহে প্ৰথম সভা তাই (ৰাঃ)ৰ সভানেত্ৰীত আৰম্ভ হয়।কিন্তু সভা চলি থকা অৱস্থাত তাই (ৰাঃ)য়ে হজৰত ছায়েদাহ উম্মে নাছিৰা (ৰাঃ)ক লাজনা ইমাউল্লাহৰ সভানেত্ৰী হিচাপে নিযুক্ত কৰে। আৰু তেখেত ১৯৪০-১৯৪১ খ্ৰীঃব্দ লৈকে এই সংগঠনত সভানেত্ৰী হিচাপে কাম কৰিছিল। এই কালছোৱাত হজৰত উম্মে ছায়েদাহ উম্মাতুল হায়ি বেগম

চাহিবা(ৰাঃ) আৰু হজৰত ছালিহা বেগম চাহিবা (ৰাঃ) মিৰ মহম্মদ ইছহাক চাহাব (ৰাঃ)ৰ স্ত্ৰী আছিল।হজৰত ছৈয়েদাহ ছাহাৰা বেগম চাহিবা (ৰাঃ)য়ে জেনেৰেল ছেক্ৰেটাৰী হিচাপে কাম কৰে। ১৯৪০/১৯৪১ খ্ৰীঃত যেতিয়া ছৈয়েদাহ উম্মে তাহিৰা বেগম চাহিবা (ৰাঃ)য়ে সভানেত্ৰী হিচাপে নিযুক্ত হয় আৰু হজৰত উম্মে মতিন চাহিবা (ৰাঃ) যে আতাউল্লাহ বকাহা জেনেৰেল ছেক্ৰেটাৰী হয়। ১৯৪৪ চনৰ মাৰ্চ মাহত হজৰত ছৈয়দাহ উম্মে তাহিৰা চাহিবাৰ মৃত্যু হয়। আৰু ছৈয়দাহ উম্মে নাছিৰা চাহিবা দ্বিতীয় বাৰ সভানেত্ৰী নিযুক্ত হয়। তাই ১৯৫৮ চনৰ ৩১ জুলাই লৈকে নিজৰ দায়িত্ব নিষ্ঠাৰে পালন কৰে। ইয়াৰ পাছত ১৯৫৮ চনৰ আগষ্টৰ পৰা হজৰত ছৈয়দাহ উম্মে মতিন চাহিবা আতাউল্লাহ বকাহা সভানেত্ৰী হিচাপে নিযুক্ত হয়। ১৯২৮ চনত নাছিৰাতুল আহমদীয়া সংগঠনটো লাজনা ইমাউল্লাহৰ লগত প্ৰতিষ্ঠা হয়।

**নোট ঃ** ১৯৮৯ চনৰ পাছৰ পৰা মৰকজি (কেন্দ্ৰ)ক সভানেত্ৰীৰ বিধান শেষ কৰি,হজৰত খলিফাতুল মছীহ ৰাবে (ৰহঃ)য়ে বিভিন্ন দেশত, নিজৰ দেশত বেলেগ বেলেগ সভানেত্ৰীৰ বিধান প্ৰতিষ্ঠা কৰে।

**প্ৰশ্ন নং ৪৪ ঃ** খুদ্দামুল আহমদীয়াৰ চমু বৰ্ণনা কৰা ?

**উত্তৰ ঃ** ১৯৩৮ চনৰ ৩১ জানুৱাৰীত হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ সন্মতি ক্ৰমে ধৰ্মৰ প্ৰতি মৰম থকা,ডেকা ল'ৰাহঁতৰ নিমিত্তে এক সংগঠন প্ৰতিষ্ঠা কৰে। যাৰ নাম হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে ৪ ফেব্ৰুৱাৰী ১৯৩৮ চনত মজলিছে খুদ্দামুল আহমদীয়া নামেৰে নামাকৰণ কৰে। ১৫ বছৰ বয়সৰ পৰা ৪০ বছৰ বয়সৰ ডেকা ল'ৰাহঁত এই সংগঠনৰ সদস্য হ'ব পাৰে।সন্মানীয় শেখ মেহবুব আলম খালিদ চাহাব এম.এ প্ৰথম অৱস্থাত এই সংগঠনৰ নেতৃত্ব কৰে।প্ৰথম বছৰৰ বাবে মৌলৱী কমৰ উদ্দিন চাহাব এই সংগঠনৰ সদৰ নিযুক্ত হয়। আৰু ১৯৪০ খ্ৰীঃৰ ২৬ জুলাইৰ পৰা হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে খুদ্দামুল আহমদীয়াৰ লগত আতফালুল আহমদীয়াক সংযুক্ত কৰাৰ নিৰ্দেশ দিয়ে। খুদ্দামুল আহমদীয়াৰ প্ৰাথমিকৰ পৰা বৰ্তমানৰ ছদৰসকলৰ নাম আৰু তেখেতৰ কাৰ্যকাল তলত উল্লেখ কৰা হ'ল।

(১) সন্মানীয় মৌলৱী কমৰ উদ্দিন চাহাব (প্ৰথম ছদৰ মজলিছ খুদ্দামুল আহমদীয়া ১৯৩৮-১৯৩৯)

(২) হজৰত ছৈয়দিনা মির্জা নাছিৰ আহমদ চাহাব ২য় ছদৰ মজলিছ খুদ্দামুল আহমদীয়া ১৯৩৯-১৯৪০ আৰু ১৯৪৯-১৯৫০)

(৩) হজৰত খলিফাতুল মছীহ ছানি ৩য় ছদৰ মজলিছ খুদ্দামুল আহমদীয়া (৩১ অক্টোবৰ ১৯৫৯- ১৯৬০)

**নোট ঃ** এই কালছোৱাত হজৰত চাহাবজাদা মির্জা নাছিৰ আহমদ চাহাব ৩১ অক্টোবৰ ১৯৪৯ চনৰ পৰা ১৯৫৪ আৰু সন্মানীয় চাহাবজাদা মির্জা মনোৱাৰ আহমদ চাহাব ১৯৫৪-১৯৫৫ ৰ পৰা ১৯৫৯ৰ পৰা ১৯৬০ লৈকে ভাৰপ্ৰাপ্ত প্ৰথম ছদৰ আছিল।

(৪)সন্মানীয় ছৈয়দ দাউদ আহমদ চাহাব (চতুৰ্থ ছদৰ মজলিছ খুদ্দামুল আহমদীয়া (১৯৬০-৬১ ৰ পৰা ১৯৬১-৬২)

(৫) সন্মানীয় চাহাবজাদা মির্জা ৰফি আহমদ চাহাব (পঞ্চম ঁদৰ মজলিছ খুদ্দামুল আহমদীয়া ( ১৯৬২-৬৩ৰ পৰা ১৯৬৫-৬৬)

(৬) হজৰত মির্জা তাহিৰ আহমদ চাহাব (ছষ্ঠ ছদৰ মজলিছ খুদ্দামুল আহমদিয়া (১৯৬৬-৬৭ ৰ পৰা ১৯৬৮-৬৯)

(৭) সন্মানীয় চৌধুৰী হামিদ উল্লাহ চাহাব (সপ্তম ছদৰ মজলিছ খুদ্দামুল আহমদিয়া) ১৯৬৯-৭০ৰ পৰা ১৯৭২-৭৩)

(৮) সন্মানীয় আতাউল মুজিব চাহাব ৰাশিদ, (১৯৭৩-৭৪ৰ পৰা ১৯৭৫ ফেব্ৰুৱাৰী লৈকে। ছদৰ থকাকালীন অৱস্থাত ইছলামৰ কলেমাৰ নিয়ন্ত্ৰণৰ বাবে জাপান লৈ যায়।

(৯) সন্মানীয় চাহাবজাদা মির্জা গোলাম আহমদ চাহাব (ফেব্ৰুৱাৰী ১০৭৫ ৰ পৰা ১৯৭৮-৭৯ পর্যন্ত)

(১০) সন্মানীয় মাহমুদ আহমদ চাহাব শ্বাহিদ ( ১৯৭৯-৮০ ৰ পৰা ১৯৮৮-৮৯)

(১১) সন্মানীয় হাফিজ মুজাফ্‌ফৰ আহমদ চাহাব ( ১৯৮৯-৯০ ৰ পৰা ১৯৯২-৯৩)

**(১২)** সন্মানীয় ৰাজা মনিৰ আহমদ খান চাহাব (১৯৯৩-৯৪ ৰ পৰা লৈকে) নোট ঃ ১৯৮৯-৯০ পৰা হজৰত খলিফাতুল মছীহ ৰাবে (ৰহঃ)য়ে মৰকজি ছদাৰতৰ বিধান শেষ কৰি প্ৰত্যেক দেশত খুদ্দামুল আহমদীয়া সংগঠনৰ বেলেগ বেলেগ ছদৰৰ বিধান আৰম্ভ কৰে।

**প্ৰশ্ন নং ৪৪ ঃ** মজলিছ আনছাৰুল্লাহ কেতিয়া প্ৰতিষ্ঠা হয় ?

**উত্তৰ ঃ** ১৯৪০ খ্ৰীঃৰ ২৬ জুলাই ত ছৈয়দিনা হজৰত খলিফাতুল মছীহ ছানি(ৰাঃ) য়ে ৪০ বছৰ বয়সৰ ওপৰত জমাতৰ সদস্য সকলৰ আনছাৰ উল্লাহ নামৰ এটা সংগঠন প্ৰতিষ্ঠা কৰে। ইয়াৰ প্ৰথম সভাপতি মৌলানা শ্বেৰ আলী চাহাব (ৰাঃ)আছিল।

**নোট ঃ** আনছাৰ উল্লাহৰ সভাপতি সকলৰ নাম আৰু কাৰ্য্যকাল নিম্নোক্ত ঃ

**(১)** হজৰত মৌলানা শ্বেৰ আলী চাহাব (ৰাঃ) (১৯৪০-১৯৪৭ নৱেম্বৰ লৈকে)

**(২)** হজৰত চৌধৰী ফাতেহ মহম্মদ চাহাব (ৰাঃ) ১৯৪৭-১৯৫০)

**(৩)** হজৰত চাহাবজাদা মিৰ্জা আজিজ আহমদ চাহাব (ৰাঃ) ১৯৫০-১৯৫৪ নৱেম্বৰ)।(৪) হজৰত খলিফাতুল মছীহ ছানি (ৰাঃ)(১৯৫৪-১৯৫৮) এই কালছোৱাত হজৰত মিৰ্জা নাছিৰ আহমদ চাহাব (ৰাঃ) নায়েব (ভাৰ প্ৰাপ্ত সভাপতি আছিল।**(৫)** হজৰত মিৰ্জা নাছিৰ আহমদ চাহাব (ৰহঃ) ১৯৫৯-১৯৬৮)**(৬)** সন্মানীয় চাহাবজাদা নিৰ্জা মুবাৰক আহমদ চাহাব (ৰহঃ)(১৯৬৯-১৯৭৮)**(৭)** হজৰত চাহাবজাদা মিৰ্জা তাহেৰ আহমদ চাহাব (ৰহঃ) (১৯৭৯-১৯৮২)**(৮)** সন্মানীয় চৌধৰী হামিদুল্লাহ চাহাব (ৰাঃ) (১৯৮২ জুন-১৯৯৯ ৩১ ডিচেম্বৰ)(৯) সন্মানীয় চাহেবজাদা মিৰ্জা খুৰশিদ আহমদ চাহাব (প্ৰথম জানুৱাৰী ২০০০-৩১ ডিচেম্বৰ ২০০৩) **নোট ঃ** ১৯৮৯-৯০ পৰা হজৰত খলিফাতুল মছীহ চতুৰ্থ (ৰহঃ) য়ে মৰকজী সভাপতিৰ বিধান শেষ কৰি প্ৰত্যেক দেশত বেলেগ বেলেগ সভাপতিৰ বিধান প্ৰতিষ্ঠা কৰে।

**প্ৰশ্ন নং ৪৫ ঃ** খিলাফতে ছালছা :- তৃতীয় খিলাফতৰ নিৰ্বাচনৰ তাৰিখ উল্লেখ কৰা আৰু কোন খলিফা হয় ? **উত্তৰ ঃ** ১৯৬৫ চনৰ ৯ নৱেম্বৰ ছৈয়দিনা হজৰত হাফিজ চাহাবজাদা মিৰ্জা নাছিৰ আহমদ চাহাব (ৰহঃ)তৃতীয় খলিফা নিৰ্বাচিত হয়।

**প্ৰশ্ন নং ৪৬ ঃ** হজৰত মছীহ মাওউদ (আঃ)ক আল্লাহ তায়লা তেখেত (ৰহঃ)ৰ সম্পৰ্কে কি সুসংবাদ দিয়ে? **উত্তৰ ঃ** তেখেত (ৰহঃ) সম্পৰ্কে আল্লাহ তায়লা হজৰত মছীহ মাওউ(আঃ)ক ইলহাম কৰে **ইন্না নুবাশ্বশ্বীৰুকা বিগুলামিন নাফিলাতাল্লাকা** (হাকিকাতুল অহী পৃঃ ৯৫)
অৰ্থাৎ আমি তোমাক এজন পুত্ৰ সন্তানৰ সুসংবাদ দিওঁ যিয়ে তোমাৰ নাতি ল'ৰা হ'ব।

**প্ৰশ্ন নং ৪৭ ঃ** তৃতীয় খলিফাৰ জন্ম মৃত্যুৰ তাৰিখ লিখা?

**উত্তৰ ঃ** ১৯০৯ খ্ৰীঃত ১৬ নৱেম্বৰত কাদিয়ানত জন্ম হয়। আৰু ১৯৮২ খ্ৰীঃত জুন মাহৰ ৮-৯ তাৰিখৰ মাজনিশা পাকিস্থানৰ ইছলামাবাদত ইহলীলা সম্বৰণ কৰে।

**প্ৰশ্ন নং ৪৮ ঃ** কেতিয়া খলিফা ছালিছ (তৃতীয়) (ৰাঃ)য়ে কোৰাণ মুখস্থ কৰে? **উত্তৰ ঃ** ১৩ বছৰ বয়সত ১৯২২ খ্ৰীঃত ১৭ এপ্ৰিল মাহত,তেখেতৰ বয়স তেতিয়া ১৩ বছৰ আছিল।

**প্ৰশ্ন নং ৪৯ ঃ** তৃতীয় খলিফা (ৰহঃ) খলিফা নিৰ্বাচনৰ আগত জমাতৰ কোন কোন গুৰুত্বপূৰ্ণ পদবীত কাম কৰিছিল?

**উত্তৰ ঃ** ১৯৩৯ চনৰ পৰা ১৯৪৪ লৈকে জামিয়া আহমদীয়াৰ প্ৰিন্সিপালৰ পদত আছিল। ১৯৩৯ ৰ পৰা খুদ্দামুল আহমদীয়া সংগঠনৰ ছদৰ (সভাপতি) মৰকজীয়া হিচাপে কাম কৰে। ১৯৪৪-১৯৬৫ লৈকে তালিমুল ইছলাম কলেজ কাদিয়ান লাহোৰ আৰু ৰাবৱাৰ প্ৰিন্সিপাল পদত আছিল। ১৯৫৪-১৯৬৮ চন লৈকে আনছাৰুল্লাহ সংগঠনৰ ছদৰ (সভাপতি) মৰকজী পদত পদাদিষ্ট আছিল। ১৯৫৫-১৯৬৫ লৈকে ছদৰ আঞ্জুমান আহমদীয়া ছদৰ (সভাপতি) পদত অধিষ্ট আছিল।

**প্ৰশ্ন নং ৫০ ঃ** তৃতীয় খলিফাৰ প্ৰথম ধনৰাশিৰ আবেদন প্ৰতিষ্ঠানটো কি? আৰু কিমান টকাৰ ডিমাণ্ড আছিল?

**উত্তৰ ঃ** প্ৰথম ধন ৰাশিৰ প্ৰতিষ্ঠান ফজলে ওমৰ ফাউণ্ডেশন আৰু তিনি বছৰত ২৫ হাজাৰ টকাৰ ডিমাণ্ড আছিল। ইয়াৰ উদ্দেশ্য আছিল যে খলিফাৰ উদ্দেশ্যক সন্মুখত ৰাখি তেখেত (ৰাঃ)ৰ উদ্দেশ্যক যেন অব্যাহত ৰখা হয়।

**প্ৰশ্ন নং ৫১ ঃ** কোন দেশৰ বাদশ্বাহ আহমদীয়ত গ্ৰহণ কৰে ? আৰু কোনটো ভৱিষ্যতবাণী পূৰ্ণতা লাভ কৰে ?**উত্তৰ ঃ** পশ্চিম আফ্ৰিকা দেশ গাম্বিয়াৰ গৱৰ্নৰ জেনেৰেল আলহাজ শ্বৰিফএম ছুংগাৰ্ডে (১৯৬৩ খ্ৰীঃত আহমদীয়ত গ্ৰহণ কৰে আৰু ১৯৬৫ খ্ৰীঃত গৱৰ্নৰ জেনেৰেল হয়। কল্যাণমণ্ডিত হোৱাৰ বাবে হজৰত খলিফাতুল মছীহ ছালিছ (ৰহঃ) (তৃতীয়) খলিফাৰ ওচৰত হজৰত মছীহ মাওউদ (আঃ)ৰ বস্ত্ৰৰ (কাপোৰৰ) আবেদন কৰে। আৰু এই দৰে **বাদশ্বাহ তেৰে কপৰো ছে বৰকত ডুনডেঙ্গে** এই ভৱিষ্যতবাণী পূৰ্ণতা লাভ কৰে।

**প্ৰশ্ন নং ৫২ ঃ** তেখেত (ৰহঃ) য়ে যুৱ আহমদী সকলৰ কাৰণে কোনটো নীতি অৱলম্বন কৰে ? **উত্তৰ ঃ** হজৰত মছীহ মাওউদ (আঃ)ৰ ইছলাম "তেৰি আজিজানা ৰাহে উছকো পছন্দ আয়ে" অৰ্থাৎ তোমাৰ বিনয়ী তেওঁৰ ভাল লাগিছে।

**প্ৰশ্ন নং ৫৩ ঃ** তৃতীয় খলিফাৰ যিকোনো এটা ইলহাম লিখা ?

**উত্তৰ ঃ** বুশৰা লাকুম।

**প্ৰশ্ন নং ৫৪ ঃ** এনেকুৱা এটা ইলহাম উল্লেখ কৰা যিটো হজৰত মছীহ মাওউদ (আঃ)ক হজৰত মুচলেহ মাওউদ (ৰাঃ) (ফজলে ওমৰ) আৰু হজৰত খলিফাতুল মছীহ ছালিছ (তৃতীয়) (ৰহঃ) এই তিনিজনৰে হয় ? **উত্তৰ ঃ** "ইয়া দাউদু ইন্না জাআলনাকা খালিফাতান ফিল আৰজি" অৰ্থাৎ হে দাউদ আমি তোমাক পৃথিৱীত খলিফা (প্ৰতিনিধি) নিযুক্ত কৰিছোঁ।

**প্ৰশ্ন নং ৫৫ ঃ** কাৰ্যলয় ওৱাকফে জাদিদ আতফাল কেতিয়া প্ৰতিষ্ঠা হয় ? **উত্তৰ ঃ** ১৯৬৬ খ্ৰীঃত ১৭ অক্টোবৰত তৃতীয় খলিফা (ৰহঃ) য়ে আহমদীয়া শিশু সকলক ৫০ হাজাৰ টকা জমা কৰিবৰ আদেশ দিয়ে ?

**প্ৰশ্ন নং ৫৬ ঃ** ৰাবুৱাৰ আকছা মছজিদৰ ভিত্তি আৰু উদ্ধোধনী কেতিয়া কৰা হয় ? **উত্তৰ ঃ** ১৯৬৬ খ্ৰীঃৰ ২৮ অক্টোবৰত ইয়াৰ ভিত্তি স্থাপন কৰা হয়। আৰু ১৯৭২ চনৰ ৩১ মাৰ্চত ইয়াৰ উদঘাটন কৰা হয়।

**প্ৰশ্ন নং ৫৭ ঃ** খিলাফৎ পুথিভৰাল ৰাবুৱাৰ ভিত্তি আৰু উদ্ধোধনী কোনে আৰু কেতিয়া কৰে ?

**উত্তৰ ঃ** তৃতীয় খলিফা (ৰহঃ) য়ে ১৯৭০ খ্রীঃৰ ১৮ জানুৱাৰীত ইয়াৰ ভিত্তি স্থাপন কৰে। আৰু ১৯৭১ চনৰ ৩ অক্টোবৰত ইয়াৰ উদ্বোধনী হয়।

**প্রশ্ন নং ৫৮ ঃ** ১৯৭০ চনত আফ্রিকা ভ্রমণ কালত হুজুৰ (ৰহঃ)য়ে কোন কোন দেশৰ মেনেজাৰৰ লগত সাক্ষাৎ কৰে?

**উত্তৰ ঃ** নাইজেৰিয়াৰ সভাপতি, ইয়াকুব গায়োন, ঘানাৰ সভাপতি ছুদৰ লাইবেৰীয়ামেন,ছুদৰ গাম্বিয়া দাউদ আজুৱাৰাহ,প্রধান মন্ত্রী ছিৰালীউন ৰলগতৰ সৈতে সাক্ষাৎ হয়।

**প্রশ্ন নং ৫৯ ঃ** আফ্রিকা দেশসমূহৰ কাৰণে নুচৰত জহা ইস্কিমৰ আৰম্ভ কেতিয়া হয়?

**উত্তৰ ঃ** ১৯৭০ চনৰ ২৪ মে ত মছজিদ ফজল লণ্ডনত তৃতীয় খলিফা (ৰহঃ)য়ে নুচৰত জহা ইস্কিমৰ ঘোষণা কৰে।

**প্রশ্ন নং ৬০ ঃ** খুদ্দামুল আহমদীয়াৰ ৰুমালৰ নমুনা কেতিয়া আৰু কোনে ধাৰ্য্য কৰে?

**উত্তৰ ঃ** ১৯৭২ চনৰ ১৫ অক্টোবৰত মৰকজি ছালানা (কেন্দ্রীয় বাৰ্ষিক ইজতিমা)ৰ সময়ত। তৃতীয় খলিফা (ৰহঃ)য়ে খুদ্দামুল আহমদিয়াৰ ৰুমালৰ নমুনা ধাৰ্য্য কৰে।

**প্রশ্ন নং ৬১ ঃ** হুজুৰ (ৰহঃ)য়ে কেতিয়া শত বাৰ্ষিক জুবিলীৰ মনছুবাৰ ঘোষণা কৰে?

**উত্তৰ ঃ** ১৯৭৩ চনৰ ২৮ ডিচেম্বৰত জলছা ছালানা (শত বাৰ্ষিক জলছা)ৰ সময়ত ঘোষণা কৰে। আৰু শত বাৰ্ষিক জুবুলীৰ দোৱাৰ সময়ত আধ্যাত্মিক নীতিৰ অৱলম্বন চামিলৰ বাবে ১৯৭৪ চনত ৮ ফেব্রুৱাৰীত ঘোষণা কৰে।

**প্রশ্ন নং ৬২ ঃ** ১৯৭৪ চনত পাকিস্থানৰ জাতিয় এছেম্বেলীত আহমদী জমাতৰ ফালৰ পৰা যিটো দল ভাৰপ্রাপ্ত হিচাপে বাৰ্তা লৈ যোৱা সদস্য সকলৰ নাম উল্লেখ কৰা?

**উত্তৰ ঃ** হজৰত খলিফাতুল মছীহ ছালিছ (তৃতীয় খলিফা) (ৰহঃ) হজৰত মিৰ্জা তাহিৰ আহমদ চাহাব (ৰহঃ) সন্মানীয় শেষ মহম্মদ আহমদ চাহাব,সন্মানীয় মাউলানা আবুল আতা চাহাব,সন্মানীয় মাউলানা দোস্ত মহম্মদ চাহাব শ্বাহেদ।

**প্ৰশ্ন নং ৬৩ ঃ** কওমী এছেম্বলীত জমাত আহমদীয়াৰ অফুদ (দল)ৰ লগত কিমান দিনলৈকে তৰ্ক-বিতৰ্ক চলিছিল ?

**উত্তৰ ঃ** দুই দিন পৰ্যন্ত হজৰত খলিফাতুল মছীহ ছানি (দ্বিতীয় খলিফা)(ৰহঃ)য়ে মজহৰ নামা পঢ়ে। ইয়াৰ পাছত ১১ দিন ব্যপি প্ৰশ্ন উত্তৰৰ ধাৰাবাহিকতা চলি থাকে। যেনে ২২,২৩ জুলাই আৰু ৫-১০ আগষ্ট আৰু ২০-২৪ আগষ্টলৈকে।

**প্ৰশ্ন নং ৬৪ ঃ** ১৯৪৭ চনত জমাতে আহমদীয়াক None Muslim কৰি দিয়া কওমী এছেম্বেলীৰ পাৰ্লিয়ামেণ্টৰ লিডাৰ (নেতা) অৱসৰ প্ৰাপ্ত মন্ত্ৰী জুলফিকাৰ আলী ভট্টুক কেতিয়া আৰু ক'ত ফাঁচি দিয়া হয় ?

**উত্তৰ ঃ** ১৯৭৯ চনত ৪ এপ্ৰিলত চেন্ট্ৰেল জেল ৰাউলপিণ্ডিত ফাঁচি দিয়া হয়।

**প্ৰশ্ন নং ৬৫ ঃ** ঐতিহাসিক কাছৰে ছলিব (ক্ৰুছ ধ্বংস) কনফ্ৰান্স কেতিয়া আৰু ক'ত অনুষ্ঠিত হয় ?

**উত্তৰ ঃ** ১৯৭৮ চনৰ ২,৩,৪ জুন লণ্ডনত হজৰত খলিফাতুল মছীহ ছালিছ (তৃতীয় খলিফা)(ৰহঃ)য়ে স্বয়ং নিজেই তাত উপস্থিত আছিল আৰু ৪ জুনত শেষ বক্তব্য প্ৰদান কৰে।

**প্ৰশ্ন নং ৬৬ ঃ** আতফালুল আহমদীয়াৰ মিয়াৰ( ডাঙৰ আতফাল)ৰ প্ৰতিষ্ঠা কেতিয়া হয় ?

**উত্তৰ ঃ** ১৯৮০ চনত এই বিভাগত ১৩ বছৰৰ পৰা ১৫ বছৰৰ ল'ৰাসকলে অংশ গ্ৰহণ কৰিব পাৰে।

**প্ৰশ্ন নং ৬৭ ঃ** ১৯৮০ চনৰ খুদ্দামুল আহমদীয়াৰ শত বাৰ্ষিক মৰকজিয়া ইজতিমাৰ কি কাৰণে সৌন্দৰ্য্য লাভ কৰিছিল ?

**উত্তৰ ঃ** এই ইজতিমা চৈধ্য আৰু পোন্ধৰ ছদিৰ মাজত অনুষ্ঠিত হয়। আৰু ইজতিমাৰ তিনি দিন হজৰত খলিফাতুল মছীহ ছালিছ (ৰহঃ)য়ে মনমোহা আৰু উৎফুল্লিত বক্তব্য ৰাখিছিল বাবে এই ইজতিমা বৰ সৌন্দৰ্য্যতা লাভ কৰিছিল।

**প্ৰশ্ন নং ৬৮ ঃ** ইস্পেইনৰ মছজিদ বশাৰত সম্পৰ্কে কি জানা ?

**উত্তৰ ঃ** প্ৰায় ৭০০ শ বছৰ পিছত ইস্পেইনত প্ৰথমবাৰ এইখন মছজিদৰ ভিত্তি স্থাপন কৰা হয়। এই মছজিদ বনোৱাৰ সম্পূৰ্ণ দায়িত্ব জমাত আহমদীয়াৰ

ওপৰত আছিল। ১৯৮০ চনৰ ৯ অক্টোবৰত হজৰত খলিফাতুল মছীহ ছালিছ (তৃতীয় খলিফা) (ৰহঃ)য়ে ইয়াৰ ভিত্তি স্থাপন কৰে। আৰু ১৯৮২ চনৰ ১০ ডিচেম্বৰত চতুৰ্থ খলিফা মির্জা তাহেৰ আহমদ চাহাব (ৰহঃ) য়ে ইয়াৰ উদ্বোধনী কৰে।

**প্ৰশ্ন নং ৬৯ ঃ** ছিতাৰা আহমদীয়া সম্পর্কে কি জানা ?

**উত্তৰ ঃ** ১৯৮১ খ্ৰীঃত বাৰ্ষিক জলছাৰ সময়ত হজৰত খলিফাতুল মছীহ ছালিছ (ৰহঃ)(তৃতীয় খলিফা)য়ে সেই লোক সকলক উদ্দেশ্য কৰি কয় যে, যি সকল লোক জমাতত চিহ্ন স্বৰূপ সৃষ্টি হৈছে আৰু কিয়ামতলৈকে সৃষ্টি হৈয়ে থাকিব সেই সকলক ছিতাৰা আহমদী উপাধি প্ৰদান কৰে। এই ছিতাৰাৰ ১৪ টা কোন আছে। প্ৰতিটো কোনত আল্লা আকবৰ আৰু মাজত লা ইলাহা ইল্লাল্লাহ লিখা আছে।

**প্ৰশ্ন নং ৭০ ঃ** তৃতীয় খলিফাৰ ঘৈনীয়েকৰ মৃত্যু কেতিয়া হয় ?(প্ৰথম স্ত্ৰী)

**উত্তৰ ঃ** ১৯৮১ চনৰ ৩ ডিচেম্বৰত।

**প্ৰশ্ন নং ৭১ ঃ** তেখেত (ৰহঃ) য়ে দ্বিতীয় বিবাহ কেতিয়া আৰু কাৰ লগত পাতে ?

**উত্তৰ ঃ** ১৯৮২ খ্ৰীঃৰ এপ্ৰিল মাহত হজৰত ছৈয়েদাহ তাহিৰা ছিদ্দিকা চাহিবাৰ লগত হয়।

প্ৰশ্ন নং ৭২ ঃ তৃতীয় খলিফায়ে লিখা কিতাপসমূহৰ পৰা কেইটা মানৰ নাম উল্লেখ কৰা ?

**উত্তৰ ঃ** কোৰানী আনোৱাৰ, আমিৰ বাইতুল্লাহ কে তেইছ আজিমুশ্বান মকাছদ, এক ছচ্চে আউৰ হাকিকি খাদেম কে ১২ আউছফ, হামাৰে আকায়েদ আলেম ছাবিহ, জলছা ছালানা কি দোৱায়ে, আমন কা পয়গাম,তাউএক হৰফ ইনতেবাহ।

**প্ৰশ্ন নং ৭৩ ঃ** তৃতীয় খলিফাৰ কেইটামান প্ৰধান এহদ তাহৰিকাত (সংগঠনৰ) নাম উল্লেখ কৰা ?

**উত্তৰ ঃ** ফজলে ওমৰ ফাউনডেশন, ওৱাকফে আৰজি, নুচৰত জহা আগে বড়ো ইস্কীম, সদছালা আহমদীয়া জুবলী, আহমদীয়া তালিমী মনছোবা, তালিমূল

কোৰাণ ওয়াকফ বাদ আজৰিটায়েৰমেণ্ট।

**প্ৰশ্ন নং ৭৪ ঃ** আহমদীয়াৰ শিক্ষাৰ মনছোৰা নো কি ? (পৰ্য্যায়)

**উত্তৰ ঃ** ১৯৭৯ চনৰ ২৮ অক্টোবৰত হুজুৰ (ৰাঃ)য়ে এই মনছোৰাটো আৰম্ভ কৰে যে, প্ৰতিজন আহমদী ল'ৰা কমপক্ষে মেট্ৰিক আৰু আহমদী যুৱতী (ছোৱালী)য়ে কমপক্ষে মডেল পৰ্য্যন্ত শিক্ষা অৰ্জন কৰিব লাগিব। ইয়াৰ উপৰিও কৈছে যে, বোৰ্ডত প্ৰথম আৰু ইউনিভাৰ ছিটিত ১ম, ২য় আৰু ৩য় স্থান লাভ কৰা সকলক পুৰস্কাৰ দিয়া হ'ব। পুৰস্কাৰ বিতৰণৰ প্ৰথম সভা ১৯৮০ চনৰ ১৩ জুনত অনুষ্ঠিত হয়।

**প্ৰশ্ন নং ৭৫ ঃ** তৃতীয় খলিফা (ৰাঃ)য়ে বহিঃ দেশত কোন কোন চনত আৰু কিমান বাৰ ভ্ৰমণ কৰে ?

**উত্তৰ ঃ** তৃতীয় খলিফা (ৰাঃ)য়ে সাত বাৰ বহিঃদেশত ভ্ৰমণ কৰে। আৰু নিম্নোক্ত চনত ভ্ৰমণ কৰে, ১৯৬৭ খ্ৰীঃত বৃটেইন, জৰ্মান, ছুইজাৰলেণ্ড, হলেণ্ড, ডেনৰ্মাক (এই ভ্ৰমণ কালত মছজিদ নুছৰত জহাঁ কোপিনহিগন'ৰ উদঘাটন কৰে)। ১৯৭০ চনত ইংলিস্থান আৰু পশ্চিম আফ্ৰিকাৰ ঘানা, ছিৰালিউন, নাইজেৰিয়া, আইবেৰীকোষ্ট, লাইবেৰীয়া, গাম্বীয়া ইত্যাদি দেশ সমূহ ভ্ৰমণ কৰে। ১৯৭৩ খ্ৰীঃত জাৰ্মান, ছুইজাৰলেণ্ড, হলেণ্ড, ডেনমাৰ্ক, ছুইডেন, বৃটেইন। ১৯৭৫ খ্ৰীঃত ইংলিস্থান, ছুইডেন, নাৰুভে (এই সময়ছোৱাত গোলটন ৱাৰ্কতমছজিদ নাছিৰৰ ভিত্তি স্থাপন কৰে)। ১৯৭৬ চনত ইউৰোপৰ নিম্ন দেশ সমূহৰ বাদে আফ্ৰিকা আৰু কানাডা ভ্ৰমণ কৰে। বৃটেইন, ছুইডেন, নাৰ্ভে, ডেনমাৰ্ক, জাৰ্মানী, ছুইজাৰলেণ্ড, হলেণ্ড ইত্যাদি ভ্ৰমণ কৰে। ১৯৭৮ চনত কছৰে ছলিব (ক্ৰুশী) আকায়েদ (বিশ্বাস) খণ্ডন উপলক্ষে আন্তঃজাৰ্তিক কানফ্ৰান্সত যোগদান কৰে। ১৯৮০ চনত ইউৰোপ, আমেৰিকা, অষ্ট্ৰেলিয়া, আৰু আফ্ৰিকাৰ ১৩ খন দেশত ভ্ৰমণ কৰে।

## চতুৰ্থ খলিফাৰ খিলাফৎ কাল

**প্ৰশ্ন নং ১ ঃ** চতুৰ্থ খলিফাৰ নিৰ্বাচন কেতিয়া হয় ? আৰু কোনে খলিফা হয় ?

**উত্তৰ ঃ** ১৯৮২ চনৰ ১০ জুন তাৰিখে নমাজে জহৰৰ পিছ্‌ত মছজিদ মুবাৰক ৰাবৱাত চতুৰ্থ খলিফাৰ নিৰ্বাচন হয়। আৰু হজৰত চাহাবজাদা মিৰ্জা তাহেৰ আহমদ চাহাব (ৰহঃ) খলিফা নিৰ্বাচিত হয়।

**প্ৰশ্ন নং ২ ঃ** হজুৰ (ৰহঃ)ৰ জন্ম তাৰিখ আৰু জন্ম স্থান আৰু তেখেতৰ মা-দেউতাৰ নাম লিখা ?

**উত্তৰ ঃ** ১৯২৮ চনৰ ১৮ ডিচেম্বৰত কাদিয়ানত জন্ম গ্ৰহণ কৰে। তেখেত (ৰহঃ) ৰ মাকৰ নাম হজৰত ছৈয়দ মৰিয়ম বেগম চাহিবা (ৰাঃ) আৰু দেউতাৰ নাম হজৰত মিৰ্জা বশ্বিৰ উদ্দিন মাহমুদ আহমদ চাহাব আল মুচলেহ মাওউদ (ৰাঃ) আছিল।

**প্ৰশ্ন নং ৩ ঃ** হজুৰ (ৰহঃ) য়ে জমাতৰ  নামত কেতিয়া আৰু কি উদ্দেশ্য নিজৰ লিখিত পয়গাম দিয়ে ?

**উত্তৰ ঃ** ১৯৮২ চনৰ ১৩ জুনত প্ৰথম নিজৰ লিখিত পয়গাম দিয়ে। য'ত ফিলিস্থাইনৰ অত্যাচাৰ হোৱা মুছলমান সকলৰ কাৰণে দোৱাৰ তাহৰিক কৰিছিল।

**প্ৰশ্ন নং ৪ ঃ** হজুৰ (ৰহঃ)য়ে কেতিয়া প্ৰথম বাৰ ইউৰোপলৈ যায় আৰু কোন কোনটো দেশ ভ্ৰমণ কৰে ?

**উত্তৰ ঃ** ১৯৮২ খ্ৰীঃৰ ২৮ জুলাইত যাত্ৰা আৰম্ভ কৰি নাৰ্ভে,ছুইডান, ডেনমাৰ্ক,পশ্চিম জাৰ্মানী,অষ্ট্ৰেলিয়া, ছুইজাৰলেণ্ড,ফ্ৰান্স,লক্সমবৰ্গ, হলেণ্ড,স্পেইন, বৰতানিয়া (ইংলেণ্ড),স্কাটলেণ্ড ভ্ৰমণ কৰে।

৭০০ বছ্‌ৰ পিছ্‌ত স্থাপিত হ'বলগীয়া মছজিদ বিশাৰত পেড়ুৰাবাদ স্পেইনৰ উদ্ধোধনী কৰে।

**প্ৰশ্ন নং ৫ ঃ** আমেৰিকাত শ্বহীদ হোৱা জমাত আহমদীয়াৰ প্ৰথম ব্যক্তিজনৰ নাম আৰু শ্বহীদৰ তাৰিখ উল্লেখ কৰা ?

**উত্তৰ ঃ** ১৯৮৩ খ্ৰীঃৰ ৮ আগষ্টত ডেডৰাইচ আমেৰিকাত ডাঃ মুজ্‌ফফৰ আহমদ চাহাবক গুলিয়াই শ্বহিদ কৰা হয়।

**প্ৰশ্ন নং ৬ ঃ** হজুৰ (ৰহঃ)য়ে প্ৰথম ভ্ৰমণ পূবফালৰ দূৰ-দূৰান্ত আৰু অষ্ট্ৰেলিয়া কেতিয়া যায় ?

**উত্তৰ ঃ** ১৯৮৩ খ্রীঃৰ ২২ আগষ্টৰ পৰা ১৩ অক্টোবৰ ১৯৮৩ খ্রীঃত অষ্টেলিয়াৰ পূবফালৰ দূৰ-দূৰান্তলৈ ভ্রমণ কৰে।

**প্রশ্ন নং ৭ ঃ** পাকিস্থানৰ সভাপতি জিয়াউলে এনটি আহমদীয়া অৰ্ডিনেন্স কেতিয়া জাৰি কৰে?

**উত্তৰ ঃ** ১৯৮৪ চনৰ ২৬ এপ্রিলত।

**প্রশ্ন নং ৮ ঃ** হজুৰ (ৰহঃ)য়ে কেতিয়া আৰু কিয় ৰাবুয়াৰ পৰা লণ্ডনলৈ হিজৰত কৰি যায়।

**উত্তৰ ঃ** ১৯৮৪ খ্রীঃত আহমদীয়া অৰ্ডিনেন্স (পাবন্দী)ৰ কাৰণে জমাত আহমদীয়া পাকিস্থানত নিজৰ দায়িত্ব পালন কৰিব নোৱাৰাৰ বাবে ১৯৮৪ খ্রীঃৰ ২৯ এপ্রিলত পাকিস্থানৰ পৰা লণ্ডনলৈ হিজৰত কৰি যায়।

**প্রশ্ন নং ৯ ঃ** হজুৰ (ৰহঃ)য়ে পাকিস্থানৰ শাসনকৰ্তাৰ ফালৰ পৰা লিখিত আকাৰে যি ঘোষণা দিছিল, সেই সম্পৰ্কে খোতবা দিয়াৰ প্রচলন কেতিয়াৰ পৰা আৰম্ভ কৰে?

**উত্তৰ ঃ** ১৯৮৪ চনৰ ২০ জুলাইৰ পৰা ১৯৮৫ চনৰ ১৭ মে লৈকে ইয়াৰ প্রচলন চলি থাকে, পাছত অনুমতিক্রমত কিতাপ আকাৰে জাহাকুল বাতিল নামেৰে প্রকাশ হয়।

**প্রশ্ন নং ১০ ঃ** জগতৰ কোনটো ইদাৰে য়ে এনটি আহমদীয়া আৰডিনেন্সাক মানৱ অধিকাৰ বিৰোধ বুলি ঘোষণা কৰে?

**উত্তৰ ঃ** ১৯৮৬ খ্রীঃৰ ২৯ এপ্রিলত।

**প্রশ্ন নং ১১ ঃ** ১৯৮৪ খ্রীঃত এনটি আহমদীয়া আডিনেন্স জাৰি কৰোঁতা জেনেৰেল জিয়াউল হকৰ ধ্বংস কেতিয়া আৰু কেনেকৈ হয়?

**উত্তৰ ঃ** ১৯৮৮ খ্রীঃৰ ১৭ আগষ্টত উৰা জাহাজাত জুই লাগি ধ্বংস হৈছিল।

**প্রশ্ন নং ১২ ঃ** ৰোজ নামা আলফজল ৰাবোেয়াৰ ওপৰত পাবন্দী কেতিয়া সমাপ্ত হয়।

**উত্তৰ ঃ** ১৯৮৮ খ্রীঃৰ ২৮ নৱেম্বৰত। ১৯৮৪ খ্রীঃৰ ১২ ডিচেম্বৰত পাবন্দী লগোৱা হৈছিল। এনেদৰে তিনি বছৰ ১১ মাহ আৰু ৭ দিন পাছত আলফজল পত্রিকাৰ প্রচলন দ্বিতীয় বাৰ আৰম্ভ হয়।

**প্ৰশ্ন নং ১৩ ঃ** এনেকুৱা কেইজনমান বিশিষ্ট ব্যক্তিৰ নাম উল্লেখ কৰা যিসকল খোদা ভীৰু আছিল। তেখেতক বন্দী কৰি মৃত্যু দণ্ডৰ শাস্তি শুনোৱা হয় ?

**উত্তৰ ঃ** মাননীয় মহম্মদ ইলিয়াছ মনিৰ চাহাব, মাননীয় ৰাণা নাইমুদ্দিন চাহাব, মাননীয় প্ৰোফেছাৰ নাছিৰ আহমদ চাহাব কোৰাইশী,মাননীয় ৰাফি আহমদ কোৰাইশী চাহাব।

**নোট ঃ** এই বন্দী সকল খোদাৰ ফজলত সন্মানৰ সৈতে মুক্তি লাভ কৰে।

**প্ৰশ্ন নং ১৪ ঃ** আকোয়ামে মুত্তাহদাৰ জেনেৰেল এছেম্বলী আৰু জাগতিক আদালতৰ মেজিষ্ট্ৰেট প্ৰথম আহমদী ছদৰ জনৰ নাম কি ?

**উত্তৰ ঃ** হজৰত চৌধুৰী মহম্মদ ছাৰ জাফৰুল্লাহ খান চাহাব (ৰাঃ)য়ে ১৯৬২-৬৩ ত জেনেৰেল এছেম্বলী আকোৱামে মোত্তাহেদাৰ ছদৰ আছিল। আৰু ১৯৭০-৭৩ লৈকে জাগতিক ন্যায়ালয়ৰ ছদৰ আছিল। তেখেত প্ৰথমতে পাকিস্থানৰ বৈদেশীক মন্ত্ৰী আছিল। তেখেত (ৰাঃ)ৰ মৃত্যু ১৯৮৫ খ্ৰীঃৰ প্ৰথম ডিচেম্বৰত হয়।

**প্ৰশ্ন নং ১৫ ঃ** ইছলামাবাদ টেলিফোৰ্ড, ইংলিস্থান আৰু নাছিৰাবাগ জাৰ্মানী সম্পৰ্কে কি জানা ?

**উত্তৰ ঃ** ১৯৮৪ খ্ৰীঃব্দৰ ১৮ মে ত চতুৰ্থ খলিফা (ৰহঃ)য়ে ইংলেণ্ড আৰু জাৰ্মানীত দুখন আকৰ্ষণীয় মিছন হাউচ বনোৱাৰ আদেশ দিয়ে সেয়েহে জাৰ্মানীত আছিৰাবাগ আৰু ইংলিস্থানত ইছলামাবাদ নামৰ দুখন মিছন হাউচ বনোৱা হয়। য'ত ইজতিমা আৰু বাৰ্ষিক জলছা অনুষ্ঠিত হয়।

**প্ৰশ্ন নং ১৬ ঃ** ৰাবোৱাত ছুইমিং পুল কেতিয়া বনোৱা হয় ?

**উত্তৰ ঃ** ১৯৮৪ খ্ৰীঃৰ ৩১ জুলাইত ইয়াৰ ভিত্তি স্থাপন হয়। আৰু ১৯৮৮ খ্ৰীঃৰ ১০ ডিচেম্বৰত ইয়াৰ উদঘাটন হয়।

**প্ৰশ্ন নং ১৭ ঃ** কোন জনী আহমদী মহিলাক সৰ্ব প্ৰথম শ্বহিদ কৰি দিয়ে ?

**উত্তৰ ঃ** ১৯৮৬ খ্ৰীঃৰ ৯ জুনত মহতৰমা ৰুখচাৰ চাহিবাক দিনে মৰদান পাকিস্থানত শ্বহিদ কৰি দিয়ে।

**প্ৰশ্ন নং ১৮ঃ** আহমদীয়া জমাতৰ চতুৰ্থ খলিফাৰ ফালৰ পৰা কেতিয়া জাগতিকতা

হিচাপে মুবাহিলাৰ চেলেঞ্জ দিয়া হয় ?
**উত্তৰ ঃ** ১৯৮৮ খ্ৰীঃৰ ১০ জুনত হজুৰ (ৰহঃ) য়ে গোটেই জগতক মুবাহিলাৰ চেলেঞ্জ দিয়ে।হজুৰ (ৰহঃ)য়ে এই এই চেলেঞ্জ ১৯৯৭ চনৰ জানুৱাৰীত কাৰ্যকৰী কৰে।

**প্ৰশ্ন নং ১৯ ঃ** আহমদীয়া জমাতৰ শত বাৰ্ষিক জুবলী কেতিয়া পালন কৰা হয় ?
**উত্তৰ ঃ** আহমদীয়া জমাতৰ ১০০ বছৰ পূৰ্ণ হোৱাত ১৯৮৯ খ্ৰীঃত জশনে তশকিৰ (আনন্দৰ) উৎসৱ পালন কৰা হয়। পৃথিৱীৰ সকলো আহমদীয়ে আল্লাহ তায়লাৰ খাতিৰত বহুত কুৰবানী দিয়ে আৰু খোদাৰ দৰবাৰত ইবাদত কৰে।

**প্ৰশ্ন নং ২০ ঃ** পাঁচটা বুনিয়াদী আখলাক উল্লেখ কৰা ?
**উত্তৰ ঃ** (১) সত্যৰ অভ্যাস (২) ভদ্ৰতা আৰু নম্ৰতাৰ সৈতে কথা কোৱা (৩) উৎসা (৪) অন্যৰ দুঃখ কষ্টৰ অনুভৱ (৫) শক্তিশালী নিয়ত আৰু সাহস।

**প্ৰশ্ন নং ২১ ঃ** আহমদী জমাতৰ ২য় ছদিৰ আৰম্ভণীত চতুৰ্থ খলিফা (ৰহঃ)ৰ ওপৰত কোনটো ইলহাম অৱতীৰ্ণ হয় ?
**উত্তৰ ঃ** আচ্ছালামু আলাইকুম ওৱা ৰাহমাতুল্লাহে ওৱা বাৰাকাতুহু।

**প্ৰশ্ন নং ২২ ঃ** হজৰত খলিফাতুল মছীহ ৰাবে (ৰহঃ)ৰ খোতবা কেতিয়াৰ পৰা পোনপটীয়াকৈ নশ্বৰ হোৱাৰ পদ্ধতি আৰম্ভ কৰে? আৰু কেতিয়া মধ্যকৰ্ষণৰ জৰিয়তে সফলতা লাভ কৰে?
**উত্তৰ ঃ** ১৯৮৯ খ্ৰীঃৰ জানুৱাৰীত প্ৰথম বাৰ হজুৰ (ৰহঃ)ৰ খোতবা টেলিভিজনত গোটেই ইউৰোপত দেখা গৈছে আৰু শুনা গৈছে। আকৌ ১৯৯২ খ্ৰীঃৰ ২১ আগষ্টৰ পৰা পৃথিৱীৰ সকলোবোৰ দেশত হজুৰৰ খোতবা ডিশ এন.টিনাৰে দেখিব আৰু শুনিব পৰা গৈছে। এই তাৰিখটো দুনিয়াৰ ঘটনাসমূহৰ মাজত এটা বেলেগ ঘটনা। এইটোৰ জৰিয়তে পূৰ্বৰ বহুত ভৱিষ্যতবাণী পৰিপূৰ্ণ হয়।

**প্ৰশ্ন নং ২৩ ঃ** দেশ বিভাজনৰ পাছত কেতিয়া প্ৰথম বাৰ হজুৰ (ৰহঃ)য়ে

কাদিয়ানত আগমন কৰে ?

**উত্তৰ ঃ** ১৯৯১ চনৰ শত বাৰ্ষিক জলছা ছালানা কাদিয়ানৰ জলছাত অংশ গ্ৰহণ কৰিবৰ উপলক্ষে ১৯ ডিচেম্বৰ ১৯৯১ চনত কাদিয়ানত আগমন কৰে।

**প্ৰশ্ন নং ২৪ ঃ** হজৰত শেখ মহম্মদ আহমদ চাহাব (ৰাঃ)ৰ ঐতিহাসিক (১৮৯৪-১৯৯৩)ৰ আচৰিত ঘটনাটো কি ?

**উত্তৰ ঃ** হজৰত মছীহ মাওউদ (আঃ)য়ে এই বৰঙনী উল্লেখ কৰে যে আৰবী ভাষা সকলো ভাষাৰ মাঁ। অশেখ চাহাবে প্ৰায় ৫০০ শ ভাষাৰ তুলনা কৰি প্ৰমাণ কৰি দিয়ে যে আচলতে আৰবী ভাষাৰ পৰা প্ৰতিটো ভাষাৰ উৎপত্তি হৈছে।

**প্ৰশ্ন নং ২৫ ঃ** হজৰত খিফাতুল মছীহ ৰাবে (চতুৰ্থ খলিফা) (ৰহঃ) ৬ মাহৰ দিনত কেতিয়া ঐতিহাসিক জুমাৰ খোতবা প্ৰদান কৰে আৰু পাঁচ ওৱাক্ত নমাজ একত্ৰিত কৰি  জমাত আকাৰে আদায় কৰে। যিটো ইতিহাসৰ এনেকুৱা এটা ঘটনা যাৰ কোনো তুলনা কৰিব নোৱাৰি ?

**উত্তৰ ঃ** ১৯৯৩ চনৰ জুন মাহৰ ২৪-২৫ তাৰিখত নাৰ্ভেৰ কুতুব শমালী (পৃথিৱীৰ একেবাৰে শেষাংশত) হজুৰ (ৰহঃ)য়ে নিজৰ বংশধৰৰ লোক আৰু লগত থকা সকলৰ লগত পাঁচ ওৱাক্তৰ  নমাজ সময়সূচী নিৰ্ধাৰণ কৰি জমাতাকাৰে   আদায় কৰে।

**প্ৰশ্ন নং ২৬ ঃ** আলফজল ইণ্টাৰনেশনাল কেতিয়া আৰম্ভ হয় ?

**উত্তৰ ঃ** ১৯৯৩ খ্ৰীঃৰ ৩০ জুলাইত লণ্ডনৰ বাৰ্ষিক জলছাৰ সময়ত সাপ্তাহিক আলফজল ইণ্টাৰনেশনালৰ প্ৰথম নমুনা প্ৰকাশ হয়। আখবাৰ (Editor) ৰাশিদ আহমদ চৌধৰী চাহাব নিযুক্ত হয়।

**প্ৰশ্ন নং ২৭ ঃ** সাপ্তাহিক আলফজল ইণ্টাৰনেশনাল কেতিয়াৰ পৰা প্ৰকাশ হয় ? আৰু ইয়াৰ (Editor)কোন?

**উত্তৰ ঃ** ১৯৯৪ জানুৱাৰীত প্ৰকাশ হয়। আৰু ইয়াৰ সম্পাদক সন্মানীয় নাছিৰ আহমদ চাহাব কমৰ।

**প্ৰশ্ন  নং ২৮ ঃ** প্ৰথম আলমি (বিশ্বব্যাপী) বয়াত কেতিয়া হয় ? আৰু কেইখন দেশৰ আৰু কিমানজন মানুহ বয়াত কৰি আহমদীয়তত অন্তৰ্ভুক্ত হয় ?

**উত্তৰ ঃ** ১৯৯৩ চনৰ ৩১ জুলাইত লণ্ডনৰ বাৰ্ষিক জলছাৰ ২য় দিৱসত  ৮৪ খন দেশৰ ১১৫ টা জাতিৰ মানুহ দুই লাখ চাৰি হাজাৰ তিনিশ আঠ জন মানুহ হজুৰৰ পৱিত্ৰ হাতত বয়াত কৰি আহমদীয়া জমাতত অন্তৰ্ভুক্ত হয়। আৰু আহমদী জমাতৰ সকলো সদস্যই নতুনকৈ বয়াত কৰি লয়। দুনিয়াৰ ইতিহাসত এইটো প্ৰথম আচৰিত ঘটনা।

**প্ৰশ্ন নং ২৯ ঃ** চতুৰ্থ খলিফাৰ কেইটামান তাহৰিক (অনুষ্ঠান)ৰ নাম উল্লেখ কৰা ?

**উত্তৰ ঃ** বায়তুল হামদ স্কীম, ওৱাকফে নু স্কীম, তাহৰিকে ওৱাকফে জাদিদ গোটেই বিশ্বত বিয়পাবৰ তাহৰিক, সকলো আহমদীয়ে আৰবী আৰু উৰ্দু ভাষাৰ শিক্ষাৰ তাহৰিক, বিলাল ফাণ্ডৰ তাহৰিক।

**প্ৰশ্ন নং ৩০ ঃ** তাহৰিকে ওৱাকফে নু সম্পৰ্কে কি জানা ?

**উত্তৰ ঃ** ১৫ ছদী হিজৰীত জমাতৰ বাবে  প্ৰয়োজনীয়তা লৈ লক্ষ্য ৰাখি হজুৰ (ৰহঃ)য়ে ১৯৮৭ খ্ৰীঃৰ এপ্ৰিলত এয়া ঘোষণা কৰে যে এতিয়াৰ পৰা দুই বছৰ লৈ জন্ম লোৱা জমাতৰ কেচুৱা সকলক দ্বীনৰ সেৱাৰ বাবে ওৱাকফ (উচ্চৰ্গা) কৰক। পাছত এই তাহৰিকটো আৰু দুই বছৰ লৈ বঢ়াই দিয়ে,এতিয়ালৈকে প্ৰায় ১৬ হাজাৰতকৈ অধিক শিশুৱে জীৱন উচ্চৰ্গা কৰিছে।

**প্ৰশ্ন নং ৩১ ঃ** হজৰত খলিফাতুল মছীহ ৰাবে (ৰহঃ)(চতুৰ্থ খলিফা) য়ে লিখা কেইখনমান কিতাপসমূহৰ নাম উল্লেখ কৰা ?

**উত্তৰ ঃ** জাউকুল ইবাদ, আদাবে দোৱা, জাহাকাল বাতিল,ছিৰত ফজলে ওমৰ,হোমিঅ পেথী চিকিৎসা,মজহব কে নাম পৰ খুন,  ৰিছালা ইবনে মৰিয়ম, খালিজ কা বেহাৰান, নিজামে নউ, ওৱাৰজিশ কে জেয়েন।

Islam Response to Contemporary issue,Revelation Rationality knowledge & Truth, A journey from facts to fiction.

**প্ৰশ্ন নং ৩২ ঃ** ১৯৯৪ খ্ৰীঃত চতুৰ্থ খলিফা (ৰহঃ) হজৰত মছীহ মাওউদ

(আঃ)ৰ কোনটো ইলহামী দোৱা বেছিকৈ পঢ়িবৰ কাৰণে ঘোষণা কৰে ?
**উত্তৰ ঃ** সকলো ধৰণৰ মুফছেদিন আৰু মায়ানদিন (বিবাদ কৰোঁতা আৰু বিৰোধী বাদী)ৰ ফিতনা আৰু ফাছাদৰ পৰা ৰক্ষা পাবৰ কাৰণে হজৰত মছীহ মাউওদ (আঃ)ৰ নিম্ন ইলহামী দোৱাটো বেছিকৈ পঢ়িবৰ নিৰ্দেশ দিয়ে।

“আল্লাহুমা মাজ্জিকহুম কুল্লা মুমাজ্জাকিউ ওৱা ছাহ-হিকহুম তাছহিকা” অৰ্থাৎ — হে আল্লাহ ! তুমি সিহঁতক খণ্ড-খণ্ড কৰি দিয়া আৰু নাইকীয়া কৰি দিয়া।

**প্ৰশ্ন নং ৩৩ ঃ** কিতাপ A man of God সম্পৰ্কে কি জানা ?
**উত্তৰ ঃ** এই কিতাপখন চতুৰ্থ খলিফাৰ সুন্দৰ জীৱনী সম্পৰ্কে এজন খ্ৰীষ্টান মিষ্টাৰ এডমছনে লিখিছে। ইয়াৰ উৰ্দু মানে হ’ল; এক মৰদে খোদা, এই নামেৰে নামাকৰণ হৈ প্ৰকাশ হয়।

**প্ৰশ্ন নং ৩৪ ঃ** M.T.A (এম.টি.এৰ) পৰিপূৰ্ণ প্ৰচলন কেতিয়া আৰম্ভ হয় ?
**উত্তৰ ঃ** ১৯৯৪ চনৰ ৭ জানুৱাৰী তাৰিখৰ পৰা M.T.A ৰ পৰিপূৰ্ণ প্ৰচলন হয়।

**প্ৰশ্ন নং ৩৫ ঃ** ইউৰোপৰ আৰু আমেৰিকাৰ বাবে ২৪ ঘণ্টীয়া ইণ্টাৰনেশ্বনেল M.T.A ৰ প্ৰচলন কেতিয়া হয় ?
**উত্তৰ ঃ** ১৯৯৬ চনৰ প্ৰথম এপ্ৰিলৰ পৰা।

**প্ৰশ্ন নং ৩৬ ঃ** ইণ্টাৰনেশ্বনেল (আন্তৰ্জাতিক) M.T.A ৰ ২৪ ঘণ্টীয়া প্ৰোগ্ৰাম আৰম্ভ হোৱাত হুজুৰ (আঃ) য়ে কেতিয়া আৰু ক’ত ঐতিহাসিক খোতবা প্ৰদান কৰে ?
**উত্তৰ ঃ** ১৯৯৬ চনৰ ৫ এপ্ৰিল তাৰিখে, মছজিদ ফজল লণ্ডনত খোতবা প্ৰদান কৰে।

**প্ৰশ্ন নং ৩৭ ঃ** M.T.A ৰ কোনবোৰ প্ৰোগ্ৰামত হুজুৰ (ৰাঃ) বিশেষকৈ উপস্থিত আছিল ?
**উত্তৰ ঃ** দৰছুল কোৰাণ, মোলাকাত লিকিয়ে মাআল আৰব (আৰবীয়ানৰ

লগত সাক্ষাৎ) হোমিও পেথী ক্লাচ, চন্ডন কার্নৰ উৰ্দু ক্লাচ।

**প্ৰশ্ন নং ৩৮ ঃ** M.T.A ৰ ইণ্টাৰনেশ্বনাল প্ৰোগ্ৰাম সমূহ কেতিয়াৰ পৰা গ্লোবিল ভীমৰ জৰিয়তে আৰম্ভ হয় ?

**উত্তৰ ঃ** ১৯৯৬ চনৰ ৫ জুলাইৰ পৰা ভাৰতীয় সময় সূচী মতে পুৰা ৪ বজাত আৰম্ভ হয়।

**প্ৰশ্ন নং ৩৯ ঃ** হুজুৰ (ৰাঃ)য়ে কোন জনী মহিলাৰ ফালৰ পৰা জাৰ্মানীত প্ৰতিষ্ঠা হ'ব লগীয়া ১০০ (এক শ) মছজিদৰ বাবে বৰঙণী হিচাপে এটা বিশাল ধনৰাশী আগবঢ়ায় ?

**উত্তৰ ঃ** হজৰত ছৈয়দা মহৰ আপা চাহীবাৰ ফালৰ পৰা, এটা বিশাল ধনৰাশীৰ বৰঙনি আগবঢ়ায় যিটো দ্বিতীয় খলিফাৰ ফালৰ পৰা আছিল।

**প্ৰশ্ন নং ৪০ ঃ** খলিফা ৰাবে (চতুৰ্থ) খলিফাৰ খিলাফৎৰ কালছোৱাত জমাতৰ শত বাৰ্ষিক জুৱলী উপলক্ষে যি জোশন (আনন্দ)ৰ উৎসৱ পালন কৰা হয়। তাৰে কেইটামানৰ নাম উল্লেখ কৰা ?

**উত্তৰ ঃ** ১৯৮৬ চনত হজৰত মুছলেহ মাউওদ (ৰাঃ)ৰ ভৱিষ্যতবাণী অনুসৰি জামাতৰ এক শ (১০০) বছৰ পূৰ্ণ হোৱাত আনন্দৰ উৎসৱ পালন কৰা হয়। ১৯৮৯ চনত ধন্যবাদিত উৎসৱ পালন কৰা হয়। ১৯৯৪ চনত চন্দ্ৰ-সূৰ্য গ্ৰহণৰ ভৱিষ্যতবাণীৰ এক শ বছৰ পূৰ্ণ হোৱাত আনন্দৰ উৎসৱ পালন কৰা হয়। ১৯৯৬ চনত ইছলামী অচুল কী ফিলাছফী নামৰ কিতাপ খনৰ এক শ বছৰ পূৰ্ণ হোৱাত আনন্দৰ উৎসৱ পালন কৰা হয়। ৫২ টা ভাষাত এই পুস্তকখন অনুবাদ (ভাষান্তৰীত) হৈছে। ১৯৯৭ চনত শা তুম ৰছুলুল্লাহ (ছাঃ) লেখৰামৰ সম্পৰ্কে এক শ বছৰীয়া ভৱিষ্যৎবাণী পূৰ্ণ হোৱাত শতবাৰ্ষিক আনন্দৰ উৎসৱ পালন কৰা।

**প্ৰশ্ন নং ৪১ ঃ** চতুৰ্থ খলিফা (ৰাঃ)য়ে কেতিয়া মছজিদ বাইতুল ফুতুহৰ ভিত্তি স্থাপন কৰে ?

**উত্তৰ ঃ** ১৯৯৯ খ্ৰীষ্টাব্দৰ ১৯ অক্টোবৰত।

**প্ৰশ্ন নং ৪২ ঃ** চতুৰ্থ খলিফা (আঃ)য়ে ঐতিহাসিক ভ্ৰমণত কেতিয়া ইণ্ডোনেছিয়াৰ ভ্ৰমণত যায় ?

**উত্তৰ ঃ** ২০০০ চনৰ ১৯ জুনৰ পৰা ১১ জুলাই লৈকে।

**প্ৰশ্ন নং ৪৩ ঃ** মৰিয়ম শ্বাদী ফাণ্ডৰ আৰম্ভণী কেতিয়া হয় ? আৰু এই ফাণ্ডৰ উদ্দেশ্য কি আছিল ?

**উত্তৰ ঃ** ২০০৩ চনৰ এপ্ৰিল মাহত মৰিয়ম শ্বাদী ফাণ্ডৰ আৰম্ভ হয়। ইয়াৰ আচল উদ্দেশ্য এয়া আছিল যে, এই ফাণ্ডৰ জৰিয়তে দুখীয়া ছোৱালীহঁতৰ বিবাহৰ ব্যৱস্থা কৰিব পৰা যায়। এই ব্যৱস্থাপনাটো চতুৰ্থ খলিফা (ৰাঃ)ৰ কালছোৱাৰ শেষ তাহৰিক আছিল।

**প্ৰশ্ন নং ৪৪ ঃ** প্ৰতি বছৰত হোৱা আলমী বয়াতৰ বিশ্লেষণ উল্লেখ কৰা ?

**উত্তৰ ঃ** আলমী বয়াত বুলিলে সেই বয়াতক বুজায় যি হজৰত খলিফা চতুৰ্থ (ৰাঃ)ৰ খিলাফৎৰ কালছোৱাত ১৯৯৪ চনৰ পৰা আৰম্ভ হয়। জলছা-ছালানা বৃটেইনৰ সময়ত পৃথিৱীৰ সেইলোক সকল এই বয়াতত অংশ লয়। যি সকলে গোটেই বছৰত আহমদীয়া মুছলিম জমাতত অংশ গ্ৰহণ কৰি থাকে। এই বয়াতৰ দৃশ্য প্ৰতি বছৰ M.T.A ৰ মাধ্যমত প্ৰচাৰ কৰা হয়। য'ত বিশ্বৰ মানুহে নিজৰ নিজৰ দেশত থাকি বয়াতত আৰু দোৱাত অংশ লয়। ১৯৯৪ চনৰ পৰা আৰম্ভ হোৱা আলমী বয়াতৰ সূচী তলত উল্লেখ কৰা হ'লঃ-

১৯৯৪ খ্ৰীষ্টাব্দত — ৪২১৭৫৩

১৯৯৫ খ্ৰীঃত — ৮৪৭৭২৫

১৯৯৬ খ্ৰীঃত — ১৬২৭২১

১৯৯৭ খ্ৰীঃত — ৩০০৪৫০

১৯৯৮ খ্ৰীঃত — পঞ্চাচ লাখ।

১৯৯৯ খ্ৰীঃত — এক কৌটি।

২০০০ খ্ৰীঃত — চাৰি কৌটি।

২০০১ খ্ৰীঃত — আঠ কৌটি।

# পঞ্চম খলিফাৰ খিলাফৎ কাল

**প্ৰশ্ন নং ১ ঃ** পঞ্চম খলিফাৰ নিৰ্বাচন কোন চনৰ কিমান তাৰিখত হয় ? আৰু কোন খলিফা হয় ?

**উত্তৰ ঃ** ২০০৩ চনৰ ২২ এপ্ৰিলত নমাজ মগৰিব আৰু ঈশ্বাৰ পিছ্ত মছজিদ ফজল লণ্ডনত পঞ্চম খলিফাৰ নিৰ্বাচিত হয়। আৰু হজৰত মিৰ্জা মছৰুৰ আহমদ চাহাবা (আইঃ) খলিফা নিৰ্বাচিত হয়।

**প্ৰশ্ন নং ২ ঃ** পঞ্চম খলিফা (আইঃ)ৰ জন্ম তাৰিখ,জন্ম স্থান আৰু তেখেতৰ মাক দেউতাকৰ নাম কি ?

**উত্তৰ ঃ** ১৯৫০ চনৰ ১৫ ডিচেম্বৰত ৰাবোৱাত জন্ম গ্ৰহণ কৰে। তেখেতৰ মাকৰ নাম মহতৰমা চাহাবজাদী নাছিৰাহ বেগম চাহিবা আৰু দেউতাৰ নাম চাহাবজাদা মিৰ্জা মনছুৰ আহমদ চাহাব।

**প্ৰশ্ন নং ৩ ঃ** খলিফা হোৱাৰ পূৰ্বে তেখেত (আইঃ)য়ে জমাতৰ অধিকাৰে জমাতৰ কোন ধৰণৰ সেৱা আগবঢ়াইছিল। তাৰ চমু বৰ্নণা কৰা ?

**উত্তৰ ঃ** তেখেত (আইঃ)য়ে ১৯৭৭ চনত নিজক ওৱাকফ কৰি নুছৰত জহা ইস্কীমত সেৱা কৰিবৰ নিমিত্তে পশ্চিম আফ্ৰিকাত ঘানালৈ যায়। য'ত তেখেত (আইঃ)য়ে ১৯৭৭ চনৰ পৰা ১৯৭৯ চনলৈকে আহমদীয়া ছেকেণ্ডাৰী স্কুল ছলাগাত প্ৰিন্সিপাল হিচাপে কাম কৰে। ১৯৭৯-১৯৮৩ চন লৈকে প্ৰিন্সিপাল ছেকেণ্ডাৰী স্কুল আলছিয়াৰচৰ আছিল। ১৯৮৩-১৯৮৫ জৰি ফাৰ্ম টমালে উত্তৰ ঘানাৰ মেনেজাৰ পদত আছিল। ঘানাত প্ৰথম ঘেঁহু উৎপন্ন কৰাত তেখেত (আইঃ)য়ে নিজৰ অভিজ্ঞতা লাভ কৰে। ১৯৮৫ চনত তেখেত পাকিস্থানলৈ উভতি আহে। ১৯৯৭ চনত ৰাবোৱাৰ নাজিৰ আলা আৰু স্থানীয় আমিৰ ৰাবোৱা নিযুক্ত হয়। আৰু খলিফা নিৰ্বাচনৰ আগলৈকে এই পদত অধিষ্ট থাকে নাজিৰ আলা পদত থাকিও নাজিৰে জিয়াফত আৰু নাজিৰ জায়েদাদত কাম কৰি থাকে। ১৯৯৪ চনৰ পৰা ১৯৯৭ চনলৈকে তেখেত (আইঃ)য়ে নাজিৰ ফাউণ্ডেশনৰ চিয়াৰমেন পদত কাম কৰে। এই সময় ছোৱাত তেখেত

তজিইন কমিটিৰ সভাপতি আছিল।১৯৮৮ চনৰ পৰা ১৯৯৫ চনলৈকে তেখেত কাজা বোৰ্ডৰ সদস্যও আছিল। ১৯৭৬-৭৭ চনত খুদ্দামুল আহমদীয়া মৰকজীয়াত স্বাস্থ্য বিভাগৰ মহতামিম আৰু ১৯৮৪-৮৫ চনত তজনীদৰ মহতামিম ১৯৮৫-৮৬ পৰা ১৯৮৮-৮৯লৈকে বহিঃজগতৰ মজলিছৰ মহতামিম আৰু ১৯৮৯-৯০ চনত খুদ্দামুল আহমদীয়া পাকিস্থানৰ নায়েব ছদৰ পদত কাম কৰে। ১৯৯৫ চনত পাকিস্থানত আনছাৰ উল্লাহ আৰু স্বাস্থ্য বিভাগৰ কায়েদ পদত আছিল। ১৯৮৫ চনৰ পৰা ১৯৯৭ চন লৈকে তালিমুল কোৰাণৰ কায়েদ হিচাপে সেৱা আগবঢ়াইছিল।

**প্ৰশ্ন নং ৪ ঃ** হজৰত মিৰ্জা মছৰুৰ আহমদ (আইঃ)য়ে আছিৰাহে মাউলা বন্দী হোৱাৰ সন্মান কেতিয়া লাভ কৰে ?

**উত্তৰ ঃ** ১৯৯৯ চনৰ ৩০ এপ্ৰিলত বন্দী হয়। আৰু ১০ মে ত ৰেহাই পায়।

**প্ৰশ্ন নং ৫ ঃ** হজৰত মিৰ্জা মছৰুৰ আহমদ চাহাব সম্পৰ্কে এটা ইলহাম উল্লেখ কৰা ?

**উত্তৰ ঃ** ১৯০৭ চনৰ ডিচেম্বৰত হজৰত মছীহ মাওউদ (আঃ)ৰ ওপৰত এই ইলহাম হয় যে **মে তেৰে ছাথ হু আউৰ মে তামাম পিয়াৰো কে ছাথ হু ইন্নি মাআকা ইয়া মছৰুৰ** অৰ্থাৎ হে মছৰুৰ মই তোমাৰ লগত আছো।

**প্ৰশ্ন নং ৬ ঃ** খলিফা হোৱাৰ পিছত হজৰত খলিফাতুল মছীহ আলখামিছ (আইঃ)য়ে প্ৰথম বাৰ সাধাৰণ পয়গাম কেতিয়া আৰম্ভ কৰে ?

**উত্তৰ ঃ** ২০০৩ চনৰ মে ত এই পয়গামত হজুৰ কয় যে হামাৰী ছাৰি তৰক্কীয়াত কা দাৰুমদাৰ খিলাফত ছে ওৱাবিস্থিগি মেহি পানাহ হ্যায়। অৰ্থাৎ আমাৰ সকলো ধৰণৰ উন্নতিৰ বাট খিলাফতৰ আশ্ৰয়স্থলত হ'ব লাগে। খলিফাৰ অনুসৰণত সদায় লাগি থাকিব লাগে

**প্ৰশ্ন নং ৭ ঃ** হজুৰ আনোৱাৰ (আইঃ)য়ে প্ৰথম খোতবা জুমা কেতিয়া আৰু ক'ত প্ৰদান কৰে ?

**উত্তৰ ঃ** ২০০৩ চনৰ ২৫ এপ্ৰিলত মছজিদ ফজল লণ্ডনত প্ৰথম জুমাৰ খোতবা প্ৰদান কৰে। এই খোতবাটো দোৱা সম্পৰ্কে আছিল।

**প্ৰশ্ন নং ৮ ঃ** পঞ্চম খলিফা (আইঃ)ৰ প্ৰথম বৰকতময় মালী তাহৰিকৰ নাম কি ? আৰু এয়া কেতিয়া আৰম্ভ হয় ?

**উত্তৰ ঃ** তাহেৰ ফাউণ্ডেশন ফাণ্ড ২০০৩ চনৰ ২৭ জুলাইত জলছা ছালানা বৃটেন শেষ দিনা ভাষণ প্ৰদান কৰে। আৰু কয় যে এই কল্যাণমণ্ডিত তাহৰিকৰ জৰিয়তে খলিফাতুল মছীহ চতুৰ্থৰ উচ্চমানৰ বিচাৰ ধাৰাৰ পৰা আধ্যাত্মিক মজলিছ আৰু তেখেত (ৰহঃ)ৰ উচ্চমান আৰু উন্নতমান তাহৰিক সম্পৰ্কে যি মূল্যবান ভাষণ প্ৰদান কৰিছিল। সেয়া বিভিন্ন ভাষা-ভাষিক একেলগ কৰি দিয়া,প্ৰকাশনি প্ৰোগ্ৰাম আছিল।

**প্ৰশ্ন নং ৯ ঃ** খিলাফতৰ আসনত অধিষ্ঠিত হোৱাৰ পাছত হজুৰ (আইঃ)য়ে বিদেশৰ কোনটো দেশত আৰু কেতিয়া ভ্ৰমণ কৰে ?

**উত্তৰ ঃ** খিলাফতৰ আসন গ্ৰহণৰ পাছত হজুৰ (আইঃ)য়ে ইউৰোপৰ কেইবাটাও দেশৰ ভ্ৰমণ কৰে। য'ত তেখেত (আইঃ)য়ে ২২/২৪ আগষ্টত জাৰ্মানীৰ শত বাৰ্ষিক জলছাত যোগদান কৰে।

**প্ৰশ্ন নং ১০ ঃ** মছজিদ বায়তুল ফুতুহ মৰ্ডন লণ্ডনৰ উদ্বোধনি কেতিয়া হয় ?

**উত্তৰ ঃ** ২০০৩ চনৰ ৩ অক্টোবৰত ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ পঞ্চম (আইঃ)য়ে জুমাৰ নমাজৰ সৈতে বাইতুল ফুতুহ লণ্ডন মছজিদৰ উদঘাটন কৰে।

**প্ৰশ্ন নং ১১ ঃ** হজুৰ (আইঃ)য়ে আফ্ৰিকা দেশসমূহৰ প্ৰথম ভ্ৰমণ কেতিয়া কৰে ?

**উত্তৰ ঃ** হজৰত খলিফাতুল মছীহ আলখামিছ (পঞ্চম খলিফা) (আইঃ)য়ে ২০০৪ চনৰ ১৫ মেৰ পৰা ১৩ এপ্ৰিল লৈকে পশ্চিম আফ্ৰিকা দেশবোৰৰ ভ্ৰমণ কৰে।

## অন্যান্য

**প্ৰশ্ন নং ১২ ঃ** চতুৰ্থ খলিফাৰ খিলাফতৰ কালছোৱাত আহমদীয়া জমাতত অন্তৰ্ভুক্ত হোৱাৰ ফলত শ্বহীদ হোৱা কেইজন মান সৌভাগ্যমানৰ নাম উল্লেখ কৰা ?

**উত্তৰ ঃ** মাননীয় চৌধুৰী মকবুল আহমদ চাহাব শিখৰ, মাননীয় মাষ্টাৰ আব্দুল হাকিম আবুড় চাহাব, মাননীয় চৌধুৰী আব্দুল হামিদ চাহাব, মাননীয় মালিক ইনামুল ৰহমান চাহাব শিখৰ, মাননীয় নাছিৰ আহমদ চাহাব আউকাড়া ,মাননীয় ডাঃ আব্দুল কাদিৰ চাহাব ফায়ছেলাবাদ, মাননীয় চৌধুৰী আব্দুৰ ৰেজ্জাক চাহাব নয়াব শ্বাহ, মাননীয় ডঃ আকিল বিন আব্দুল কাদিৰ চাহাব হাইদ্ৰাবাদ, মাননীয় চৌধুৰী মেহমুদ আহমদ চাহাব পন্নুয়াকেল, মাননীয় ছৈয়দ কামৰুল হক চাহাব শিখৰ, মাননীয় ৰাউ খালিদ ছলেমান চাহাব আফগুজৰাহ শিখৰ, মাননীয় আবু আব্দুল গফ্‌ফাৰ চাহাব হাইদ্ৰাবাদ, শেখ মহম্মদ জহিৰ চাহাব ছোহাবা, মাননীয় মিৰ্জা মনোৱাৰ বেগ চাহাব, মাননীয় ৰুখছানা চাহিবা স্ত্ৰী তাৰুক আহমদ মৰদান, মাননীয় ডাক্তৰ মুনাববৰ আহমদ ছিকৰাণ্ডু নায়াব চাহাব,মাননীয় নাজিৰ আহমদ ছাকী চাহাব চক ছিকেন্দ্ৰ গুজৰাত, মাননীয় মহম্মদ ৰফিক চাহাব ছক ছিকেন্দ্ৰৰ গুজৰাত, মাননীয় ডাক্তৰ আব্দুল কাদিৰ চাহাব কাজী আহমদ নায়াবশ্বাহ,মাননীয় নাবিলা বিনত মুশতাক আহমদ চক ছিকেন্দ্ৰৰ গুজৰাত,মাননীয় ডাক্তৰ আব্দুল কুদ্দুছ চাহাব কাজী আহমদ নায়াবশ্বাহ, মাননীয় নাছিৰ আহমদ আলবি চাহাব জিলা দৌড় নযাব শ্বাহ,মাননীয় আশৰফ চাহাব জলহান, মাননীয় ৰাণা ৰিয়াজ আহমদ চাহাব লাহোৰ, মাননীয় নাছৰুল্লাহ চাহাব লাহোৰ, মাননীয় ডাক্তৰ নাছিম বাবৰ চাহাব ইছলামাবাদ, মাননীয় আব্দুৰ ৰহমান চাহাব লাড়কানাহ, মাননীয় ছালিম আহমদ চাহাব মনজুৰ কালোনী কৰাছী, মাননীয় আনোৱাৰ হুছেইন চাহাব আনুয়াৰাবাদ লাড়কানাহ, মাননীয় ৰিয়াজ আহমদ খান চাহাব মৰদান, মাননীয় মিঞা ছাদিক চাহাব ছট্টাদাদ জিলা হাফজাবাদ, মাননীয় চৌধুৰী আতিক আহমদ চাহাব বাজুয়াহ এডভোকেট ওৱাহাড়ী।

**প্ৰশ্ন নং ১৩ ঃ** আহমদিয়া মহিলাৰ চান্দাৰ দ্বাৰা পাকিস্থানৰ বাহিৰে কোনটো মছজিদ নিৰ্মাণ কৰা হয় ?

**উত্তৰ ঃ** মছজিদ ফজল (লণ্ডন) মছজিদ মোবাৰক হাইগ (হলেণ্ড) মজজিদ নুছৰত জহা (কুপেন হাইডান ডেনমাৰ্ক)

**প্ৰশ্ন নং ১৪ ঃ** যিসকল মোবাল্লিগ প্ৰচাৰ কাৰ্য্য কৰোঁতে বহিঃজগতত মৃত্যু

বৰণ কৰিছে তাৰে কেইজন মানৰ নাম উল্লেখ কৰা ?

**উত্তৰ ঃ** হজৰত মাউলানা নাছিৰ আহমদ আলী চাহাব (ছিৰালেণ্ড) হজৰত হাফিজ আব্দুল্লাহ চাহাব (মাৰেছিছ) হজৰত চৌধুৰী আব্দুৰ ৰহমান বাঙ্গালী চাহাব (আমেৰিকা) হজৰত মাউলানা আবু বক্কৰ আইয়ুব চাহাব (হলেণ্ড) মাননীয় মুবাশ্বেৰ আহমদ চাহাব চৌধুৰী (নাইজেৰিয়া)।

**প্ৰশ্ন নং ১৫ ঃ** মোৰ ফিৰকাৰ লোক আধ্যাত্মিক শিক্ষাত এনেকুৱা উন্নতি লাভ কৰিব যে তেখেত নিজৰ সত্যতাৰে আৰু নিজৰ প্ৰমাণ ও নিদৰ্শনৰ সৈতে মুখ বন্ধ কৰি দিব। হজৰত মছীহ মাওউদ (আঃ)ৰ এই ভৱিষ্যত বাণীৰ মিছদাক হোৱা দুজন ব্যক্তিৰ নাম উল্লেখ কৰা ?

**উত্তৰ ঃ** হজৰত চৌধুৰী জাফৰুল্লাহ খান চাহাব (ৰাঃ) হজৰত প্ৰোফেছৰ ডাক্তৰ আব্দুছ ছালাম চাহাব (ৰাঃ)

**প্ৰশ্ন নং ১৬ ঃ** হজৰত চৌধুৰী মহম্মদ ছাৰ জাফৰুল্লাহ খান চাহাবৰ জন্ম তাৰিখ আৰু মৃত্যু তাৰিখ উল্লেখ কৰা আৰু তেখেত (ৰাঃ)য়ে কেতিয়া হজৰত মছীহ মাওউদ (আঃ)ৰ হাতত বয়াত কৰে ?

**উত্তৰ ঃ** ১৮৯৩ চনৰ ৬ ফেব্ৰুৱাৰীত জন্ম গ্ৰহণ কৰে আৰু ১৯৮৫ চনৰ প্ৰথম চেপ্তেম্বৰত মৃত্যু বৰণ কৰে। ১৯০৭ চনৰ ১৬ চেপ্তেম্বৰত হজৰত মছীহ মাওউদ (আঃ)ৰ হাতত বয়াত কৰাৰ সৌভাগ্য লাভ কৰে।

**প্ৰশ্ন নং ১৭ ঃ** হজৰত জাফৰুল্লাহ খান চাহাব জাগতিকতাৰ যিবোৰ পদবীত অধিষ্ঠ আছিল তাৰে কেইটামান পদৰ নাম উল্লেখ কৰা ?

**উত্তৰ ঃ** পঞ্জাৱ আদালতৰ সদস্য ছাৰ্জ কাউন্সিল, ১৯৩১ চনত অলইণ্ডিয়া মুছলিম লিগৰ সভাপতি, গোল মেজ কনফ্ৰান্সৰ সদস্য আছিল। মেম্বাৰ অফ এগজিকটু কাউন্সিল ওৱাছৰায়ে হিন্দ,হিন্দুস্থানৰ ৰেলমন্ত্ৰী, হিন্দুস্থানৰ উচ্চন্যায়লয়ৰ বিচাৰপতি, পাকিস্থানৰ বৈদেশিক বিভাগৰ উজিৰ আছিল। বিচাৰ পতিৰ পাছত ভাৰপ্ৰাপ্ত ছদৰ আৰু ইণ্টাৰনেশনাল কোটৰ জাজ আছিল। তেখেইে প্ৰথম ব্যক্তি যিজন আকুৱামে মুত্তাহিদা এছেম্বলীৰ জেনেৰেল আছিল। আৰু ইণ্টাৰনেশনাল কোৰ্ট অফ জাছটিছ দুয়ো পদৰ উচ্চপদৰ পদবীৰ সৌভাগ্য লাভ কৰিছিল।

**প্রশ্ন নং ১৮ ঃ** হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কোন কোন জন বুজুৰ্গক খালিদ আহমদীৰ উপাধীৰে ভূষিত কৰে ?

**উত্তৰ ঃ** ১৯৫৬ চনত জলছা ছালানাৰ সময়ত তলত উল্লেখিত তিনি জন ব্যক্তিক খালিদ (অমৰ) আহমদী উপাধী প্ৰদান কৰে। হজৰত মাউলানা জালাল উদ্দিন শ্বামছ চাহাব, হজৰত মালিক আব্দুৰ ৰহমান খাদিম চাহাব, হজৰত মাউলানা আবুল আতাউল চাহাব।

**প্রশ্ন নং ১৯ ঃ** পাকিস্থানৰ এজন আহমদী বৈজ্ঞানিকৰ নাম উল্লেখ কৰা ?

**উত্তৰ ঃ** সন্মানীয় ডাক্তৰ আব্দুল ছালাম চাহাব।

**প্রশ্ন নং ২০ ঃ** সন্মানীয় ডাক্তৰ আব্দুছ ছালাম চাহাবক কেতিয়া নবেল বটা প্ৰদান কৰা হয় ?

**উত্তৰ ঃ** ১৯৭৯ চনৰ ১০ ডিচেম্বৰত।

**প্রশ্ন নং ২১ ঃ** ডাক্তৰ আব্দুছ ছালাম চাহাব কেতিয়া মৃত্যু বৰণ কৰে ?আৰু ক'ত দফন কৰা হয় ?

**উত্তৰ ঃ** ১৯৯৬ চনৰ ২১ নৱেম্বৰত অকফোৰ্ডত মৃত্যু হয়। আৰু ১৯৯৬ চনৰ ২৫ নৱেম্বৰত ৰাবোৱাত বেহেস্তি মকবৰাত দফন কৰা হয়।

**প্রশ্ন নং ২২ ঃ** ১৯৯৪ চনৰ বছৰটোত জমাত আহমদীয়া কোনটো ঐশী নিদৰ্শনৰ স্মৰণ পালন কৰে ?

**উত্তৰ ঃ** ১৮৯৪ চনত হজৰত ইমাম মাহদী (আঃ)ৰ নিদৰ্শন হিচাপে চন্দ্ৰ আৰু সূৰ্য্য গ্ৰহণ হয়। তাৰে ১০০ বছৰ পূৰ্ণতাত ১৯৯৪ চনৰ ঐশী নিদৰ্শনৰ স্মৰণ পালন কৰে।

**প্রশ্ন নং ২৩ ঃ** ইছলামী উছুল কি ফিলোছফী নামৰ গ্ৰন্থখনৰ বাৰ্ষিক কেনেদৰে পালন কৰা হৈছিল ?

**উত্তৰ ঃ** ১৯৯৬ চনত হজৰত মছীহ মাওউদ (আঃ)ৰ পুস্তক ইছলামী উছুল কি ফিলোছফী নামৰ পুস্তকখনৰ ১০০ শ বছৰ পূৰ্ণ হোৱাত দুনিয়াৰ প্ৰত্যেক দেশত বিভিন্ন ভাষাত ইয়াক ভাষান্তৰ কৰা হয়,আৰু হজুৰ আদেশ দিয়ে যে প্ৰত্যেকজন আহমদীয়ে এই মূল্যবান গ্ৰন্থৰ অধ্যয়ন কৰে যেন।

**প্রশ্ন নং ২৪ ঃ** ১৯৯৭ চনত কোনটো মহান নিদৰ্শনৰ এক শ বছৰ পূৰ্ণ হয় ?

**উত্তৰ ঃ** শা তুম ৰছুলুল্লাহ (ৰছুলক গালি শপনি দিয়া) ব্যক্তি আৰিয়া সমাজৰ লিডাৰ লেখৰাম পেশাৰৰীৰ মৃত্যুত ৬ মাৰ্চ ১৮৯৭ চনত মছীহ মাওউদ (আঃ) ৰ ভৱিষ্যতবাণী অনুসৰি লেখৰাম খোদা তায়লাৰ শাস্তিৰ চিকাৰ হৈ আঘাতপ্ৰাপ্ত হৈ মৃত্যু বৰণ কৰে।

**প্ৰশ্ন নং ২৫ ঃ** ৰাবোৱাৰ পৰা প্ৰকাশ হোৱা ৰিছালা (মেগাজিন) বোৰৰ নাম উল্লেখ কৰা ?

**উত্তৰ ঃ** মাহে নামা খালিদ (মজলিছ খুদ্দামুল আহমদীয়া)
মাহে নামা তশহিজুল আজহান ( মজলিছ আতফালুল আহমদীয়া)
মাহে নামা আনছাৰুল্লাহ ( মজলিছ আনছাৰ উল্লাহ)
মাহে নামা মিছবাহ ( লাজনা সংগঠন)।

**প্ৰশ্ন নং ২৬ ঃ** কাদিয়ানৰ পৰা প্ৰকাশ হোৱা বাৰ্তাসমূহৰ আৰু ৰিছালা (মেগাজিন) ৰ নাম উল্লেখ কৰা ?

**উত্তৰ ঃ** সপ্তাৰোজ বদৰ, মাহেনামা মিশকাত (মজলিছ খুদ্দামুল আহমদীয়া) ছেহ মাহি (ছয় মাহিলী) আনছাৰ উল্লাহ (মজলিছ আনছাৰুল্লাহ) ৰাহে ঈমান (হিন্দী) মজলিছ খুদ্দামুল আহমদীয়া) দুমাহী (দুই মাহিলী) ধৰ মালোকা, আৰিয়া ভাষাত (মজলিছ খুদ্দামুল আহমদীয়া)

**প্ৰশ্ন নং ২৭ ঃ** ৰিছালা খালিদ (খালিদ মেগাজিন) কেতিয়াৰ পৰা প্ৰচলন হয় ?

**উত্তৰ ঃ** ১৯৫২ চনৰ অক্টোবৰৰ পৰা।

**প্ৰশ্ন নং ২৮ ঃ** লণ্ডনৰ পৰা প্ৰকাশ হোৱা জৰাইদওঁ আখবাৰ-পত্ৰিকাৰ পৰা কেইটামানৰ নাম উল্লেখ কৰা ?

**উত্তৰ ঃ** মাহে নামা ৰিভিইউ অফৰিলিজেন্স, সপ্তাহ ৰোজা, ইণ্টাৰনেশ্বনেল আলফজল, মাহেনামা আল তাকোৱা, আখবাৰ আহমদীয়া।

**প্ৰশ্ন নং ২৯ ঃ** ১৯৯৭ চনৰ জাৰ্মানী শত বাৰ্ষিক জলছাৰ ইনফৰাদী (ব্যক্তিত্ব)ৰ বিশেষত্ব বৰ্ণনা কৰা ?

**উত্তৰ ঃ** হুজুৰ (ৰাঃ)ৰ আদেশ পালনাৰ্থে সেই সময়ত বুছনাইন,আলবানাইন আৰু আৰৱীয়ান সকলৰ কাৰণে বেলেগ বেলেগ কৈ জলছাৰ আয়োজন

কৰা হয়।

**প্ৰশ্ন নং ৩০ ঃ** ১৯৯৭ চনৰ জুলাই লৈকে জমাতৰ উন্নতিৰ চমু বৰ্ণনা কৰা ?

**উত্তৰ ঃ** পৃথিৱীৰ ১৫৩ দেশত জমাত আহ্‌মদীয়া বিস্তাৰ লাভ কৰিছে। সেয়েহে হাজাৰ হাজাৰ জমাত আৰু হাজাৰ হাজাৰ মছজিদ প্ৰতিষ্ঠা হৈছে। প্ৰায় ৬০২ (ছয় শ দুই খন) মিচন হাউচ আৰু ৭০ টা সংবাদ পত্ৰ ও জৰায়ত (হিচাপ-কিতাপ)ৰ আখবাৰৰ প্ৰচলন হৈছে। আৰু ৫২ টা ভাষাত কোৰাণ কৰিম অনুবাদ হৈ প্ৰকাশ হৈছে। ইয়াৰ উপৰিও বহুত স্কুল,কলেজ আৰু চিকিৎসালয়,আৰু মানৱ সেৱাৰ কামত অগ্ৰগতি লাভ কৰিছে। আৰু ৯৫২ জন মোবাল্লিগ আৰু মোৱাল্লিম মৰকজি আৰু স্থানীয় দেশৰ বিভিন্ন প্ৰান্তত জমাতৰ খাতিৰত দ্বীন ইছ্‌লামৰ সেৱা আগবঢ়াই আছে যাৰ লগত লাখ লাখ প্ৰচাৰকাৰী ময়দানে আমলত প্ৰচাৰ কাৰ্য্য চলাই আছে।